Edited by Saleha Sultana Rahman and Published by the General Secy., Sibsagar Girls' College Students' Union, Sibsagar, Printed at Printworks, Sibsagar & Cover Page Printed at Assam Printing in Offset, Jorhat-1


শিৱসাগৰ ছোৱালী কলেজ
আলোচনী
সম্পাদিকা: চালেহা চুলতানা ৰহমান

চাড়্বডাঙ্গু ক্বাম টাঁহি

# শিৱসাগৰ ছোৱালী কলেজ আলোচনী

( অসমীয়া শাখা )

সম্পাদনাত

চালেহা চুলতানা ৰহমান

১৯৮৬-৮৭ বছৰ

শিৱসাগৰ ছোৱালী কলেজ আলোচনী
১৯৮৬-৮৭ বছৰ

শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ হৈ
সাধাৰণ সম্পাদিকাৰ দ্বাৰা প্ৰকাশিত।

সম্পাদনাত ঃ চালেহা চুলতানা ৰহমান।

মুদ্ৰণত ঃ মেচাৰ্চ প্ৰিণ্টৱৰ্কস্
শঙ্কৰ মন্দিৰ পথ
শিৱসাগৰ-৭৮৫৬৪০

সম্পাদনা সমিতি ঃ

সভাপতি ঃ অধ্যক্ষ মঃ হাফিজুৰ ৰহমান
উপদেষ্টা ঃ অধ্যাপক শ্ৰীশিৰীষ ভট্টাচাৰ্য্য
উপদেষ্টা ঃ অধ্যাপিকা শ্ৰীযমুনা বৰগোহাঁই

চালেহা চুলতানা ৰহমান ( সম্পাদিকা, আলোচনী বিভাগ )
শ্ৰীমনিকা বৰা ( সাধাৰণ সম্পাদিকা )

**বেটুপাতৰ শিল্পী ঃ** শ্ৰীগামেল নাচেৰ

**বেটুপাতৰ ব্যাখ্যা ঃ** সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক প্ৰমূল্যবোধৰ কট্‌কটিয়া বাধা নেওচি প্ৰকৃতাৰ্থত সুস্থ মানসিকতাৰ স্বৰূপ প্ৰকাশেই হ'ল আমাৰ লেখনিৰ মাধ্যম।


জননীৰ চৰণত
মুক্তহস্তে উৎসৰ্গা কৰা
তোমাৰ অমূল্য দান
হে শ্বহীদ বীৰ
তোমাক সহস্ৰ
প্ৰণাম ॥
SURYA



## শুভেচ্ছা বাণী

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ আলোচনী সম্পাদিকা—

তোমালোকৰ আলোচনীলৈ মোৰ শুভইচ্ছা জনালো। আলোচনী ছপা হলে মোলৈ এখন পঠিয়াবা।

মৰমেৰে

শিৱসাগৰ
৩/২/৮৮

হীৰেন ভট্টাচাৰ্য্য

# সূচী

সম্পাদনা সমিতি—বাণী—খেল জগতৰ নতুন প্ৰতিভা মজ্জিনা বেগম—

আলোচনী বিভাগৰ সম্পাদিকাৰ একাষাৰ।

॥ প্ৰবন্ধ ॥

লিপিৰ আদিকথা—অধ্যাপিকা মনোৱাৰা বেগম/পৃষ্ঠা —৪

জগণ্ড গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ আৰু ধৰ্ম্মীয় মতাদৰ্শ—ৰেণু পাঠক/পৃষ্ঠা ৫=৮

ভাৰতীয় জাতীয় সমস্যা "জন বিস্ফোৰণ আৰু ইয়াৰ নিয়ন্ত্ৰণ"—সঙ্গীতা বৰুৱা/পৃষ্ঠা ৯—১৩

ভাৰতীয় নাৰী সমাজত গৃহবিজ্ঞান—ছামচুন নাহাৰ/পৃষ্ঠা ১৪—১৫

শিশুৰ ওপৰত বংশগতি আৰু পৰিবেশৰ প্ৰভাৱ—সৌভাগ্যলক্ষ্মী গগৈ/পৃষ্ঠা ১৬—২০

শ্ৰীশ্ৰীশঙ্কৰদেৱৰ নাটত ৰস—অধ্যাপিকা এখুদি দুৱৰা/পৃষ্ঠা ২১—২৬

পাৰ্চী বিছী শ্যেন্নী—এম. শ্বমচুন নাহাৰ/পৃষ্ঠা ২৭—৩০

দেউৰী সমাজত বিবাহ—সুৱন্তী দেউৰী/পৃষ্ঠা ৩১—৩৩

॥ কবিতা ॥

পৰিবৰ্ত্তন—অধ্যাপক দ্ৰোণ কলিতা

সংগ্ৰাম—শান্তনা চেতিয়া

দুটি টুকুৰা কবিতা—স্নেহাজোনাক দত্ত

প্ৰতিশ্ৰুতি—ইশ্বানু খাহ

পুণিমা ঃ এটি স্তৱক—অধ্যাপক ৰঞ্জিত তামুলী

শ্বহীদ বীৰ—এম. শ্বমচুন নাহাৰ

মোৰ আই—ইলো পাঠক

স্বদেশ স্বকাল—অধ্যাপক ৰঞ্জিত তামুলী

জননী—ৰীমাৰেখা চলিহা

আজিৰ দিন—অধ্যাপক দ্ৰোণ কলিতা

শান্তি, 'আৰু কিমান পৰ'—পূৰৱী বাৰুগুৰু

প্ৰতিশ্ৰুতি—অৰুন্ধতী সান্যাল

আৱৰ্জনা—মাধুঞ্জলী দত্ত

( ৩৪ পৃষ্ঠাৰ পৰা ৪৭ পৃষ্ঠালৈ )

॥ গীত ॥

দুটি গীত—ৰীতা দত্ত

দুটি গীত—অধ্যাপিকা কুসুম ফুকন,

গীত—অমৃতা দত্ত

॥ গল্প ॥

[illegible] বেলেগ—ইশ্বানু শ্বাহ/পৃষ্ঠা ৪৮

[illegible]তুন দিনৰ জন্ম—মৃদুলা দত্ত/পৃষ্ঠা ৫১

স্বপ্ন—পূৰবী ৰাজগুৰু/পৃষ্ঠা ৫৫

॥ একাঙ্কিকা ॥

মিচ সুন্দৰী—চালেহা চুলতানা ৰহমান/পৃষ্ঠা ৫৭

॥ কাব্য নাট ॥

সূৰুযমুখী—অধ্যাপিকা যমুনা বৰগোহাঁই/পৃষ্ঠা ৬৬

॥ ছাত্ৰী একতা সভাৰ ভিতৰ চ'ৰা ॥

সাধাৰণ সম্পাদিকা প্ৰমুখ্যে বিভাগীয় সম্পাদিকাসকলৰ প্ৰতিবেদন

আৰু ১৯৮৬ চনৰ বাৰ্ষিক প্ৰতিযোগিতাসমূহৰ ফলাফল

( পৰিশিষ্ট ১ পৃষ্ঠাৰ পৰা ১৬ পৃষ্ঠালৈ )

# আলোচনী বিভাগৰ সম্পাদিকাৰ একাষাৰ



আমাৰ দেশে স্বাধীনতাৰ চল্লিশবছৰ পিছতো সামাজিক আৰু অৰ্থনৈতিক দিশত জটিল গুৰুত্বপূৰ্ণ ৰীতি-নীতি. নিয়ম-কানুন আদিৰ ক্ষেত্ৰত জড়তাপূৰ্ণ গতি ত্যাগ কৰিব পৰা নাই। ইয়াৰ সুযোগলৈয়ে বিভেদকামী আৰু বিচ্ছিন্নতাবাদী শক্তিবোৰ মূৰ দাঙি উঠিছে। সেয়ে আমাৰ চাৰিওফালে প্ৰত্যক্ষ বিপদজনক সংকেত। বিবিধ অভিজ্ঞতাপুষ্ট সুদক্ষ প্ৰকাশক, হিচাপে নামজ্বলা লেখক এচ, এম, এইচ. বাৰ্নিৰ মতে, "দৰাচলতে আমি ইতিহাসৰ এটা সংকটপূৰ্ণ সীমা মূৰিয়ঁলীত থিয় দিছোহি আৰু এই অৱস্থাত প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ আমি কেনে কাৰ্য্যব্যৱস্থা লওঁ তাৰ ওপৰতেই আমাৰ সমগ্ৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। এই ক্ষেত্ৰত জাতীয় সংহতি আজি এটা গভীৰ মনোযোগৰ বিষয়। কিয়নো অন্ধ-ৰিশ্বাস, কুসংস্কাৰ; ধৰ্ম্মীয় উন্মতা, জাতি ধৰ্ম্ম বৰ্ণগত নীচ ৰাজনীতিৰ প্ৰতি মানুহৰ অযুক্তিকৰ আনুগত্য, বিবিধ নীচতাপ্ৰসূত সামাজিক আচাৰ-ৰীতি আদিয়ে এই জাতীয় সংহতিৰ ৰিনষ্টৰ মূল। ইয়াৰ পৰিবৰ্ত্তনৰ বাবে জনসাধাৰণৰ মানসিকতাৰ পৰিবৰ্ত্তনৰ প্ৰয়োজন। এই পৰিবৰ্ত্তনত শিক্ষাৰ ভূমিকা গুৰুত্বপূৰ্ণ। শিক্ষা পদ্ধতি এনেকুৱা হব লাগে যিয়ে গতানুগতিক ভাৱে চলি অহা অপৰিক্ষিতভাৱে বিশ্বাসক বংশানুক্ৰমিক ভাৱ আমাৰ মনত নিজীৰ মৰাশৰ আৱৰ্জনাৰ দৰে কঢ়িয়াই লৈ ফুৰা বিষাক্ত সংকীৰ্ণ মনোভাৱ ত্যাগ কৰাই মুক্ত মনৰ নাগৰিক সৃষ্টি কৰিব পাৰে। এই ক্ষেত্ৰত জৱহৰলাল নেহেৰুৱে স্পষ্টভাৱে কৈছে "গোড়ামীৰ দাসত্ব মানি লোৱা আৰু গোড়া মানসিকতালৈ পৃথিৱীৰ কোনো জাতীয় উন্নতিৰ পথত আগুৱাব নোৱাৰে।" প্ৰখ্যাত পণ্ডিত ডঃ গোপাল সিঙে ভাৰতক শক্তিশালী কৰি তোলাৰ বাবে দহ দফীয়া সূত্ৰ আগবঢ়াইছে। তেখেতৰ মতে আমি নিজেই আমাৰ শত্ৰু কিয়নো বাহিৰা লোকে হস্তক্ষেপ কৰে কেতিয়া? যেতিয়া আমি ভিতৰৰ লোকসকল, তেওঁলোকৰ হাথিয়াৰ হৈ পৰো। ভাৰতৰ উন্নতি হ'ব কেতিয়া, যেতিয়া আমি প্ৰথমে নিজক ভাৰতীয় কৰি গঢ়ি তুলিম। সভ্য আৰু যুক্তি পৰায়ণ নাগৰিক হিচাপে স্বীকৃতি পাম।

ব্যক্তিগত একাষাৰ ঃ যিহেতু শিৱসাগৰ ছোৱালী কলেজ আলোচনীখন শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ মুখপত্ৰ গতিকে ইয়াৰ পাততে আমি মহাবিদ্যালয়ৰ

পৰা পোৱা নোপোৱাৰ সুবিধা অসুবিধাসমূহ উল্লেখ কৰাটো বাঞ্চনীয়। কিন্তু আলোচনাৰ সীমাবদ্ধতাতে এনে অসুবিধাবোৰ যিহেতু দূৰ নহয় গতিকে পোৱা নোপোৱাৰ খতিয়ান দি আমাৰ মহাবিদ্যালয়খনিৰ দৰিদ্ৰতাৰ পোছাকটি পোহৰলৈ উদঙাই নিদিওঁ। তথাপি আমি জানি সুখী হৈছো আমাৰ মহা-বিদ্যালয়খনিয়ে ইতি... নিজাকৈ বহু মাটি চৰকাৰৰ পৰা পাইছে। (From ... d Advisary Board)

শিক্ষানুষ্ঠানত শৈক্ষিক বাতাৱৰণ সৃষ্টি কৰাত পুথিভঁৰালৰ ভূমিকা গুৰুত্বপূৰ্ণ। এইক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ত নতুনকৈ উদ্বোধন কৰা পুথি-ভঁৰালটিয়ে এনে ভূমিকা লব বুলি আশা কৰা হৈছে। ইয়াৰ বাবে পুথিভঁৰালৈ প্ৰয়োজনীয় সকলো কিতাপ-পত্ৰ যোগান ধৰা হয় তাৰ ওপৰত সংশ্লিষ্ট মহলে চকু দিয়ে যেন।

আলোচনী এখনৰ মানদণ্ড বহু পৰিমাণে নিৰ্ভৰ কৰে লেখনিৰ মানদণ্ডৰ ওপৰত। কিন্তু দুখৰ বিষয় যে আমাৰ মাজত তেনে উৎসাহী ছাত্ৰীৰ অভাৱ পৰিলক্ষিত হোৱাৰ লগতে লিখনিৰ মানদণ্ডও বহু পৰিমাণে নিম্নপৰ্য্যায়লৈ গতি কৰিছে। এইদৰে হ'লে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ আলোচনীখনক সুলেখাৰে পৰিপুষ্টি কৰি পোহৰলৈ অনাত নিশ্চয় অসুবিধাৰ সৃষ্টি হ'ব।

কৃতজ্ঞতা ঃ আলোচনীখনৰ জন্মলগ্নলৈকে যিসকলৰ পৰা সহায় আৰু উৎসাহ মূলধন হিচাপে পাইছিলো সেইসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

প্ৰথমে মই মোৰ তত্বাৱধায়িকা অধ্যাপিকা শ্ৰীযুতা যমুনা বৰগোহাঁই বাইদেউ আৰু অধ্যাপক শ্ৰীযুত শিৱিষ ভট্টাচাৰ্য্যদেৱলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে সকলো ক্ষেত্ৰতে ভুল-ত্ৰুটী আঙুলিয়াই সজ উপদেশ দি মোক বাধিত কৰা মাননীয় শ্ৰীযুত হাফিজুৰ ৰহমান চাৰলৈও কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনীখনি প্ৰকাশৰ ক্ষেত্ৰত যি সকল শিক্ষাগুৰুৱে বুধি-পৰামৰ্শ আদিৰে সহায় কৰিলে তেখেতসকললৈও মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

আলোচনীখনৰ বেটুপাত আৰু ভিতৰৰ স্কেচ আঁকি দি মোক আহুকলীয়া সমস্যা এটাৰ পৰা উদ্ধাৰ কৰা বাবে শ্ৰীগামেল নাছেৰ আৰু বান্ধৱী ৰীতা দত্তলৈও স্কেচ আঁকি সহায় কৰি দিয়াৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত সকলো ক্ষেত্ৰতে মোক সহায়-সহযোগ আগবঢ়োৱা মোৰ সহপাঠী ৰীমা, শোভাক্ষী, জ্যোতিকা, প্ৰীতি, ৰাজু, ভাৰতী, আয়েশা, চায়েস্তা, অৰুন্ধতী, জুৰি আৰু মোৰ ওপৰ শ্ৰেণীৰ বাইদেউ স্নেহা দত্ত, কবিতা বৰুৱা, নিৰুপমা শইকীয়া, মণিকা গগৈ, দিপালী বৰুৱা, ভন্টি—কবিতা, সুবৰ্ণা, পুণ্য, প্ৰেমা-মিনীলৈও মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত শিৱসাগৰ ছোৱালী মহাবিদ্যালয় সমূহ ছাত্ৰীলৈ শিৱসাগৰ ছোৱালী মহাবিদ্যালয় আলো-চনীৰ সম্পাদিকা হিচাপে স্বীকৃতি দি সম্পাদনাৰ অনুশীলনৰ সুযোগ দিয়াত কৃতজ্ঞতা যাচিছোঁ। লগতে প্ৰিন্টৱৰ্কস্ ৰ কৰ্মীবৃন্দৰও শলাগ লৈছো।

—জয়তু অসম জননী।

—জয়তু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়।

ইতি—

চালেহা চুলতানা ৰহমান
সম্পাদিকা ( আলোচনী বিভাগ )
১৯৮৬/৮৭ চন।

# প্ৰবন্ধৰ পাপৰি—আদিকথা

প্ৰবন্ধৰ পাপৰি  প্ৰবন্ধৰ পাপৰি  প্ৰবন্ধৰ পাপৰি  প্ৰবন্ধৰ পাপৰি

জীৱনৰ সঁচা অভিজ্ঞতা সমূহৰ পাণ্ডিত্যপূৰ্ণ বিশ্লেষণতেই প্ৰবন্ধৰ সৃষ্টি হয়। সমাজ তথা জীৱনৰ দোষ ত্ৰুটিবোৰ নিৰপেক্ষ আৰু নিৰ্ভীক সমালোচনাই হ'ল প্ৰবন্ধ। প্ৰবন্ধত কল্পনাৰ কোনো প্ৰলেপ নাথাকে।

## —চীপাং চক্রচাঙ

চীপাং চক্রচাঙ চীপাং চক্রচাঙ চীপাং চক্রচাঙ চীপাং চক্রচাঙ

## প্ৰবন্ধ

# লিপিৰ আদিকথা

মনোৱাৰা বেগম এম, এ
প্ৰবক্তা, অসমীয়া বিভাগ

ভাবৰ প্ৰতীক ভাষা আৰু ভাষাৰ প্ৰতীক লিপি। অৰ্থাৎ লিপি হৈছে প্ৰতীকৰ প্ৰতীক (a symbol of a symble)। ইয়াৰ সহায়ত ভাষাক দৃশ্যমান ৰূপত নথিভুক্ত (record) কৰা হয়। লিপিৰ উৎপত্তি ভাষাৰ উৎপত্তিৰ বহু পাছৰ ঘটনা। অনেকে ভাষাক ভগৱানৰ দ্বাৰাই সৃষ্ট বুলি বিশ্বাস কৰাৰ দৰে লিপিৰ স্ৰষ্টাও ভগৱানে বুলি মানি লয়। বিভিন্ন ভাষাত থকা লিপিৰ নামবোৰেই এই কথাৰ প্ৰমাণ দিয়ে। সংস্কৃত লিপিৰ নাম 'দেৱনাগৰী' অৰ্থাৎ দেৱতাৰ নগৰৰ লগত ইয়াৰ সম্পৰ্ক। ভাৰতৰ প্ৰাচীন লিপি 'ব্ৰাহ্মী'ৰ নামৰ লগতো ব্ৰহ্মাৰ সম্পৰ্ক আছে। ইজিপ্তবাসীসকলৰ প্ৰাচীন শিলত কটা চিত্ৰ-প্ৰতীক লিপি বুজোৱা 'Hieroglyphic' শব্দৰ মানে আছিল 'পবিত্ৰ শিলালিপি' (Sacred stone writing)। তেওঁলোকৰ বিশ্বাস মতে লিপি উদ্ভাৱন কৰিছিল জ্ঞানৰ দেৱতাই আৰু সেইবাবেই লিপিৰ ইজিপ্তীয় নাম আছিল 'Ndw-ntr' অৰ্থাৎ 'দেৱতাৰ ভাষা'। মেচোপটেমিয়াৰ চুমেৰীয়, এচিৰীয়, বেবিলনীয় আদি জাতি সমূহৰ মাজত এসময়ত প্ৰচলিত বাণমুখ (Cuneiform) আখৰবোৰ এচিৰীয় উপকথাৰ মতে 'নেবো' দেৱতাই মানুহক দিছিল। জাপানৰ বিলুপ্ত প্ৰাগৈতিহাসিক লিপিক কোৱা হৈছিল 'Kami no moji' বা স্বৰ্গীয় আখৰ' (Divine Characters)।

বিজ্ঞানসন্মত দৃষ্টিৰে বিশ্লেষণ কৰিলে দেখা যায় যে ভাবক স্থায়ী ৰূপ দিয়াৰ বাবে মানুহে কৰা প্ৰচেষ্টাৰ ফলতেই লিপিৰ উদ্ভৱ হৈছে আৰু ক্ৰমবিকাশৰ মাজেদি আহি বৰ্তমানৰ ৰূপ পৰিগ্ৰহণ কৰিছে। মনৰ ভাব-প্ৰকাশক মাজেদি আহি মৌখিক কথা স্থিতিহীন ; ইয়াৰ অস্তিত্ব মাথোন কৈ থকা সময়খিনিৰ বাবেহে। তদুপৰি ই শ্ৰুয়মানহে, দৃশ্যমান নহয়। এনে অস্থায়ী আৰু অদৃশ্য মুখৰ কথা আৰু মনৰ ভাবক কেনেকৈনো স্থান কালৰ সীমা অতিক্ৰম কৰিব পৰাকৈ স্থিতিশীল আৰু দৃশ্যমান ৰূপত সংৰক্ষণ কৰিব পৰা যায়, সেই বিষয়ে বুদ্ধিমান মানৱ জাতিয়ে সভ্যতাৰ বিভিন্ন স্তৰত প্ৰচেষ্টা চলাই আহিছিল। এনেপ্ৰচেষ্টাৰ ক্ষেত্ৰত মানবীয় বুদ্ধিমত্তাৰ জয়লাভৰ প্ৰমাণেই হ'ল বাঙ্ময় ধ্বনিৰ দৃশ্যমান ৰূপ অৰ্থাৎ ভাষাৰ লিখিত ৰূপ বা লিপিৰ সৃষ্টি।

লিপিৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ পাঁচোটা সুস্পষ্ট স্তৰ পৰিলক্ষিত হয়— ১) চিত্ৰাংকণ ২) চিত্ৰলিপি আৰু ভাবলিপি ৩) শব্দলিপি ৪) অক্ষৰলিপি আৰু ৫) ধ্বনিলিপি।

লিপি আবিষ্কাৰৰ প্ৰাৰম্ভিক স্তৰত চিত্ৰাংকণ পদ্ধতিৰ (drawing) প্ৰচলন আছিল। আদিম মানৱে উল্লেখযোগ্য বস্তু বা ঘটনাৰ বিষয়ে বুজাবলৈ চিত্ৰ অংকণ কৰিছিল। পৃথিবীৰ বিভিন্ন ঠাইত পৰ্বতৰ গুহাত প্ৰাগৈতিহাসিক যুগৰ মানুহৰ দ্বাৰা

অংকিত চিত্ৰ আৱিষ্কৃত হৈছে।— এই চিত্ৰবোৰৰ বিষয়বস্তু মানুহ, জন্তু অথবা মানুহৰ দ্বাৰা জন্তু চিকাৰ। এই চিত্ৰবোৰ একোটা ঘটনাৰ বাৰ্ত্তাবাহক বা স্মাৰক হিচাপে অংকিত হৈছিল। আধুনিক কালতো কিছুমান অনুন্নত জনগোষ্ঠীৰ মাজত চিত্ৰাংকন পদ্ধতিৰ এনে ব্যৱহাৰ আছে। উদাহৰণ স্বৰূপে উত্তৰ আমেৰিকাৰ আদিম অধিবাসী ৰেড্-ইণ্ডিয়ানসকলৰ মাজত এনে ধৰণৰ স্মাৰক আলেখ্য পদ্ধতিৰ প্ৰচলন আছে। কোনো ঘটনা বা বিষয়ৰ স্মাৰক হিচাপে চিত্ৰাংকনৰ বাহিৰে অন্য পদ্ধতিৰ প্ৰচলনো কিছুমান দেশত আছিল। দক্ষিণ আমেৰিকাৰ পেৰু দেশৰ প্ৰাচীন অধিবাসীসকলে বিশেষ বিষয় আৰু ঘটনাৰ স্মাৰক হিচাপে ৰং-বিৰঙৰ ৰছীত গাঁঠি দিছিল। এই পদ্ধতিৰ নাম 'কুইপু' (Quipu) অৰ্থাৎ গ্ৰন্থি লিখন। 'কুইপু' পদ্ধতিত বগা ৰছীৰ দ্বাৰা সৈন্য, হালধীয়া ৰছীৰ দ্বাৰা সোণ, বগা ৰছীৰ দ্বাৰা ৰূপ, সেউজীয়া ৰছীৰ দ্বাৰা শস্য বুজোৱা হৈছিল। সেইদৰে এটা গাঁঠি 'দহ'ৰ প্ৰতীক, দুটা গাঁঠি 'বিশ'ৰ প্ৰতীক ইত্যাদি। 'কুইপু' পদ্ধতি বৰ জটিল আছিল আৰু এইবোৰে বহন কৰা অৰ্থ ব্যাখ্যা কৰিবৰ বাবে বিশেষ কৰ্মচাৰী নিযুক্ত হৈছিল।

লিপিৰ দ্বিতীয় স্তৰত পোৱা যায় চিত্ৰলিপি (Pictogram) আৰু ভাবলিপি (Ideogram)। এই স্তৰত কোনো বস্তু বুজাবলৈ তাৰ সম্পূৰ্ণ ছবিৰ সলনি মাত্ৰ ৰেখাচিত্ৰ অঁকা হৈছিল। ৰেখাচিত্ৰৰ দ্বাৰা ভাবো বুজোৱা হৈছিল, যেনে— পৰি যোৱা বুজাবলৈ হেলনীয়া দেৱাল, কঢ়িয়াই নিয়া অৰ্থত মূৰত বোজা লোৱা মানুহ, ৰাতি বুজাবলৈ অৰ্দ্ধবৃত্তৰ তলত তৰা ইত্যাদি। প্ৰাখুটি হাতত লোৱা কুঁজা মানুহৰ চিত্ৰই বাৰ্দ্ধক্য, প্ৰাখুটি হাতত লোৱা পোন মানুহৰ চিত্ৰই চৰকাৰী বিষয়া, এহাল পুৰুষ-মহিলাৰ চিত্ৰই বহুত মানুহ বা জাতি বুজাইছিল।

দৰাচলতে চিত্ৰলিপি আবিষ্কাৰৰ পিচত মানুহে সোনকালেই ইয়াৰ সীমাবদ্ধতাৰ কথা বুজি পালে আৰু ইয়াৰ ফলতেই চিত্ৰৰ দ্বাৰা বুজাব নোৱাৰা বস্তু, কাৰ্য্য আৰু ভাবৰ প্ৰতীক ৰূপে ভাবলিপিৰ উদ্ভৱ হ'ল। উদাহৰণ স্বৰূপে চীনাসকলে তেওঁলোকৰ চিত্ৰলিপি সূৰ্য্য আৰু গছ লগলগাই 'পূব' নিৰ্দেশক ভাবলিপিৰ ৰূপ দিলে, অৰ্থাৎ গছৰ মাজেৰে উদিত সূৰ্য্যৰ ৰেখাচিত্ৰ হ'ল 'পূব'ৰ ভাবলিপি। সেইদৰে 'পোহৰ' বুজাবলৈ সূৰ্য্য আৰু চন্দ্ৰ একেলগে, 'চকুলো' বুজাবলৈ চকু আৰু পানী একেলগে, 'ভাল' বুজাবলৈ নাৰী আৰু সন্তান একেলগে অংকণ কৰা হৈছিল। আকৌ অধিক জটিল আৰু বিমূৰ্ত্ত ধাৰণা প্ৰকাশ কৰিবলৈ দুটা বা ততোধিক ভাবলিপি একেলগ কৰা হৈছিল, যেনে— মূল চিত্ৰলিপিৰ পৰা উদ্ভূত 'সেউজীয়া' আৰু 'বছৰ' নিৰ্দেশক ভাবলিপিৰ সংযোগত 'যৌৱন' বুজোৱা হৈছিল। আধুনিক চীনা আৰু জাপানী লিপি প্ৰাচীন চীনা চিত্ৰ ভাবলিপিৰ পৰা উদ্ভূত।

চিত্ৰলিপি আৰু ভাবলিপিয়ে সহজেই পৰৱৰ্তী স্তৰত শব্দলিপি (Phonogram) ৰ ৰূপ ল'লে। ৰেখাচিত্ৰই ভাবলিপি স্তৰত যি বস্তু বা বিষয় বুজাইছিল, এতিয়া তাৰ সলনি সেই বস্তু বা বিষয়-বাচক শব্দ অৰ্থাৎ ধ্বনি সমষ্টি বুজাবলৈ ল'লে। এই স্তৰৰ লিপিৰ নিদৰ্শন হিচাপে প্ৰাচীন মিচৰৰ চিত্ৰাক্ষৰ লিপি (Hieroglyphic writing) উল্লেখনীয়। উদাহৰণ স্বৰূপে প্ৰাচীন মিচৰীয় ভাষাত গাঢ় নীলা ৰং-বাচক শব্দ হ'ল [খেস্তেব]। এই শব্দৰ চিত্ৰলিপি হ'ল এজন মানুহে গাহৰিৰ নেজত ধৰি টনা। [খেস্তেব] শব্দটোৰ দুয়োটা অংশৰ ([খেস্] আৰু [তেব্]) সুকীয়া অৰ্থ আছে। [খেস্] মানে ধৰি ৰখা আৰু [তেব] মানে গাহৰি। গতিকে এই দুয়োটা শব্দ বুজোৱা চিত্ৰলিপিৰ সংযোজিত ৰূপৰ শব্দলিপি হ'লগৈ— [খেস্তেব্]।

অৰ্থাৎ এই চিত্ৰই 'খেস্‌তেব্‌' শব্দ (অৰ্থ— গাঢ় নীলা ৰং) বুজাব। সেইদৰে সূৰ্য্যৰ ইজিপ্তীয় প্ৰতীক আছিল সূৰ্য্যৰ চিত্ৰ আৰু ইজিপ্তীয় ভাষাত সূৰ্য্যবাচক শব্দ আছিল [re]। ইজিপ্তীয় চিত্ৰাক্ষৰ -লিপি-সম্বলিত শিলালিপিবোৰত প্ৰায়ে সূৰ্য্যৰ ছবি 'সূৰ্য্য' বুজোৱাৰ সলনি কথিত ভাষাৰ দীঘল শব্দত থকা 're' অক্ষৰৰ নিৰ্দেশকৰূপেহে পোৱা গৈছে।

লিপিৰ ক্ৰমবিকাশৰ চতুৰ্থ স্তৰত পোৱা যায় চিত্ৰসমূহৰ সংক্ষিপ্ত আৰু সাংকেতিক ৰূপ। এই স্তৰত শব্দ লিপিয়ে সমগ্ৰ ধ্বনি সমষ্টিৰ সলনি কেৱল আদি ধ্বনি বুজাবলৈ ল'লে। এই কাৰ্য্যক শীৰ্ষনিৰ্দেশ (Acrology) বোলা হয়। শীৰ্ষদেশৰ ফলত শব্দ লিপিৰ পৰা অক্ষৰ লিপিৰ (Syllabic script) সৃষ্টি হ'ল। উদাহৰণ স্বৰূপে প্ৰাচীন মিচৰীয় ভাষাত 'সিংহী'ক (লাবোই) বোলা হৈছিল। সিংহীৰ চিত্ৰই শব্দ লিপিৰূপে (লাবোই)— এই ধ্বনি সমষ্টিক বুজাবলৈ ল'লে। অক্ষৰ লিপিত এয়েই শব্দটোৰ কেৱল আদি অক্ষৰ (লা) নিৰ্দেশ কৰিলে। পঞ্চম আৰু শেষ স্তৰত অক্ষৰ লিপিয়ে ধ্বনি লিপি (Alphabetic script) ৰূপে পৰিণতি লাভ কৰিলে, যেনে— ওপৰৰ উদাহৰণৰ (লা) অক্ষৰ গ্ৰীক ৰোমান ধ্বনিলিপিত (ল্‌)— এই একক ধ্বনি চিহ্ন (Letter) ৰূপে পৰিগণিত হ'ল।

এনেদৰে বস্তু বা ভাবৰ সলনি ধ্বনি (Sound) ক প্ৰতিনিধিত্ব কৰিব পৰাকৈ প্ৰতীকৰ ব্যৱহাৰ কৰা পদ্ধতি আবিস্কৃত হোৱাৰ লগে লগেই ই দ্ৰুত গতিত বিস্তৃতি লাভ কৰিলে। গ্ৰীক উপকথা অনুসৰি গ্ৰীৰ্চৰ কেড্‌মাচে (Cadmus) পোনতে খৃঃ পূঃ ১৫০০ শতিকাত ফিনিচীয়াৰ পৰা গ্ৰীচলৈ লিপি আনে। ফিনিচীয়াৰ পৰা উদ্ভূত গ্ৰীক লিপিৰ পৰাই এট্ৰুস্কান (Etruscan) লিপি আৰু তাৰ পৰাই আকৌ ৰোমান লিপিৰ উৎপত্তি হয়। বৰ্ত্তমান ইউৰোপত প্ৰচলিত বিভিন্ন ভাষাৰ লিপিৰ উৎপত্তি ৰোমান লিপিৰ শাখাবোৰৰ পৰাই হৈছে। আনহাতে ফিনিচীয় (Phoenician) আৰু হিব্ৰুসকলৰ মূল চেমীয় (Semitic) লিপিৰ পৰা আৰবী (Arabic) আৰু তাৰপৰা আকৌ মধ্য-আফ্ৰিকা, মালয়, জাভা, ভাৰত, ইৰাণ আদি দেশত প্ৰচলিত কিছুমান ভাষাৰ লিপিৰ উদ্ভৱ হৈছে।

মূল চেমীয় লিপিৰ অন্য এটা ৰূপ আৰ্মেনীয় (Armenian) লিপি আৰু ভাৰতবৰ্ষৰ প্ৰাচীন লিপিত পোৱা যায়।

এইদৰে বিশ্লেষণ কৰি চালে দেখা যায় যে পৃথিৱীৰ প্ৰধান ভাষা সমূহৰ লিপি-পদ্ধতিৰ মূল উৎস দুটা— এটা চীনা চিত্ৰলিপি আৰু আনটো চেমীয় ধ্বনিলিপি। চীনা চিত্ৰলিপিৰ সময়ৰ সোঁতত বিশেষ পৰিবৰ্ত্তন নঘটিল। আনহাতে চেমীয় ধ্বনিলিপি আছিল অত্যন্ত গতিশীল। ইজিপ্তৰ চিত্ৰপ্ৰতীক লিপি (Hieroglyphic writing) ৰ পৰা পোনতে এটা সংক্ষিপ্ত বা শিষ্ট (Hieratic) লিপিৰ উদ্ভৱ হয়। ফিনিচীয়সকলে এই শিষ্ট লিপিক নিজৰ ভাষাৰ উপযোগীকৈ পৰিবৰ্ত্তন ঘটাই গ্ৰহণ কৰিলে আৰু ইয়াৰ পৰাই পৰবৰ্ত্তী কালত এফালে গ্ৰীক-ৰোমান আদি আৰু অন্যফালে হিব্ৰু-আৰবী-আৰ্মেনীয় আদি লিপিৰ সৃষ্টি হ'ল।

ওপৰত উল্লেখিত লিপি-পদ্ধতি কেইটাৰ বাহিৰেও মেচোপটেমিয়াত প্ৰচলিত আৰু এবিধ লিপি আবিস্কৃত হৈছে যাক বাণমুখ (Cuneiform) লিপি বুলি জনা যায়। এই লিপি-পদ্ধতি খৃঃ পূঃ চাৰিহেজাৰ বছৰমানৰ পৰা চল্লিশ খৃষ্টাব্দৰ আৰম্ভণিৰ আগতেই বিলুপ্ত হৈছিল বুলি জনা যায়।

এইখিনিতে এটা কথা উল্লেখ কৰাটো অপ্ৰাসঙ্গিক নহ'ব যে বৰ্ণমালাবাচক 'Alphabet' শব্দটো প্ৰাচীন চেমীয় বৰ্ণমালা 'Aleph' আৰু 'Beth'

—ৰ এই প্ৰথম দুটা বৰ্ণৰ গ্ৰীক সংস্কৰণ 'Alpha' আৰু 'Beta' লগলাগি হৈছে। চেমীয় ভাষাত Alepha মানে ষাঁড়গৰু আৰু বৰ্ত্তমানৰ গ্ৰীক-ৰোমান বৰ্ণমালাৰ 'A' বৰ্ণটোৰ আদি ৰূপ আছিল এটা ষাঁড়গৰুৰ মূৰৰ চিত্ৰ। আকৌ চেমীয় Beth শব্দৰ অৰ্থ হ'ল ঘৰ আৰু 'B' বৰ্ণৰ আদি ৰূপ আছিল এটা ঘৰৰ চিত্ৰ। সেইদৰে বাকী বৰ্ণসমূহেও পৰিবৰ্ত্তনৰ মাজেদি আহিহে বৰ্ত্তমানৰ ৰূপ লৈছে।

ভাৰতবৰ্ষৰ প্ৰাচীন লিপি দুবিধ— খৰোষ্ঠী আৰু ব্ৰাহ্মী। লিপি চেমীয় মূলজ। ব্ৰাহ্মী লিপিৰ মূল সম্পৰ্কে মতভেদ আছে। বৰ্ত্তমানৰ ভাৰত, ব্ৰহ্মদেশ, থাইলেণ্ড আদি দেশৰ বহুতো লিপি প্ৰাচীন ব্ৰাহ্মী লিপিৰ পৰা উদ্ভূত। অসমীয়া লিপিৰ মূলতেও এই ব্ৰাহ্মী লিপিয়েই। ●

গ্ৰন্থপঞ্জী ঃ The Story of Language— Mario Pei.
Language — L.Bloomfield.
ভাষাৰ ইতিবৃত্ত— সুকুমাৰ সেন।

("ডালে পাতে সম্পূৰ্ণ ৰূপে অতীতক বৰ্ত্তমানৰ পৰিপেক্ষিতত প্ৰয়োগ কৰিবলৈ যোৱা মানে যুগৰ প্ৰগতিক বাধা দিয়াটোহে বুজায়! প্ৰগতিৰ বাট ৰুদ্ধ হৈ ৰব এনে অৱস্থা মানৱ প্ৰকৃতি আৰু স্বভাৱ বিৰোধী মানুহ কেতিয়াও স্থবিৰ হ'ব নোৱাৰে। গতি চঞ্চল বাবেই মানুহ মহৎ"— হেম বৰুৱা।)



# জগত গুৰু শ্ৰীমন্ত শঙ্কৰদেৱ আৰু ধৰ্মীয় মতাদৰ্শ

শ্ৰীমতী ৰিণু পাঠক
স্নাতক ৩য় বাৰ্ষিক

জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে উপাম
তোহাৰি চৰণ ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম। (গুৰু ভটিমা)

কথাতে কয়, জ্ঞানী আৰু গুণীজনেহে গুণৰ মৰ্য্যদা বুজে। সেয়েহে মহাপুৰুষ মাধৱদেৱে শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰকৃত পৰিচয় বুজি 'সৰ্ব্ব গুণাকৰ' বুলি তেৰাক নতশিৰে প্ৰণিপাত জনাইছে। যি জনাৰ গুণৰ কথা, জ্ঞান প্ৰতিভাৰ কথা, দৈহিক তথা মানসিক শক্তিৰ কথাকৈ অন্ত কৰিব নোৱাৰি। প্ৰকৃতাৰ্থত যিজনা সাধাৰণ মানুহৰ শাৰীত নপৰে সেইজনাক কেৱল মাধৱদেৱেই নহয়, গুণী তথা জ্ঞানসিদ্ধ পুৰুষ মাত্ৰেই সশ্ৰদ্ধ প্ৰণিপাত জনাই গৈছে। সেইসকলৰ ভিতৰত পণ্ডিত শ্ৰেষ্ঠ মাধৱ কন্দলি, সাৰ্ব্বভৌম ভট্টাচাৰ্য্য, চতুৰ্ভূজ ঠাকুৰ, দামোদৰ দেৱ, জগদীশ মিশ্ৰ, লক্ষ্মীনাথ বেজবৰুৱা, পীতাম্বৰ দেৱ গোস্বামী আদিৰ নাম বিশেষ ভাৱে উল্লেখযোগ্য। চৌষষ্ঠী কলাৰ বিশাৰদ তথা সৰ্ব্বগুণেৰে বিভূষিত এই মহাপুৰুষ জনাক মহেন্দ্ৰ কন্দলিৰ দৰে গুণগ্ৰাহী পণ্ডিতে 'চিহ্ন-যাত্ৰা' নাটকৰ অন্ততঃ দহ হাজাৰ দৰ্শকৰ আগত গুণ-ৰাশি তেখেতৰ গুণগ্ৰাহীতাৰ কথা মহানুভৱতাৰ পৰিচয় দি এইদৰে ঘোষণা কৰিছিল—

শুনা সভাসদ মোৰ নিশ্চয় বচন।
শঙ্কৰদেৱত মই পশিলো শৰণ ॥
উৰ্দ্ধবাহু কৰি মই কৰো অঙ্গীকাৰ।
শঙ্কৰত পৰে গুৰু নাহিকে আমাৰ।
শুদ্ৰ বুলি যিটো পাপী কৰে তিৰস্কাৰ।
তাহাৰ ব্ৰাহ্মণ জন্ম আছোক ধিক্কাৰ ॥ (গুৰু চৰিত)

একেদৰে মাধৱদেৱে ঘোষণা কৰিছে—

শঙ্কৰে সংশয় ছেদি, শাস্ত্ৰৰ তত্ত্বভেদি,
প্ৰচাৰিলা শাস্ত্ৰ সাৰ জানি
তাঙ্ক এৰি কি কাৰণে, আনক বোলয় গুৰু,
কিনোলোকে মহা মূঢ়মতি। (নাম ঘোষা)

অৰ্থাৎ লোক সমাজত সিদ্ধ পুৰুষৰ বাহিৰে অন্য-লোকক গুৰু বোলাবৰ যি দৰে যোগ্যতা নাই, অনু-ৰূপে শিষ্য সকলেও যি কোনো ব্যক্তিক গুৰু মনাৰ পৰা বিৰত থাকিব লাগে। এই মহান সত্যক মাধৱদেৱে প্ৰতিষ্ঠা কৰি থৈ গ'ল। আচৰিত কথা আজি শ্ৰীমন্ত শঙ্কৰদেৱক বহুতো দিশত মানি ললেও ধৰ্মীয় দিশত তেৰাৰ প্ৰচাৰিত মতবাদৰ পৰা আঁতৰি থকা লোকৰ সংখ্যাই বেচি। অৱশ্যে তাৰ দ্বাৰা শঙ্কৰদেৱৰ নহয়, অসমীয়া সমাজৰে বিপৰ্য্যয় ঘটিব লাগিছে।

**ধৰ্মীয় মতবাদ ঃ—** প্ৰকৃত কথাত শ্ৰীমন্ত শঙ্কৰদেৱে ভগৱৎ প্ৰাপ্তিত সহজে সিদ্ধি লাভ কৰিব পৰা বেদ শাস্ত্ৰ সন্মত তথা একমাত্ৰ যুগোপযোগী পন্থা ভক্তি-মাৰ্গ প্ৰচাৰ কৰিছিল। চমুকৈ কবলৈ গলে সনাতন ধৰ্মৰ সমস্ত বেদ শাস্ত্ৰৰ অথচ সৰ্বসাধাৰণৰ বাবে দুৰ্বোধ্য হৈ থকা সাৰমৰ্ম্ম ভাগ সহজ সৰল মাতৃ ভাষাত প্ৰচাৰ কৰি এহাতেদি অসমীয়া

সাহিত্য জগতলৈ অনন্য অৱদান যোগালে। আন-হাতেদি তেৰাই লোক সমাজত এইটো বুজাই দিলে যে মনুষ্যত্ব বিকাশ ঘটাই ভগৱৎপ্ৰাপ্তি ঘটাব পৰাটোৱেই বেদৰ আচল অভিপ্ৰায় আৰু শ্ৰীহৰিয়েই বেদৰ একমাত্ৰ প্ৰাপ্তিসূচক তত্ব। স্বয়ং ভগৱান শ্ৰীকৃষ্ণই বেদৰ সিদ্ধান্ত দি ঘোষণা কৰিছে এইদৰে—

মইবিনে বেদে কিছু আন নব খানে।
চাৰিও বেদৰ অৰ্থ তত্ব এহিমানে ॥ (ভাগৱত)

গুৰুজনাই এইটো বুজাই দিলে যে ভগৱৎ ভজনাৰ পন্থাসমূহ যুগানুক্ৰমেহে বেদ শাস্ত্ৰই নিবদ্ধ কৰিছে। সেয়েহে শাস্ত্ৰমতে যুগানুসাৰেহে ধৰ্ম আচৰিব লাগে। বৰ্ত্তমান কালত ব্যয় বহুল তথা জটিল বিধি-বিধান যুক্ত আড়ম্বৰ পূৰ্ণ বেদৰ ক্ৰিয়া কাণ্ড অল্পমতি আৰু মলমতি মানুহৰ বাবে পালনীয় নহয়।

কলিৰ লোক হইব পাপমতি।
নসাধে কৰ্মে তাৰ আনগতি ॥
অধৰ্মে জুৰিলা সবে ভৈলা একাকাৰ।
নাহি মলমতিৰ কৰ্মত অধিকাৰ ॥
ইটো কলিকালে নাম বিনে গতি নাই।
চাৰিও বেদৰ ই যে মূখ্য অভিপ্ৰায় ॥ (কীৰ্ত্তন)

অৰ্থাৎ কালৰ প্ৰভাৱত দেহ, মন, চিত্ত, বিত্ত, বৰ্ত্তমান সকলো মানুহৰে অশুদ্ধ হৈ একাকাৰ হৈ পৰিছে। কাজেই, শাস্ত্ৰই দিয়া ব্যৱস্থামতে প্ৰবৰ্ত্তন কৰিবলৈ চেষ্টা কৰি যোৱাটোৱেহে একমাত্ৰ শ্ৰেষ্ঠ পুৰুষাৰ্থ।

ভক্তি পন্থাৰ বিশেষত্বঃ— ভক্তি পন্থাত সৰ্ব প্ৰথম গ্ৰহনীয় বিষয়টো 'একশৰণ' গ্ৰহণ। একশৰণ মানে একমাত্ৰ ভগৱান ও আশ্ৰয় লোৱা অনন্ত কোটি ব্ৰহ্মাণ্ডৰ গৰাকী কৃষ্ণ দেৱতাক একমাত্ৰ উপাস্য দেৱতা তথা গৰাকী বুলি নামেৰে ভজনা কৰিব লাগে। সেয়েহে পন্থাক "একশৰণ নাম ধৰ্ম" বুলি অভিস্পষ্ট ভাষাৰে মাধৱদেৱে ঘোষণা কৰিছে—

যথা—

ভকতি ভাণ্ডাৰ দ্বাৰ সৰ্ব চুৰি মুকুতি কয়লি উদাস।
একশৰণ হৰি নাম ধৰ্ম কহো কুৰুবাজা পৰকাশ ॥

অৰ্থাৎ ভক্তিৰ ভাণ্ডাৰ স্বৰূপ "একশৰণ নাম ধৰ্ম" বেদ বিহিত সমস্ত ধৰ্মৰ ভিতৰত শ্ৰেষ্ঠ বা ৰজাধৰ্ম। এক কৃষ্ণত শৰণ গ্ৰহণ আৰু নামেৰে তেওঁৰ ভজনা কৰা এই দুটাই একমাত্ৰ ভক্তি পন্থাৰ আচৰণীয় বিষয়। এই ধৰ্ম আচৰণ কৰিবলৈ কোনো গুণাগুণ, অৰ্হতা পাত্ৰ অপাত্ৰৰ বিচাৰ নিস্প্ৰয়োজন। প্ৰয়োজন মাত্ৰ সুদৃঢ় বিশ্বাস আৰু একান্ত শৰণ গ্ৰহণ। অনান্য পন্থত গুণাগুণ, পাত্ৰ অপাত্ৰ বিচাৰ বিশেষ ভাৱে প্ৰয়োজন, কাজেই সৰ্বসাধাৰণৰ বাবে পালনৰ উপযোগী নহয়। অথচ ভক্তিয়ে অপাত্ৰজনকো জ্ঞানীৰ শাৰীলৈ নিয়ে। ভকতিৰ বলতে অকুলীন সূতমুণি, ব্যাসমুণি, ভক্ত প্ৰহ্লাদ আদি জগতত চিৰ বৰেণ্য হৈ আছে।

যথা—

সেহি ধন্যালোক শুচিমন্ত সৰ্বগুণে শ্ৰেষ্ঠ বিদ্যাৱন্ত
যজ্ঞে তপে আতি সিসি জন শুদ্ধমতি।
সি সি জন মহাদাতা জ্ঞানী সি সি সত্যবাদী মহামানী
পুৰুষোত্তমত আছয় যাৰ ভকতি ॥ (নামঘোষা)

শৰণ গ্ৰহণেই ভকতিৰ আৰম্ভণি কাৰণ ভকত বা ভকতি অনুক্ৰমে সিদ্ধিলাভ কৰা বিষয়হে। গতিকে শৰণৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি মাধৱদেৱে কৈছে—

যথা—

হৰিৰ চৰণ সদা আৰাধন্ত ব্ৰহ্মা শিৱ পুৰন্দৰ।
হেন হৰিপদে শৰণ নলৱে কিনো বুদ্ধিহীন নৰ
হে কৃষ্ণ স্বামী তযুপদে আমি কেৱল শৰণ চাওঁ।
কৰা অনুগ্ৰহ মায়াৰ নিগ্ৰহ তেৱেহে প্ৰভু এৰাওঁ
(নামঘোষা)

বিশেষতঃ কলিযুগৰ ঘোৰ মায়া মুক্ত মানুহে হৰিত বিনে ভকতিত সিদ্ধি লাভ কৰিব নোৱাৰে বুলি বেদ

শাস্ত্ৰই তথা মহাপুৰুষে চৰম সিদ্ধান্ত দি গৈছে। শৰণ বা আশ্ৰয় গ্ৰহণ নকৰাকৈ ভগৱানক ভজিলেও সি বিধিগত নহয়। অথাৎ বিধিহীন হয়। ভগৱানে দ্বাপৰৰ শেষত কলিৰ লোকৰ বাবে এই কথা ব্যক্ত কৰি মহাধৰ্ম প্ৰতিষ্ঠা কৰি গৈছে।

যথা—

সৰ্ব্ব ধৰ্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজঃ।
অহং ত্বাং সৰ্ব্ব পাপেভ্যো মোক্ষয়ী স্বামী মা শুচঃ॥

(গীতা)

ইয়াৰ ভাঙনি মহাপুৰুষজনাই এইদৰে কৰিছে—

যথা—

সৰ্বধৰ্ম পৰিহৰি এক শৰণ সাক্ষাত
সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত।
নকৰিবা ভয় হেৰা কৰো অঙ্গীকাৰ।
সমস্ত পাপতে মই কৰিবো উদ্ধাৰ।

এক শৰণ গ্ৰহণ কৰাৰ পিচত শৰণ ৰক্ষাতো সৰ্বপ্ৰথম পালনীয় কৰ্ত্তব্য। সেয়েহে কৃষ্ণ ভিন্ন অন্য দেৱতাক ভজিলে তাকে ভক্তি ব্যভিচাৰ বোলে আৰু ব্যভিচাৰ কৰিলে ভগৱানৰ ওচৰত মহা অপৰাধ ঘটে কাৰণ উপাস্য দেৱতা আৰু নিজৰ গৰাকী মানি কৃষ্ণত আশ্ৰয় লোৱাৰ পাছত অন্য দেৱতাক ভজিলে বিশ্বাস ঘাটক হব লাগিব। সেয়েহে অন্য দেৱতা আৰু অন্য দেৱতা সম্পৰ্কীয় ধৰ্মানুষ্ঠান পালন আৰু সহযোগৰ পৰা বিৰত থাকিব লাগে। গুৰুজনাই শৰণীয়া সকলৰ প্ৰতি পদ্ম পুৰাণৰ 'নান্যং দেৱং তুৰীক্ষেত......।' এই শ্লোকটিৰ সাৰমৰ্ম ব্যক্ত কৰিছে এইদৰে—

অন্য দেৱীদেৱ নকৰিবা সেৱ গৃহে নপশিবা তাৰ
মূৰ্ত্তিকো নচাইবা প্ৰসাদো ন খাইবা ভক্তি হৈব
ব্যভিচাৰ।

(ভাগৱত)

এক শৰণ ব্যক্ত কৰোতা স্বয়ং কৃষ্ণদেৱে ঘোষণা কৰিছে এইদৰে—

নকৰিবা সেৱা সখি অন্য দেৱতাৰ
মুহি যেন আমাৰ ভকতি ব্যভিচাৰ।

(ভক্তি প্ৰদীপ)

এইয়া মাত্ৰ ভকতি ব্যভিচাৰৰ পৰা মুক্ত হৈ থাকিবলৈ দিয়া উপদেশ। ইয়াৰ দ্বাৰা অন্য দেৱতা কিম্বা অন্য দেৱতা ভজনাকাৰীক নিন্দা কৰা হোৱা নাই। এই কেৱল শৰণীয়াজনৰহে মাত্ৰ পালনীয় নীতি। কাৰণ কৃষ্ণক পূজিলে তেত্ৰিশ (৩৩) কোটি দেৱতাৰ পূজাৰ প্ৰয়োজন নাথাকে। যিহেতু অন্য দেৱী দেৱ কৃষ্ণৰেই অংশ মাথোন।

"কৃষ্ণক পূজিলে সমস্তৰে পূজা হয়,
পৃথকে পূজিলে পূজা কেহো নালয়।"

(ভক্তি ৰত্নাৱলী)

থুলমূলকৈ গুৰুজনৰ প্ৰচাৰিত এইয়ে শাস্ত্ৰ সন্মত ধৰ্মীয় মতবাদ।

শঙ্কৰদেৱৰ আদৰ্শ :— সকলো শ্ৰেণীৰ লোকে সামাজিক ভাৱে সমস্বত্ব পাব পৰা, কোনো ধৰ্মীয় বৈষম্যমূলক নীতি বা সাম্প্ৰদায়িক ভেদনীতি ৰহিত সৰ্বতোপ্ৰকাৰে একত্ৰিত এখন গণতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা কৰি যি অপূৰ্ব নিদৰ্শন দি গল সেয়েই গুৰুজনাৰ মহান আদৰ্শ। এই আদৰ্শৰেই গুৰুজনাই ব্ৰাহ্মণৰ মহেন্দ্ৰ কন্দলিৰ পৰা কৈবৰ্ত্তৰ হৰি দাস বনিয়ালৈকে, মুছলমানৰ চান্দসাইৰ পৰা গাৰোৰ গোবিন্দ আদিৰ লৈকে সকলো জাতি-উপজাতি, পৰ্বত-ভৈয়াম একত্ৰিত কৰি প্ৰেম-প্ৰীতিৰ একেডাল ডোলেৰে বান্ধি ভাষা, সাহিত্য, কৃষ্টি-সংস্কৃতিৰ গীত-মাতৰ নৱজীৱন দি এক নৱ যুগৰ সূচনা কৰি গ'ল আজিৰ পৰা পাঁচোটি শতিকাৰ আগতেই। গুৰুজনাৰ এই আদৰ্শ মহামিলনৰ আদৰ্শ, য'ত নাই ধনী-দুখীয়া, উচ্চ নীচৰ ভেদাভেদ, নাই ঘৃণা অৱহেলা, আছে মাথোন প্ৰেম আৰু নিস্বাৰ্থ ভাল

পোৱা। এই আদৰ্শত সমস্ত জনেই এক পৰমেশ্বৰৰ সন্তান আৰু এয়েই পৰস্পৰে পৰস্পৰৰ প্ৰকৃত পৰিচয়। ৰূপায়ন কৰিব লগীয়া গুৰুজনাই উদ্দেশ্য বিহীন ভাবে সমাজ প্ৰতিষ্ঠা কৰা নাছিল, কাৰণ উদ্দেশ্য বিহীন সমাজ প্ৰতি থাকিব নোৱাৰে। ইতৰ জীৱ জন্তুৱেও দ'ল বান্ধি থাই বৈ জীয়াই থাকে। গুৰুজনাই সমস্ত মানৱবাসীক পৰমপদ তথা অমৃত লভিবৰ যোগ্যতা লাভ কৰিব পৰা শাস্ত্ৰ সন্মত সৰ্ব্বোতম পন্থাৰে একত্ৰিত কৰি জীৱন যাত্ৰাত আগুৱাই নিবলৈ এক শৰণ নাম ধৰ্ম প্ৰচাৰ কৰিছিল ;

হৰিভক্ত দান দিয়া জগতক তাৰিলা সংসাৰ সিন্ধু।
হেনয় কপালু শঙ্কৰ বিনাই নাই নাই আন বন্ধু॥

সময় পৰিৱৰ্ত্তনৰ লগে লগে ধৰ্মীয় নীতি নিয়মৰো পৰিবৰ্ত্তন হয়। পৰিৱৰ্ত্তন হয় মানুহৰ মনৰো। কিন্তু আজিৰ পৰা পাঁচশ বছৰৰ পূৰ্বে জগত গুৰু জনাই "কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম আদি ধৰ্মীয় দৰ্শন আৰু সাম্য মৈত্ৰীৰ বাণীৰে এক শ্ৰেণী হীন সমাজৰ জৰিয়তে যি মহান অসমীয়া জাতি গঠনৰ প্ৰয়াস কৰিলে তেৰাৰ আদৰ্শেৰে আজিও আমি একতাৰ ডোলেৰে বান্ধ খাব নোৱাৰাতো অতি-শয় পৰিতাপৰ কথা। তেখেতৰ আদৰ্শনীয় সংস্কাৰ কাৰ্য্যলৈ মন কৰিয়েই হয়তু জাতিৰ পিতা মহাত্মা গান্ধীয়েও কবলৈ বাধ্য হৈছিল—

"What Sankardev among was able to do, to-day the whole army of English knowing people can't do", অৰ্থাৎ "শঙ্কৰদেৱে যিটো অকলে কৰিবলৈ সমৰ্থ হৈছিল আজি শিক্ষিত ইংৰাজী জনা গোটেই সৈন্য সামন্ত দ'লেও তাক কৰিব নোৱাৰে....।" সেয়েহে আহক আজি সকলো অসমীয়াই স্বেচ্ছাচাৰী ভাৱৰ বশৱৰ্তী নহৈ শঙ্কৰ-মাধৱৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ তেৰাৰ আদৰ্শ হাতে কামে ৰূপায়িত কৰি নিজক তথা এক মহিমা মণ্ডিত জাতিক জীয়াই ৰাখোহঁক, যাতে আমাৰ ছবছৰীয়া আন্দোলন অথলে নাযায়। ●

"মনৰ ভিতৰৰ ক্ষমতাতকৈ বাহিৰৰ পৰা পোৱা ক্ষমতা যদি অধিক শক্তিশালী হয়, তেন্তে সেই ক্ষমতাপ্ৰাপ্ত মানুহজন ৰাইজৰ উপকাৰী নহৈ ভীষণ অপকাৰী হয়।"— জৱাহৰলাল নেহৰু



এটা চিন্তামূলক প্ৰবন্ধ

# ভাৰতৰ জাতীয় সমস্যা

## "জন বিস্ফোৰণ আৰু ইয়াৰ নিয়ন্ত্ৰণ"

শ্ৰীসঙ্গীতা বৰুৱা
স্নাতক ২য় বাৰ্ষিক

জনসংখ্যা-বৃদ্ধি, দৰিদ্ৰতা, খাদ্য-সমস্যা, নিবনুৱা সমস্যা, শিক্ষা-হীনতা, আদি নানান সমস্যাৰে জৰ্জ্জৰিত হোৱা এখন দেশ হ'ল— "ভাৰতবৰ্ষ"। তথাপিও আমি এইটো স্বীকাৰ কৰিম যে— ভাৰত প্ৰাকৃতিক সম্পদেৰে পৰিপুষ্ট এখন দেশ। এই দেশৰ মাটিত সোণ সিঁচৰিত হৈ আছে। এই সোণ অৰ্থাৎ সম্পদ বাছিক ভালদৰে আহৰণ কৰিব নোৱাৰাৰ কাৰণেই ভাৰতে আজি দৰিদ্ৰতাৰ লগত প্ৰত্যক্ষ সংগ্ৰামত লিপ্ত হ'বলগীয়া হৈছে। অৱশ্যে, অৰ্থনৈতিক সমস্যাবিলাক সমাধানৰ বাবে চৰকাৰে বিভিন্ন পৰিকল্পনা বা আঁচনি হাতত লৈছে আৰু চেষ্টাও চলাই আহিছে। চৰকাৰ এইক্ষেত্ৰত কিছু-কিছু সফলো হৈছে। তথাপিও ভয় হয় দেশখনে অৰ্থনৈতিক প্ৰগতিৰ বৃদ্ধিৰ হাৰ বৃদ্ধি কৰাত কৃতকাৰ্য্য হোৱাৰ পৰিবৰ্ত্তে অতি সোনকালেই ই এটা অতি জটিল অৰ্থনৈতিক সমস্যাৰ সন্মুখীন হ'ব লাগিব— দ্ৰুতগতিত বাঢ়ি অহা জনসংখ্যাৰ বাবেই।

কোনো দেশৰ অৰ্থনৈতিক প্ৰগতি বহু পৰিমাণে নিৰ্ভৰ কৰে সেই দেশৰ জনসংখ্যাৰ ওপৰত। কাৰণ, সেই দেশৰ জনসংখ্যাই শ্ৰমৰ পৰিমাণকে সূচায়। জনসংখ্যা কম হ'লে দেশৰ প্ৰাকৃতিক সম্পদ উদ্ঘাটন কৰি শিল্পত খটুৱাবলৈ বা নিয়োগৰ বাবে শ্ৰমিকৰ নাটনি হয়। আকৌ, জনসংখ্যা বেছি হ'লে প্ৰতিজন মানুহৰ গড় উপাৰ্জ্জন কম হৈ পৰে, ফলত নিবনুৱা সমস্যা প্ৰকট হৈ পৰে। সেই বাবে, দেশৰ জনসংখ্যাৰে প্ৰাকৃতিক সম্পদৰ উপযুক্ত ব্যৱহাৰ কৰি মানুহৰ প্ৰাথমিক প্ৰয়োজনীয় বস্তুবিলাক— খাদ্য উৎপাদন আৰু যোগান উন্নত কৰি সুচল আৰু উন্নত জীৱন-নিৰ্ব্বাহৰ সুবিধা পাব পৰাকৈ হ'ব লাগে। অৰ্থাৎ, জনসংখ্যা বৃদ্ধিৰ লৈতে উপাৰ্জ্জন বা উৎপাদনৰ সমতা ৰক্ষা কৰিব নোৱাৰিলে (জনসংখ্যা বেছিকৈ বাঢ়িলে) অধিক খাদ্যৰ আৰু অন্যান্য সামগ্ৰীৰ (যিবোৰ জীৱন-ধাৰণৰ প্ৰধান সম্বল) প্ৰয়োজন হয়। গতিকে, খাদ্য-শস্য অধিক পৰিমাণে বৃদ্ধি কৰিব নোৱাৰিলে দেশত খাদ্য সমস্যাই দেখা দিয়ে।

ভাৰতৰ জনসংখ্যা কোনো কোনোৰ মতে অত্যাধিক। অৰ্থাৎ, ভাৰত জনসংখ্যাৰ হেঁচাত চেপাখাই আছে। এই কথা বৰ্ত্তমান কালত সঁচা বুলি প্ৰমাণিত হৈছে। গতিকে, ই বৰ্ত্তমান কালত এটা বিচাৰ্য্যৰ বিষয়।

এখন দেশৰ জনসংখ্যা তাত্বিকদিশৰ পৰা পৰীক্ষা কৰি চাব পৰা যায়। ১৭৯৮ চনত থমাচ ৰবৰ্ট মালথাচে আগবঢ়োৱা "জনসংখ্যা তত্ব" মতে, এখন দেশৰ জনসংখ্যাৰ বৃদ্ধিৰ গতি সেই দেশৰ

খাদ্য-সামগ্ৰীৰ বৃদ্ধিৰ হাৰৰ লগত তুলনা কৰা হয়। মালথাচৰ মতে, এখন দেশৰ জনসংখ্যা গুণিতক হাৰত আৰু খাদ্য-দ্ৰব্যৰ উৎপাদন গাণিতিক হাৰত বৃদ্ধি পায়। এনে ধৰণেৰে জনসংখ্যাৰ বৃদ্ধিৰ তুলনাত খাদ্য-দ্ৰব্যৰ উৎপাদন গাণিতিক হাৰত বৃদ্ধি হ'লে উৎপাদিত খাদ্য-সামগ্ৰীৰে বৰ্দ্ধিত জনসংখ্যাৰ পেট-পূৰণ কৰাটো সম্ভৱ নহয়। মালথাচে আগবঢ়োৱা তত্ত্বৰ সত্যতা সম্পূৰ্ণভাৱে ভাৰতত বা ভাৰতৰ নিচিনা দেশত প্ৰয়োগ নহ'লেও তেওঁৰ তত্ত্বৰ এইটো মৌলিক কথা আমি অৱহেলা কৰিব নোৱাৰো। মানুহৰ জীৱনত জীয়াই থকাৰ প্ৰধান সম্বল হ'ল— খাদ্য। অন্যান্য বস্তুৰ উৎপাদন কম হলেও মানৱ জাতি নিশ্চয় জীয়াই থাকিব পাৰিব। কিন্তু, খাদ্যৰ অভাৱ হলে জাতিটো ভাল ধৰণেৰে জীয়াই থকাটো সম্ভৱপৰ নহয়। বহুত অৰ্থনীতিবিদে ক'ব খোজে যে— এখন শিল্প প্ৰধান দেশে শিল্পজাত বস্তু ৰপ্তানী কৰি খাদ্য-দ্ৰব্য আমদানী কৰি ধুনীয়াকৈ চলি থাকিব পাৰে। কিন্তু, এই খিনিতে প্ৰশ্ন হয় যে— এখন দেশে এনেকৈয়ে জীৱনৰ প্ৰধান সম্বল এটাৰ যোগানৰ কাৰণে আন এখন দেশৰ ওপৰত নিৰ্ভৰ কৰা উচিত নে? আমাৰ বিবেচনা মতে, বৰ্ত্তমান পৰিস্থিতিত এনে নিৰ্ভৰশীলতা বিপদজনক। খাদ্য-দ্ৰব্য উৎপাদনৰ যথেষ্ট থল থাকিলে খাদ্য-দ্ৰব্য আমদানি কৰাৰ ওপৰত নিভ ৰ কৰাটো উচিত নহয়। ভাৰতত খাদ্য-সামগ্ৰী উৎপাদন কৰিবৰ কাৰণে অপৰিসীম সুবিধা আছে। এই সুবিধাখিনি থকা স্বত্তেও দেশত জনসংখ্যা বৃদ্ধিৰ তুলনাত আমি আত্ম-নিভৰশীল হ'ব পৰা নাই। দেশৰ জনসংখ্যাৰ ৬০ ভাগমান লোকে কোনোমতে হে খাই বৈ জীয়াই আছে। এই ফালৰ পৰা আমি স্পষ্টভাৱে ক'ব পাৰো যে— মালথাচে যি কথা দোহাৰি কৈছে তাৰ সত্যতা বহু পৰিমাণে ভাৰতৰ জনসংখ্যাৰ অৰ্থনীতিত প্ৰতিপন্ন হৈছে। "কাম্য জনসংখ্যাতত্ত্ব" মতে, জন-সংখ্যা তুলনা কৰা হৈছে এখন দেশৰ সৰ্ব্বমুঠ উৎপাদন তথা জাতীয় আয় তথা জনমূৰি আয়ৰ লগত তুলনা কৰা হৈছে। এই ফালৰ পৰা ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ হাৰ দেশৰ সৰ্ব্বমুঠ উৎপাদনৰ লগত বা জনমূৰি আয়ৰ লগত তুলনা কৰি চালে আমি নিৰাশ হৈ পৰিব লগীয়া হয়। জনমূৰি আয় যদিও ক্ৰমান্বয়ে বৃদ্ধি পাইছে; এই বৰ্দ্ধিত জনমূৰি আয়ে প্ৰমাণ কৰিব নোৱাৰে যে— আমাৰ দেশখনৰ জনসংখ্যা বিস্ফোৰিত হোৱা নাই। দেশৰ জন-সংখ্যাৰ এটা বৃহৎ ভাগ এতিয়াও দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। এই ভাগটোক বাদ দিলেও আমি যাক মধ্যবিত্ত বুলি কওঁ সেই শ্ৰেণীৰ জীয়াই থকাৰ মানদণ্ড প্ৰশংসনীয় বুলি ক'ব পৰা নেযায়। গতিকে, কাম্য জনসংখ্যা তত্ত্বয়েও দেশত যে— "জনবিস্ফোৰণ" হৈছে তাক আঙুলিয়াই দিয়ে। জনসংখ্যাৰ "অৱস্থান্তৰ তত্ত্ব" মতে, ভাৰত বৰ্ত্তমান দ্বিতীয় স্তৰত আছে। এই স্তৰত মৃত্যুৰ সংখ্যা ক্ৰমান্বয়ে কমি গৈছে; আনহাতে, জন্মৰ হাৰৰ পৰিৱৰ্ত্তন হোৱা নাই। ভাৰতে তৃতীয় স্তৰ বা পূৰ্ণ নিয়োগ অৱস্থা পাবৰ কাৰণে বৰ্ত্তমান জনসংখ্যা বৃদ্ধিৰ হাৰৰ পৰিস্থিতিত অতি সহজ কথা নহয়। আমি যি পৰিমাণৰ অৰ্থনৈতিক উন্নতি সাধন কৰিছো সেই উন্নতিৰ হাৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰে শূণ্যত পৰিণত কৰিছে। এইফালৰ পৰাও আমাৰ স্পষ্ট বক্তব্য হ'ল যে— ভাৰতে জনবিস্ফোৰণৰ কবলৰ পৰা ৰক্ষা পাবৰ কাৰণে অশেষ চেষ্টা কৰিব লাগিব।

নানান ধৰণৰ দুৰ্য্যোগ, দুৰ্ভিক্ষ, অকাল মৃত্যু, আদিৰ কাৰণে মাজে মাজে জনসংখ্যা হ্ৰাস হয় সঁচা, কিন্তু জনসংখ্যা বৰ্ত্তমান যি হাৰত বাঢ়িছে, ভয় হয়, হয়তো পৃথিবীৰ বুকুলৈ এনে এটা দিন

আহিব— যিদিনা পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানৰ মুখত এমুঠি আহাৰো তুলি দিব নোৱাৰিব।

এচাম অৰ্থনীতিবিদ্‌ৰ মতে, ভাৰতত, অৱহেলিত আৰু অব্যৱহৃত অৱস্থাত থকা সম্পদসমূহ নিয়োগ কৰি কৃষি-বিপ্লৱ আৰু শিল্প-বিপ্লৱৰ জৰিয়তে উৎপাদন বৃদ্ধি কৰিব পাৰিলে দৰিদ্ৰতা দূৰ হ'ব; অৰ্থাৎ, তেওঁলোকৰ মতে. উৎপাদিত সম্পদৰ সম-বিতৰণৰ ব্যৱস্থা হ'লে আৰু দ্ৰুত ভাবে সম্পদ আহৰণ হ'লেই দেশত দৰিদ্ৰতা নাথাকিব। আকৌ, আন এচাম অৰ্থনীতিবিদ্‌ৰ মতে, ভাৰতৰ জনসংখ্যাৰ এনেকুৱা গতিত বাঢ়িছে যে— জনসংখ্যা, উৎপাদন আৰু বিতৰণ এই তিনিটাৰ মাজত ভাৰসাম্য স্থাপন কৰিব নোৱাৰিলে ভাৰতৰ অৰ্থনীতি মষিমূৰ হৈ যাব।

যদি আমি ভাৰতৰ জনসংখ্যাৰ আকাৰ আৰু বৃদ্ধিৰ হাৰলৈ মন কৰো তেতিয়া হ'লে আমি দেখিবলৈ পাম যে—

**জনসংখ্যাৰ আকাৰ ঃ—** ভাৰতৰ জনসংখ্যা ১৯০১ চনৰ লোক পিয়লৰ মতে ২৩৮ নিযুত আছিল। কিন্তু, ১৯১৯-২১ চনৰ ভিতৰত জনসংখ্যা ১ নিযুত কমিছিল। আনহাতে, ১৯২১ চনৰ পৰা চলি অহা লোক পিয়ল মতে, ভাৰতত জনসংখ্যা দ্ৰুত গতিত বৃদ্ধি পাই আহিছে। ১৯৫১ চনৰ লোক পিয়লৰ সময়ত ভাৰতবৰ্ষত জনসংখ্যা আছিল ৩৬১ নিযুত। কিন্তু, ১৯৬১ চনৰ লোক পিয়লত ই হয়গৈ ৪৩৯ নিযুত। ১৯৭১ চনৰ পিয়ল অনুযায়ী ভাৰতবৰ্ষৰ মুঠ জনসংখ্যা ৫৪'৮ কোটিৰ পৰা ১৯৮১ চনত ই ৬৮'৪ কোটিলৈ বৃদ্ধি পায়। জনসংখ্যাৰ আকাৰত বৰ্ত্তমান ভাৰতৰ স্থান পৃথিৱীৰ ভিতৰত দ্বিতীয়, চীন দেশৰ পিছতেই।

**জনসংখ্যাৰ বৃদ্ধিৰ হাৰ ঃ—** ভাৰতৰ জনসংখ্যাৰ বাৰ্ষিক বৃদ্ধিৰ হাৰৰ তালিকা তলত দাঙি ধৰা হ'ল—

১৯০১-১১ চনৰ ভিতৰত বাৰ্ষিক বৃদ্ধিৰ হাৰ হ'ল= ৫·৭%
১৯১১-২১ „ „ „ „ „ „ = ·৩%
১৯২১-৩১ „ „ „ „ „ „ = ১১%
১৯৩১-৪১ „ „ „ „ „ „ = ১৪·২%
১৯৪১-৫১ „ „ „ „ „ „ = ১৩·৩%
১৯৫১-৬১ „ „ „ „ „ „ = ২১·৫%
১৯৬১-৭১ „ „ „ „ „ „ = ২৪·৮০%
১৯৭১-৮১ „ „ „ „ „ „ = ২৪·৯৯%

ওপৰোক্ত তালিকাখন মন কৰিলে এইটো স্পষ্ট হৈ পৰে যে— ভাৰতৰ জনসংখ্যা অতি দ্ৰুত গতিত বৃদ্ধি পাইছে।

**জনসংখ্যা বৃদ্ধিৰ কাৰণ ঃ—** ক) ভাৰতবৰ্ষ নাতিশীতোষ্ণ অঞ্চলত অৱস্থিত বাবে ইয়াৰ লোকসকলৰ জন্ম দিব পৰা ক্ষমতা শীতমণ্ডলৰ দেশসমূহৰ তুলনাত বহুগুণে বেছি।

খ) ভাৰতীয় লোকসকলৰ দৰিদ্ৰ অৱস্থাও জনসংখ্যা বৃদ্ধিৰ অন্যতম কাৰণ। তেওঁলোক দুখীয়া হোৱাৰ বাবে অৱসৰ বিনোদনৰ অন্য একো আহিলা নেপাই সন্তান জন্ম দিয়া কাৰ্য্যত লিপ্ত হয়।

গ) সামাজিক কু-প্ৰথা, অন্ধ-বিশ্বাস আদিৰ ফলতো জন্মহাৰ বৃদ্ধি হৈছে। আকৌ, ভাৰতত অতীতৰে পৰা চলি অহা আৰু বৰ্ত্তমানেও চলি থকা বিবাহ প্ৰথাও জনসংখ্যা বৃদ্ধিৰ বাবে কিছু পৰিমাণে দায়ী। কম বয়সতে বিবাহ-পাশত আৱদ্ধ হোৱাৰ বাবে তেওঁলোক অতি কম সময়ৰ ভিতৰতে তেওঁলোক কেইবাটাও সন্তানৰ পিতৃ-মাতৃ হৈ পৰে।

ঘ) চিকিৎসা-বিজ্ঞানৰ উন্নতিৰ ফলত মৃত্যুৰ হাৰ ক্ৰমশঃ কমি গৈছে। এই হাৰ শতকৰা বছৰি ১'৫ শতাংশ।

ঙ) ভাৰতত শিক্ষাৰ সা-সুবিধা বাঢ়িলেও অধিক সংখ্যক লোক নিৰক্ষৰ হৈয়ে আছে। নিৰক্ষৰ লোক-সকল জাতীয় সমস্যাৰ প্ৰতি সচেতন নহয়।

চ) তিব্বত, নেপাল, ভুটান আদি নানান ঠাইৰ পৰা অহা বহিৰাগতৰ আগমনেও ভাৰতৰ জনসংখ্যা বৃদ্ধি কৰিছে। আকৌ শ্ৰীলঙ্কা, আফ্ৰিকা, দক্ষিণ-পূৰ্ব এচিয়া, ব্ৰহ্মদেশ, আৰু পৃথিৱীৰ নানান দেশত থকা ভাৰতীয়সকলক সেই দেশবোৰৰ পৰা বহিষ্কাৰ কৰি দিয়াৰ ফলত বহু হাজাৰ ভগনীয়াই ভাৰতত প্ৰবেশ কৰে। পাকিস্তান বিভাজনৰ ফলত তাৰ পৰা ভাগি অহা লোকসকলে ভাৰতত প্ৰবেশ কৰিবলৈ লয়। ইত্যাদি।

এনেবোৰ কাৰণতেই ভাৰতত জনসংখ্যা বৃদ্ধি হৈছে আৰু এতিয়া "জন বিস্ফোৰণ" (Over populated) বুলি কোৱা হয়। ১৯৮৭ চনৰ জুলাই মাহত "৫০০ কোটিৰ দিৱস" পালন কৰা হয়। কাৰণ, সেইদিনা বিশ্বৰ জনসংখ্যা বাঢ়ি সম্পূৰ্ণভাৱে ৫০০ কোটি হয়।

**জনসংখ্যা নিয়ন্ত্ৰণৰ কেইটামান উপায়ঃ—**

জনসংখ্যাৰ সমস্যা সমাধান কৰিবলৈ হ'লে বৰ্দ্ধিত জনসংখ্যাৰ অনুপাত কমাব লাগিব। অৰ্থাৎ, জনসংখ্যাৰ বৃদ্ধি ৰোধ কৰিবলৈ আধুনিক চিকিৎসা পদ্ধতিৰে জন্ম নিয়ন্ত্ৰণ কৰিব লাগিব, পৰিয়াল পৰিকল্পনা আঁচনি গ্ৰহণ কৰিব লাগিব।

কাৰণ, বৰ্দ্ধিত জনসংখ্যাৰ কাৰণে খাদ্যৰ ব্যৱস্থা কৰিব নোৱাৰিলে মানুহে অনাহাৰত আৰু অৰ্দ্ধ-পেটিয়াকৈ দিন কটাব লাগিব। মানুহৰ মৃত্যু পৰ্য্যন্ত হ'ব পাৰে। এইদৰে, প্ৰকৃতিয়ে জনসংখ্যা নিয়ন্ত্ৰণ কৰিলে জনসংখ্যা হ্ৰাস হ'ব সঁচা। এইধৰণেৰে প্ৰকৃতিয়ে ব্যৱস্থা ল'লে দেশত দুৰ্ভিক্ষ, অভাৱ-অনাটন, মাৰি-মৰক, আদিয়ে জনসংখ্যা হ্ৰাস কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। এনেধৰণৰ নিয়ন্ত্ৰণ মানৱ জাতিয়ে নিবিচাৰে, আৰু এনেকুৱা ধৰণৰ প্ৰাকৃতিক দুৰ্যোগৰ পৰা হাত সাৰিবলৈ মানুহে অতীজৰে পৰা প্ৰচেষ্টা চলাই আহিছে। সেই কাৰণেই, প্ৰতিৰোধ ব্যৱস্থা (Preventive check) লোৱাৰ বাহিৰে অন্য গত্যন্তৰ নাই। ভাৰত চৰকাৰে প্ৰতিটো পঞ্চম বাৰ্ষিক পৰিকল্পনাত অকল মাত্ৰ পৰিয়াল নিয়ন্ত্ৰণৰ বাবেই কেইবা কোটি টকা ধাৰ্য্য কৰি আহিছে।

দেশৰ জনসাধাৰণৰ আৰ্থিক উন্নতিৰ ব্যৱস্থা কৰিব পাৰিলেও জনসংখ্যা সমস্যা সমাধান হ'ব। কাৰণ, জীয়াই থকাৰ উন্নত মানদণ্ডই জনসংখ্যা নিয়ন্ত্ৰণত সহায় কৰে।

শিক্ষা বিস্তাৰে জনসংখ্যা হ্ৰাস-বৃদ্ধি কৰাত সহায় কৰে। মানুহৰ মাজত শিক্ষাৰ প্ৰচলনে বিবাহৰ সময় পিচুৱাই দিয়ে। শিক্ষাই মানুহৰ জীৱনত মানসিক বিকাশ ঘটায়। শিক্ষা বিস্তাৰে জনসংখ্যাৰ সমস্যা বুজাত সহায় কৰে। শিক্ষাই জনসাধাৰণক সচেতন কৰি তোলে। শিক্ষাৰ জৰিয়তে পৰিয়াল পৰিকল্পনাৰ বিষয়ে প্ৰচাৰ কৰিবলৈ সুবিধাজনক। গতিকে, জনসংখ্যাৰ বৃদ্ধি হ্ৰাস কৰিবলৈ হ'লে শিক্ষাৰ সম্প্ৰসাৰণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া প্ৰয়োজন।

ভাৰত চৰকাৰে প্ৰয়োগ কৰা আঁচনি যিমান দূৰ সফল হ'ব লাগিছিল সিমান হোৱা নাই। এই আঁচনিত কোনো বাধ্যতামূলক ব্যৱস্থা নাই। নাইবা, অৰ্থনৈতিক সুবিধাৰ লগত এই আঁচনি পোনপটীয়াকৈ জড়িত নহয়। ইয়াৰোপৰি, যিহেতু ভাৰতৰ জনসাধাৰণৰ শতকৰা ৮০ ভাগ লোক গ্ৰাম্যঅঞ্চলত বসবাস কৰে আৰু প্ৰায় জনসাধাৰণৰ ৭৫ ভাগ লোক শিক্ষিত নহয়। সেই কাৰণে, জন-কল্যাণ আঁচনি আশাতীত ভাৱে সফল হোৱা নাই। ১৯৭১ চনৰ পিয়ল মতে, ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ হাৰ ২.৪। আৰু ১৯৮১ চনৰ পিয়লমতেও এই বৃদ্ধিৰ হাৰ প্ৰায় একে অৱস্থাতে আছে। ইয়াৰ পৰাই ক'ব পৰা যায় যে— ভাৰতত জনসংখ্যাৰ বৃদ্ধিৰ গতিৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। এই বৃদ্ধিৰ

হাৰ শতকৰা বছৰি ১ বা ১'৫ ৰ ভিতৰলৈ আনিব নোৱাৰালৈকে জনসংখ্যাৰ জটিল সমস্যা অব্যাহত থাকিবই।

ওপৰোক্ত কথাৰ পৰাই ইয়াকে বুজিব পাৰি যে— চৰকাৰে সুস্থ আৰু সু-পৰিকল্পিত ভাৱে পৰিয়াল পৰিকল্পনা আঁচনি জনসাধাৰণৰ মাজত জনপ্ৰিয় কৰি তোলাৰ প্ৰয়োজন হৈ পৰিছে। (এই আঁচনি জনপ্ৰিয় কৰি তোলাৰ প্ৰয়োজন হৈ পৰিছে)। এই আঁচনি জনপ্ৰিয় কৰি তুলিব নোৱাৰিলে চৰকাৰ এই ক্ষেত্ৰত বা এই কামত সফল হ'ব নোৱাৰিব। জনসাধাৰণে এই আঁচনি উচিত ভাৱে গ্ৰহণ নকৰিলে জনসংখ্যা বৃদ্ধি-হ্ৰাস নহ'ব। আৰেৌ, দৰিদ্ৰতা দূৰীকৰণ, নিৰক্ষৰতা দূৰীকৰণ, জন্ম-নিয়ন্ত্ৰণ— এই তিনিটাৰ ওপৰতো যদি গুৰুত্ব দিয়া নহয়; তেন্তে ই কিছুদিনৰ পিছতেই ভয়াবহ পৰিস্থিতিৰ সৃষ্টি সমগ্ৰ দেশখনকে গ্ৰাস কৰি পেলাব। ● ●

(সহায় টিকা)

"যি দেশক মানুহে নিজৰ বুলি লৈ বুদ্ধি, প্ৰেম, আৰু কৰ্মৰ দ্বাৰা গঢ়ি তোলে সেই দেশেই তেওঁৰ স্বদেশ, মানুহৰ দেশ মানুহৰ চিত্তৰ সৃষ্টি।" —ৰবীন্দ্ৰ নাথ ঠাকুৰ।



# বৰ্ত্তমান নাৰী সমাজত গৃহবিজ্ঞান

মিচ্ ছামচুন নাহাৰ
স্নাতক ২য় বাৰ্ষিক

'গৃহবিজ্ঞান' বিষয়টোনো প্ৰকৃততে কি আৰু কেনেধৰণৰ তাক জানিবলৈ আজিৰ মানুহ আগ্ৰহী হৈ পৰিছে। সাধাৰণ ভাষাত এই বিজ্ঞানৰ অৰ্থ কি বাৰু? নিশ্চয় ঘৰ এখনক সুন্দৰভাৱে পৰিচালনা কৰাটোৱেই মূল উদ্দেশ্য নহ'য় নে? কিন্তু সাধাৰণ অৰ্থত ইয়াৰ অৰ্থ যিয়েই নহওঁক কিয় এই বিজ্ঞানৰ পৰিসৰ ইমান ঠেক নহ'য় যে ই ঘৰ এখন চাৰিবেৰৰ মাজতেই শেষ হৈ যাব। গৃহবিজ্ঞান এনে এবিধ বিষয় যাৰ জৰিয়তে পৰিয়ালটোক নিজৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি তোলা হ'য়। শিশুক শাৰীৰিক, মানসিক, আধ্যাত্মিক তথা বৌদ্ধিক বিকাশত সহায় হোৱাকৈ সুস্থ মনেৰে গঢ়ি তুলিবলৈ যত্ন কৰা হ'য়।

প্ৰকৃতিৰ এই ৰূপৰাজি, সৌন্দৰ্য্যবোধক বেয়া পোৱা মানুহ আজিৰ যুগত সঁচাই বাৰু আছেনে? শাৰীৰিক নিৰাপত্তা, উন্নতিৰ বাবে স্বাস্থ্য নীতি সন্মত ঘৰ এখন বাৰু কোনে নিবিচাৰে? প্ৰাকৃতিয়ে দিয়া ফুল-পাতেৰে ঘৰৰ সৌন্দৰ্য্য বঢ়াবলৈ কৰা পুষ্প সজ্জা, চালাদ সজ্জা আদিৰে এগৰাকী নাৰীৰ মনৰ কাল্পনিক তৰংগক উপলব্ধি কৰিব পাৰি মনৰ আন এক সূক্ষ্ম কলাৰ প্ৰকাশ হ'য়। সভ্যতাৰ আদিম যুগৰে পৰা বৰ্ত্তমানলৈকে নাৰীয়ে ঘৰ এখনক শৃঙ্খলিত ভাৱে পৰিচালনা কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। পৰিয়ালটোৰ প্ৰত্যেকজনৰে মনৰ ৰুচিবোধ অনুযায়ী তেওঁলোকৰ মনত তৃপ্তি দিব পৰাটোত সেই নাৰীগৰাকীৰ মনৰ দূৰদৰ্শিতা, কামৰ নৈপুণ্যতা আদি ফুটি উঠে। গৃহবিজ্ঞানৰ বিষদজ্ঞানে কেৱল মাথো নাৰী সমাজৰে উন্নতি সাধন কৰিব এনে নহ'য়, ই দেশৰ জনসাধাৰণৰ সৰ্ব্বাংগীন উন্নতি সাধন কৰি আত্ম-তৃপ্তি লাভত সহায় কৰে।

ঠাই অনুসৰি কেনে ঠাইত, নাইবা পৰিবেশত কেনে ঘৰ সজোৱা উচিত, ঘৰৰ আবাহাৱত পানীৰ যোগান ইত্যাদি সুবিধা সমূহলৈ লক্ষ্য ৰাখি কেনে ধৰণৰ ঘৰ সজোৱা উচিত ইত্যাদি কথা জানিব পাৰি। কিয়নো, থকা ঘৰখনতেই মানুহৰ সামাজিক, আধ্যাত্মিক আৰু অৰ্থনৈতিক দিশৰ উন্নতি সাধন হয়। ঘৰখনৰ ডাঙৰৰ সৰুৰ প্ৰতি মৰম-চেনেহ, আদৰ, অনুৰোধ পালন, উমৈহতীয়া কাজত সহযোগ, ৰোগীৰ শুশ্ৰূষা, আদি গুণৰ অনুশীলন হয়। উপাৰ্জ্জিত আয়-ব্যয় সামঞ্জস্য ৰাখি কেনেদৰে প্ৰয়োজনীয় বস্তুৰ যোগান ধৰিব পাৰি ইত্যাদি আলোচনা কৰা হয়। আৰ্থিক দিশৰ সহায় হোৱাকৈ বিবিধ খেতি কৰি, কাৰিকৰী বিদ্যা, চিলাই আদি শিকোৱা হয়। মানুহৰ ভৱিষ্যত জীৱনৰ নিৰাপত্তা, দুৰ্য্যোগ আদিৰ পৰা বাচিবৰ বাবে সঞ্চয় কৰিবলৈ এই বিজ্ঞানেই আমাক শিকায়। মাহেকীয়া বাজেট তৈয়াৰ কৰি কম খৰচত সকলোৱে জগত সমানে আনন্দ লভিবলৈ আমাক

াাগ্রহী কৰি তোলে। সময়, ঋতু, বয়স অনুযায়ী াাৰু সৌন্দৰ্য্যবোধৰে সাজবিলাকৰ বাঁচনি আৰু তদাৰক কৰিবলৈও এই বিজ্ঞানে আমাক যথেষ্ট সহায় কৰিব পাৰে। পৰিয়ালৰ আৰ্থিক দিশলৈ মন কৰি উচ্চ-নিম্ন মানদণ্ডৰ বিভিন্ন খাদ্য সামগ্ৰীৰ গুণা গুণৰ জ্ঞান থকাটো প্ৰত্যেকগৰাকী নাৰীৰ বাবে জনাটো প্ৰয়োজনীয়। পুষ্টি সাধন হোৱাকৈ ব্যয় বাহুল্য নাহোৱাকৈ উপযুক্ত আহাৰ তৈয়াৰ কৰি শৃঙ্খলিত সুন্দৰভাবে পৰিবেশন কৰাটোও নাৰীৰ বাবে জানিব লগীয়া বিষয়। পৰিয়ালৰ মান-মৰ্য্যাদা, ব্যক্তিত্ব, ৰুচিবোধ ইত্যাদিৰ লগত সামঞ্জস্য ৰাখি পৰিয়াল-টোৰ লগত ৰজিতা খোৱাকৈ গৃহসজ্জা কৰিব পৰাটো নাৰী মনৰ এটা সুৰুচিৰ পৰিচায়ক। এই শিক্ষাৰে ৰোগীৰ পৰিচৰ্য্যা, প্ৰাথমিক চিকিৎসাদান, দুৰ্ঘটনাৰ প্ৰাথমিক চিকিৎসা আদিৰ ব্যৱস্থা সম্বন্ধে আলোচনা কৰা হয়। বিজ্ঞানসন্মত ভাৱে খাদ্য সামগ্ৰীৰ প্ৰস্তুত প্ৰণালী, সংৰক্ষণ প্ৰণালী আদি বিষয়ৰ ওপৰতো জ্ঞান দিয়া হয়।

বৰ্ত্তমানৰ বিজ্ঞানৰ যান্ত্ৰিক যুগত বহুতো সজুলি-পাতিৰ উদ্ভাৱন হৈছে। সেইবোৰৰে যিবোৰ আমাৰ কৃষ্টি সভ্যতাৰ লগত ৰজিতা খায় সেই-বোৰক আহৰণ কৰিবলৈ সুস্থ সমাজৰ গঠনৰ দায়িত্বও এই বিজ্ঞানত বহু পৰিমাণে পৰিছে।

ঘৰ এখনক সৰ্বাঙ্গ সুন্দৰ কৰি সযতনে পৰিচালনা কৰিব পৰাটোত সেই গৃহিনী গৰাকীৰ বুদ্ধিমত্তা তথা নৈপুন্যতা ফুটি উঠে। সূক্ষ্ম কৌশল প্ৰতি গৰাকীৰ ন-পুৰণি নাৰীয়ে জনা উচিত। ইয়াৰ জৰিয়তে নাৰী আত্মনিৰ্ভৰশীল হব পাৰে। অন্যথা গৃহিনী গৰাকীৰ নিজৰে আজৰি আৰু সময়ৰ অভাৱ হয়। আত্মতৃপ্তি লভিব পৰা প্ৰকৃতিৰ সকলো কৃত্ৰিম অকৃত্ৰিম সম্ভাৰৰ উপভোগৰ পৰা বঞ্চিত হ'ব লগীয়া হ'য়।

সেয়েহে 'গৃহবিজ্ঞান' এটা সৰ্বতোমুখী বিজ্ঞান ই একেবাৰে বিজ্ঞান আৰু সূক্ষ্মকলা। এই 'গৃহ' অনুষ্ঠানটিৰ সুৰ সমন্বয়ৰ পৰিচালিকা হৈছে গৃহকৰ্ত্ৰী গৰাকী। ● ●

"The must be to her family, a doctor, nurse, psyoholosist, banker, tailor, cook, nutritionist, caterer, gardener, Governess educationist, economist, recreationist worker, home manager. decorator, campain, social worker, spiritual wife, beautician and mother, She makes the home a place of devotion, culture and beauty."

( Elements of home science, আয়ুবিজ্ঞান আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'গৃহ-বিজ্ঞানৰ' সহায় লৈ লিখা হৈছে )



# শিশুৰ ওপৰত বংশগতি আৰু পৰিবেশৰ প্ৰভাৱ

শ্ৰীশোভাক্ষী গগৈ
স্নাতক ২য় বাৰ্ষিক

শিশুৰ ওপৰত বংশগতি আৰু পৰিবেশৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে বংশ-গতি আৰু পৰিবেশনো কি তাৰ বিষয়ে আলোচনা কৰা উচিত হব। সাধাৰণতে বংশগতি আৰু পৰিবেশ বুলি কলে দুটা ভিন্ন বিষয়ৰ কথা বুজা যায়। কিন্তু ইহঁত দুয়োটাই ইমান ওতঃপোত ভাৱে জড়িত যে এটাৰ বিষয়ে আলোচনা কৰাৰ বেজিকা আনুটোৰ কথাও সততে আহি পৰে। সেয়েহে সাধাৰণ ভাৱে বংশগতিক কেচঁামাল আৰু পৰি-বেশক গঢ় দিয়ে দি ব্যক্তিত্বক পৰিণত ৰূপ দিওতা বুলি কব পাৰি। এটি শিশুৱে শাৰীৰিক বা মানসিক ভাৱে তাৰ ওপৰি পুৰুষৰ পৰা যিবোৰ গুণ আহৰণ কৰে সিয়েই তাৰ বংশগতি। মাতৃগৰ্ভত জীৱকোষ স্থিতি লোৱাৰ আগৰে পৰাই শিশুৱে এক বিশেষ পৰিস্থিতিত তাৰ বংশগতিৰ গুণসমূহ আহৰণ কৰে। চকুৰে মণিব নোৱাৰা কিছুমান অতি সৰু সৰু কোষেই বংশগতিৰ প্ৰকৃত বাহক। এনে ধৰণৰ কোষবোৰৰ কেন্দ্ৰত নিউক্লিয়াচ (Nucleous) বুলি এবিধ পদাৰ্থ থাকে। এই Nucleous ত ও আকৌ ৪৬ জোৰা ক্ৰোমজোমচ্ (chromosomes) থাকে। এই ৪৬ জোৰা chromosomes অৰ ২৩ জোৰা (অৰ্থাৎ আধা) পিতৃ অধিকাৰী আৰু বাকী ২৩ জোৰা মাতৃ অধিকাৰী। এইদৰে পিতৃ আৰু মাতৃৰ বীৰ্য্য সংমিশ্ৰণ হৈ জীৱৰ সৃষ্টি হয় আৰু মাতৃৰ দ্বাৰা বিকশিত হৈ ভূমিষ্ঠ হয়। বৰ্ত্তমান মনো-বিজ্ঞানীসকলে বংশগতি সম্পৰ্কীয় বহুতো নতুন তথ্য উদ্ভাৱন কৰিছে। সেইহতীয়াকৈ পোৱা তথ্য অনুসৰি D. N. A. অৰ্থাৎ Dixi Neuclic Acid আৰু R. N. A. অৰ্থাৎ Ribo Neuclic Acid এই দুবিধ ৰাসায়নিক সাৰাংশ মানৱ দেহ গঠনৰ বাবে অতি আৱশ্যকীয়।

আনহাতে পৰিবেশ বুলি কলে সাধাৰণভাৱে ব্যক্তিৰ চতুৰ্পাৰ্শক (environment) ক বুজা যায়। কিন্তু শিক্ষা মনোবিজ্ঞানত এই পৰিবেশ শব্দটো এক ব্যাপক অৰ্থত ব্যৱহাৰ কৰা হয়। শিক্ষা মনোবিজ্ঞানত পৰিবেশ বুলি কলে, প্ৰাকৃতিক পৰিবেশ মানসিক পৰিবেশ আৰু সামাজিক পৰিবেশ এই আটাইকেইটাৰ কথাই বুজোৱা হয়। এটি শি

জন্ম হোৱাৰ পাছৰে পৰা বহুতো অপৰিচিত পৰিস্থিতিৰ সন্মুখীন হব লগা হয় আৰু ই শিশুটিক বিশেষ ভাৱে প্ৰভাম্বিত কৰে। এনে ধৰণৰ অপৰিচিত পৰিস্থিতি শিশুটিয়ে তাৰ পৰিবেশৰ পৰাই পায়। P. Gisbert এ পৰিবেশ সম্বন্ধে কৈছে— "Environment is anything immediately surrounding an object and exerting a direct influence on it." বাস্তৱিকতে • এটি শিশুৰ সকলো জন্মগত গুণ যেনে মানসিক দৈহিক আৰু আত্মিক গুণ সমূহক যিয়েই বিকাশ সাধন কৰে তাকে পৰিবেশ বুলি কব পাৰি।

এটি শিশুৰ ওপৰত বংশগতিৰ প্ৰভাৱ বেছি নে পৰিবেশৰ প্ৰভাৱ বেছি এই বিষয়ে নানা ধৰণৰ পৰীক্ষা নিৰীক্ষা চলিছে আৰু নানা মতৰ মাজত বিৰোধীতা ভাৱও নোহোৱাকৈ থকা নাই। কিন্তু প্ৰকৃত পক্ষে ই বিতৰ্কৰ বিষয় নহয়। এটি শিশুৰ ওপৰত তাৰ বংশগতিৰ প্ৰভাৱ যিমান, পৰিবেশৰ প্ৰভাৱও ঠিক সিমানেই। এই বিষয়ে তৰ্ক কৰা নিষ্প্ৰয়োজন। কিয়নো মাত্ৰ বংশগতিয়ে এটি শিশুক যি দৰে সম্পূৰ্ণকৈ গঢ় দিব নোৱাৰে সেইদৰে মাত্ৰ পৰিবেশেও এটি শিশুক সম্পূৰ্ণ ৰূপে গঢ় দিব নোৱাৰে।

শিশুৱে শাৰীৰিক আৰু মানসিক এই দুটা দিশৰ পৰা তাৰ বংশগতি লাভ কৰে। শিশুৰ শিক্ষাৰ ক্ষেত্ৰত মানসিক বংশগতিৰ প্ৰভাৱ যিমান বেছি, শাৰীৰিক বংশগতিৰ প্ৰভাৱ সিমান বেছি নহয়। অৱশ্যে শিক্ষাৰ ক্ষেত্ৰত শাৰীৰিক বংশগতিৰ কথাও একেবাৰে নুই কৰিব নোৱাৰি। শাৰীৰিক ভাৱে অক্ষম এটি শিশুৰ মনত হীনমন্যতা ভাৱে দেখা দিব পাৰে। হীনমন্যতা মনোভাৱে (infurity comlex) শিশুৰ শিক্ষাত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। Adler এ নানা পৰীক্ষা নিৰীক্ষা কৰি এই সত্যত উপনীত হৈছিল যে শাৰীৰিক এটি সম্পন্নতাৰ বাবে শিশুৰ মনত হীনমন্যতা মনোভাৱে তাৰ মানসিক সংগঠন, সাধাৰণ দৃষ্টি ভংগী, আচৰণ আদিক বিশেষ ভাৱে প্ৰভাম্বিত কৰে।

শিশুৰ শিক্ষাৰ ক্ষেত্ৰত মানসিক বংশগতিৰ প্ৰভাৱ খুউব বেছি। শিশুৰ ওপৰত বংশগতিৰ প্ৰভাৱ সম্পৰ্কে প্ৰথমে আৱিষ্কাৰ কৰে অষ্ট্ৰিয়া দেশৰ গ্ৰেগৰি মেণ্ডেল নামৰ এজন ধৰ্ম যাজকে। শিশুৱে উত্তৰাধিকাৰী সূত্ৰে যিবোৰ গুণ পায়, তাত তাৰ বংশধাৰাৰ সম্পূৰ্ণ প্ৰভাৱ আছে। মেণ্ডেলৰ মতে বংশধাৰাৰ সূত্ৰে পোৱা এই গুণ সমূহ সক্ৰিয় বা নিষ্ক্ৰিয়ও হব পাৰে। উদাহৰণ স্বৰূপে এটি উচ্চ মেধা গুণ সম্পন্ন শিশুৰ মাক-দেউতাক উচ্চ মেধা গুণ সম্পন্ন নহবও পাৰে। কিন্তু শিশুটিক ককাক বা আইতাক উচ্চ মেধা গুণ সম্পন্না হ'ব লাগিব। মেণ্ডেলৰ মতে শিশুটিৰ ককাক আইতাকৰ এই উচ্চ মেধা গুণটো তাৰ মাক দেউতাকৰ ক্ষেত্ৰত নিষ্ক্ৰিয় আৰু তাৰ নিজৰ ক্ষেত্ৰত সক্ৰিয় আছিল। এই সত্যত উপনীত হবৰ বাবে মেণ্ডেলে কিছুমান বগা আৰু ক'লা ৰঙৰ এন্দুৰ লৈ অভীক্ষা সম্পাদন কৰিছিল।

মেণ্ডেলে এন্দুৰৰ ওপৰিও কিছুমান মটৰ মাহৰ গছ লৈ এই অভীক্ষা সম্পাদন কৰে। তেওঁ এই অভীক্ষাত ওখ আৰু চাপৰ মটৰ মাহৰ বীৰ্য্য সংমিশ্ৰতা কৰি ওখ চাপৰ মটৰ মাহৰ গছ দেখা পায়। অৰ্থাৎ দুয়োবিধ মটৰ মাহৰ বীৰ্য্য সংমিশ্ৰণৰ ফলত যি গছ উৎপন্ন হৈছিল সি সম্পূৰ্ণ ওখ (pure-tall) নহয়। এই ওখ-চাপৰ (Impure-tall) মটৰ মাহৰ গছৰ পৰা ক্ৰমে শুদ্ধ ওখ, শুদ্ধ চাপৰ আৰু ওখ চাপৰ গছ উৎপন্ন হয়। এই ওখ চাপৰ গছবোৰৰ ওখ আৰু চাপৰ এই বৈশিষ্ট্য বা গুণটো ক্ৰমে ৩:১ অনুপাতত অৱস্থিত। তলৰ চিত্ৰৰ পৰা কথাটো স্পষ্টকৈ বুজা যাব।




ওপৰৰ তালিকা খনৰ পৰা মেণ্ডেলৰ সূত্ৰটো ভালদৰে বুজি পোৱা যাব। কেতিয়াবা আকৌ শিশুৰ গাত বংশগত ভাৱে নোপোৱা কোনো বিশেষ বৈশিষ্ট্য দেখা পোৱা যায়। তাক সংবিকৃতি বা ইংৰাজীত Mutation বুলি কোৱা হয়। ছটা আঙুলিৰ হাত সংবিকৃতিৰ এটা উদাহৰণ।

মেণ্ডেলৰ বাহিৰেও বংশগতিৰ প্ৰভাৱ সম্পৰ্কে ভালেমান মনোবিজ্ঞানী আৰু জীৱতত্ত্ববিদে নানা নানা অভীক্ষা সম্পাদন কৰিছিল। ইয়াৰ ভিতৰত গেল্‌টন (Galton), লেমাৰ্ক (Lamark), ডাৰউইন (Darwin), ডুগড্ৰেল (Dugdral) আদিৰ নাম বিশেষ ভাৱে উল্লেখ কৰিব পাৰি। গেল্‌টনে বংশগতিৰ প্ৰভাৱ সম্পৰ্কে কেইবাটাও ইংৰাজ পৰিয়ালৰ বিস্তৃত জীৱন বুৰঞ্জী অধ্যয়ন কৰে। তেওঁ মত প্ৰকাশ কৰে যে শিশুৱে মাত্ৰ মাক-দেউতাকৰ পৰাই বংশগতিৰ গুণ সমূহ আহৰণ নকৰে, তাৰ উপৰি পুৰুষৰ পৰাও কিছুমানে গুণ আহৰণ কৰে। শিশুৱে তাৰ মাক-দেউতাকৰ পৰা, মাকৰ মাক-দেউতাকৰ

পৰা, দেউতাকৰ মাক-দেউতাকৰ পৰা আৰু সেইদৰে আজু ককাক আইতাকৰ পৰা ক্ৰমে $\frac{১}{২}+\frac{১}{৪}+\frac{১}{৮}+\frac{১}{১৬}+\frac{১}{৩২}+\frac{১}{৬৪}$ কৈ বংশগতিৰ গুণ সমূহ আহৰণ কৰে আৰু শেষত এক সমষ্টিত পৰিণত হয়। কথাটো তলৰ তালিকাখনৰ দ্বাৰাও প্ৰকাশ কৰিব পাৰি।




ডুগড্ৰেল নামৰ আন এজন মনোবিজ্ঞানীয়ে শিক্ষাৰ ক্ষেত্ৰত মানসিক বংশগতিৰ প্ৰভাৱ যে কিমান প্ৰকট তাৰ প্ৰমাণ কৰে। তেওঁ এই পৰীক্ষাৰ বাবে আমেৰিকাৰ Jukes family ৰ বুৰঞ্জী অধ্যয়ন কৰে। Jukes নামৰ মানুহজন আছিল বিশৃঙ্খল মনৰ চিকাৰী আৰু মাছমৰীয়া। তেওঁৰ পুতেক জীয়েকহঁতেও এনে অধঃগামী পৰিয়ালৰ লগত বিবাহ পাশত আবদ্ধ হয়। পাঁচটা পুৰুষত এই পৰিয়ালত ১২০০ সতি সন্ততিৰ জন্ম হয়। ইয়াৰ ভিতৰত ৩০০ টা শৈশৱ কালতেই মৃত্যু হয়, ৩১০ টা দীৰ্ঘদিন ধৰি মগনীয়াৰ গৃহত কটাব লগীয়া হয়, ৪৪০ টা ৰোগগ্ৰস্থ হয় আৰু ১৩০ টা অপৰাধৰ বাবে দায়ী হয়। তাৰে ৭ টা হত্যাকাণ্ডৰ বাবে; বাকী মাত্ৰ ২০ টাহে ব্যৱসায় বাণিজ্যৰ শিক্ষা লাভ কৰে। ডুগড্ৰেলৰ এই পৰীক্ষাৰ পৰা শিশুৰ ওপৰত বংশগতিৰ প্ৰভাৱ কিমান প্ৰকট তাক বুজিব পাৰি।

বংশগতিৰ দৰেই পৰিবেশৰ প্ৰভাৱেও শিশুৰ বিকাশত প্ৰভাৱ বিস্তাৰ কৰে। বংশগত গুণ অনুসৰি এটি শিশু উচ্চ মানদণ্ড সম্পন্ন গুণৰ অধিকাৰী হলেও শিশুটিয়ে যদি ভাল পৰিবেশ নাপায় তেন্তে নিজৰ জন্মগত গুণখিনি বিকশাই তোলাৰ শিশুটিৰ বাধা আহি পৰে। সেই দৰে কম মেধা সম্পন্ন শিশুৱেও ভাল পৰিবেশৰ বাবে উচ্চ মেধা সম্পন্ন শিশুৰ সমানে ভাল ফল দেখুৱাব পাৰে। শিশুৰ বিকাশৰ ক্ষেত্ৰত পৰিবেশৰ গুৰুত্বতা সম্পৰ্কে বহুতো মনোবিজ্ঞানীয়ে ভ্যুলেমান পৰীক্ষা

সম্পাদন কৰে। এই পৰীক্ষাসমূহৰ পৰা দেখা গৈছে যে পৰিবেশৰ প্ৰভাৱৰ ফলত সমকোষী যমজ সন্তানবো পাৰ্থক্য পৰিলক্ষিত হয়। এই ক্ষেত্ৰত এটি পৰীক্ষাৰ কথা বিশেষ ভাৱে উল্লেখনীয়। Halan আৰু Gladys আছিল দুটি সমকোষী যমজ। ঘটনাক্ৰমে ১৮ মাহ বয়সত সন্তান দুটি দুটা ভিন্ন পৰিবেশত বাস কৰিব লগা হয়। Halan এ এটি সুন্দৰ পৰিবেশ পাইছিল আৰু B.A. পাছ কৰি শিক্ষকতাক নিজৰ ব্যৱসায় হিচাপে বাচি লৈছিল। আনহাতে Gladys এ Halan অৰ দৰে ভাল পৰিবেশ পোৱা নাছিল। অতি সৰু কালতে Gladys এ পঢ়া শুনা শেষ কৰিব লগীয়া হয় আৰু কানাডাৰ নিৰ্জন শিলাময় অঞ্চলৰ কাৰখানাত জীৱিকাৰ বাবে কাম কৰিব লগীয়া হয়। ৩৫ বছৰ বয়সত যেতিয়া তেওঁলোকক উদ্ধাৰ কৰা হয়, তেতিয়া তেওঁলোকৰ মাজত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। মুখৰ ভাৱ, চেহেৰা, নাৰী সুলভ সৌন্দৰ্য্য ইত্যাদিত Gladys তকৈ Halan বহুগুণে উন্নত আছিল। Halan আছিল আত্মবিশ্বাসী, মাৰ্জিত, মাধুৰ্য্যময়ী আৰু আচৰণত আকৰ্ষণধৰ্মী। কিন্তু Gladys আছিল দুৰ্বল, সৌন্দৰ্য্যহীনা আৰু অস্থিৰ। Halan অৰ বুধাঙ্ক আছিল ১১৬ আৰু Gladyr আছিল ৯২। অৰ্থাৎ বুদ্ধিৰ ক্ষেত্ৰত ২৪ ভাগ পাৰ্থক্য পৰিলক্ষিত হ'ল। Halan আৰু Gladys ৰ মাজত হাতৰ আখৰৰ ক্ষেত্ৰতো পাৰ্থক্য দেখা পোৱা গ'ল। Mecandless নামৰ মনোবিজ্ঞানী জনৰ মতে শিশুৱে যদি উপযুক্ত পৰিবেশ পায় তেন্তে সিহঁতৰ বুদ্ধি ক্ৰমান্বয়ে বৃদ্ধি পায়। এই ক্ষেত্ৰত পুৰণি মনোবিজ্ঞানী সকলে উত্থাপন কৰা "বুদ্ধিৰ অপৰিবৰ্তনশীলতা" নীতিৰ কোনো বাস্তৱ ৰূপ দেখা পোৱা নগ'ল। এই সম্পৰ্কে আন এটা পৰীক্ষাৰ কথাও অৱগত কৰিব পাৰি। পৰীক্ষাটো ৩০ জন বন্য মানৱক লৈ কৰা হৈছিল। সিহঁতে জাৰ আৰু গৰম কি বস্তু চিনি পোৱা নাছিল। সিহঁতৰ খোৱাৰ পদ্ধতি আছিল বেলেগ ধৰণৰ। সিহঁতৰ মানৱৰ লগত সমযোজন কৰিবলৈ চেষ্টা কৰাৰ ফল স্বৰূপে, ইয়াৰ দুজনী ছোৱালীয়ে ১৭ বছৰ বয়সতে খোৱা আৰু কাপোৰ পিন্ধাৰ নিয়ম শিকিব পাৰিছিল। এনে ধৰণৰ ভালেমান পৰীক্ষা নিৰীক্ষাৰ পৰা পৰিবেশৰ গুৰুত্বতা উপলব্ধি কৰিব পৰা গৈছে। সেয়েহে আধুনিক মনোবিজ্ঞানী সকলে, শিশুৱে যাতে সিহঁতৰ জন্মগত গুণ সমূহ বিকশাই তোলাত উপযুক্ত পৰিবেশ পায় তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

গতিকে দেখা গল যে বংশগতি আৰু পৰিবেশ এই দুয়োটাৰ যুটীয়া প্ৰচেষ্টাত শিশুৱে বিকাশ লাভ কৰে। শিক্ষক সকলে শিশুক শিক্ষা দিবৰ সময়ত মাত্ৰ তাৰ বংশগতিৰ বিষয়ে জানিলেই নহব, শিশুটিয়ে কেনেধৰণে পৰিবেশ পাইছে সেই বিষয়েও জানিব লাগিব। শিশুৰ জন্মগত বিভিন্ন গুণ সমূহ প্ৰকৃত পৰিবেশ পালেহে বিকশিত হব পাৰে। সেয়েহে শিশুৰ ওপৰত বংশগতি আৰু পৰিবেশ কোনোটোৱে গুৰুত্বতা নুই কৰিব নোৱাৰি। ●

> "ভৱিষ্যতৰ কোমল স্বপ্নত বিভোৰ হৈ থিয়ে সন্মুখত আহি পৰা কঠিন কৰ্ত্তব্য অস্বীকাৰ কৰে সেয়ে সুবিধাবাদী।"— লেলিন

# ঃ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ নাটত ৰস ঃ

এখুদি দুৱৰা, এম. এ
প্ৰবক্তা, অসমীয়া বিভাগ

অসমৰ নৱ বৈষ্ণৱ ধৰ্ম্মৰ প্ৰৱৰ্ত্তক শ্ৰীশঙ্কৰদেৱ অসমীয়া সাহিত্য সংস্কৃতিৰো গুৰি ধৰোতা। শঙ্কৰী যুগেই আছিল অসমীয়া সাহিত্যৰ প্ৰথম সোণালী যুগ। ধৰ্ম্ম গুৰু শঙ্কৰদেৱ একেৰাহে কবি, গীতিকাৰ, ৰসজ্ঞ নাট্যকাৰ, সঙ্গীতজ্ঞ, সমালোচক, সমাজ সংস্কাৰক। ৰসজ্ঞ শিল্পীজনাৰ শিল্পী প্ৰতিভা অনন্য সাধাৰণ।

প্ৰথম অসমীয়া নাটৰ শুভাৰম্ভ হয় শ্ৰীশঙ্কৰদেৱৰ হাততেই। প্ৰথম অসমীয়া নাট বুলিলে গুৰুজনাৰ অঙ্কীয়া নাট সমূহকেই বুজায়। সংস্কৃত আলঙ্কাৰিক সকলে— "ৰসাত্মকং বাক্যং কাব্যম্" বুলি কৈছে। নাটক বিলাকক দৃশ্যকাব্য বুলি কোৱা হয়। কাজেই নাটকত ৰস অপৰিহাৰ্য্য। সাহিত্যত স্বীকৃত নটা ৰস— শৃংগাৰ, ৰৌদ্ৰ, বীৰ, হাস্য, করুণ, বীভৎস, অদ্ভুত, ভয়ানক আৰু শান্ত। উল্লেখিত নটা ৰসৰ দুটা বা তিনিটা ৰসৰ প্ৰাধান্য নাটক বিলাকত থকা দেখা যায়। প্ৰশ্ন হৈছে সংস্কৃত বা আন নাটকৰ দৃষ্টিৰে আমি অঙ্কীয়া নাটৰ ৰস বিচাৰ কৰিব পাৰো নে নোৱাৰো। অঙ্কীয়া নাটৰ সৃষ্টি বৈষ্ণৱ নাট্যকাৰ সকলৰ হাতত। বৈষ্ণৱ সাহিত্যৰ সীমাবদ্ধতাৰ মাজত নাটক সমূহ সৃষ্টি হৈছিল। ভক্তি ধৰ্ম্ম প্ৰচাৰৰ অৱলম্বন স্বৰূপে নাট্য সাহিত্য সৃষ্টি কৰা হৈছিল বাবেই বৈষ্ণৱ আদৰ্শত অন্তৰায় স্বৰূপ কোনো কথা দিয়া নাছিল। শ্ৰীকৃষ্ণ বা শ্ৰীৰামেই আছিল নাটকসমূহৰ নায়ক চৰিত্ৰ, পৰম পুৰুষ, ভজনীয় দেৱতা-কৃষ্ণ বা বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাটোৱেই আছিল প্ৰধান লক্ষ্য।

ভক্তি ধৰ্ম্মৰ মাহাত্ম্য প্ৰচাৰ শঙ্কৰী নাটৰ মূল লক্ষ্য হলেও নাট্যকলাৰ উপাদান বৰ্জ্জিত শঙ্কৰী নাট নাছিল। আলঙ্কাৰিক সকলৰ সিদ্ধান্তৰ পৰা শঙ্কৰদেৱ কতো আতৰি যোৱা নাই। সংস্কৃত নাটকৰ বহু লক্ষণ অঙ্কীয়া নাটকত আছে। ভক্তি প্ৰধান সাহিত্য স্বৰূপে অঙ্কীয়া নাট সৃষ্টি বাবেই ৰস বিচাৰ ক্ষেত্ৰতো অন্য নাটৰ লগত কিছু ভিন্নতা পৰিলক্ষিত হয়। অঙ্কীয়া নাটৰ ৰসৰ সাহটো ভক্তি প্ৰধান।

ভক্তি সাহিত্য সৃষ্টি হোৱাৰ বহু আগতে অলঙ্কাৰ শাস্ত্ৰ প্ৰণয়ন কৰা হৈছিল। ভক্তি সাহিত্যৰ সৃষ্টি মধ্যযুগত হৈছিল। সেয়েহে অলঙ্কাৰ শাস্ত্ৰত স্বীকৃত নব ৰসৰ লগত ভক্তিৰ স্থান নাছিল। মধ্যযুগত বোপদেউ, ৰূপ সনাতন, জীৱ গোস্বামী আদি আলঙ্কাৰিক সকলে ভক্তিক ৰস হিচাবে স্বীকৃতি দিয়ে। বৈষ্ণৱ সাহিত্যিক শঙ্কৰদেৱ, মাধৱদেৱ, চৈতন্যদেৱ আদিয়ে অলঙ্কাৰ শাস্ত্ৰ প্ৰণয়ন কৰা নাছিল। শঙ্কৰদেৱ, মাধৱদেৱ সাহিত্যত ভক্তিক ৰস হিচাবে স্বীকৃতি দিয়াৰ প্ৰমাণ অনেক আছে। শঙ্কৰদেৱৰ সাহিত্যত— "হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে" মাধৱদেৱৰ নাম ঘোষাৰ প্ৰথম পদটিত— "মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো, ৰসময় মাগোহো ভকতি" আদিয়ে ভক্তিক ৰস হিচাপে মানি লোৱাটোকেই সূচায়। শঙ্কৰদেৱৰ ৰাম বিজয় নাটত পোৱা যায়— "ৰামক পৰম ভকতি ৰস জানা। শ্ৰীগুৰু-

ধ্বজ নৃপতি প্ৰধানা"। কালিয়দমনত পোৱা যায়— "পাষণ্ড-দণ্ডণ মণ্ডণ ভকতক হৰিৰস ৰসিক সুজান কাজেই অনুমান কৰিব পাৰি শঙ্কৰদেৱ, মাধৱদেৱ আদি বৈষ্ণৱ নাট্যকাৰ সকলে ভক্তিক ৰস হিচাবে মানি লৈছিল। "পত্নী প্ৰসাদ" খনেই শঙ্কৰদেৱৰ প্ৰথম অঙ্কীয়া নাট (চিহ্ন যাত্ৰাক বাদ দি)। নাটকীয় কলা-কৌশলৰ ফালৰ পৰা ই উৎকৃষ্ট আৰু সম্পূৰ্ণ নাট নহয়। আৰম্ভণিৰ পৰা শেষলৈকে নাটকখনত ভক্তিৰস নিৰবিচ্ছিন্ন ভাৱে প্ৰৱাহিত হৈ আছে।

নাটকীয় কলা-কৌশলৰ ফালৰ পৰা ৰুক্মিণী হৰণ শঙ্কৰদেৱৰ শ্ৰেষ্ঠ নাট। শৃঙ্গাৰ, বীৰ, হাস্য-ৰসৰ অৱতাৰণা নাটকখনত কৰা হৈছে। ঠাই বিশেষে কৰুণ ৰসৰ চিটিকণিও আছে। ৰুক্মিণীৰ মনোবাঞ্চা পূৰণৰ বাবে বেদনিধি কৃষ্ণৰ আগত উপস্থিত হোৱাৰ আগতেই হৰিদাস আৰু সুৰভি ভাটৰ যোগেদি কৃষ্ণৰ ৰুক্মিণীৰ প্ৰতি আৰু ৰুক্মিণীৰ কৃষ্ণৰ প্ৰতি পূৰ্বৰাগৰ সৃষ্টি হৈছিল। বেদনিধিৰ কথাত কৃষ্ণৰ মন জুইত ঘিউ ঢলাৰ নিচিনা হ'ল। কৃষ্ণৰ আদেশ হ'ল— "অয়ে দাৰুক সত্বৰে ৰথ আনহ"— শ্ৰীকৃষ্ণই বায়ু বেগে ৰথ চলাই দিলে কুণ্ডিল অভিমুখে। বেদনিধিৰ "হাত পাৱ সব থিৰ ভেল, পেট উফন্দল, নাসাত নিশ্বাস নাহি নিঃসৰে, যৈচে মৃতক তদ্ৰূপ অচেতন ভেল।" অৱশেষত কৃষ্ণৰ পৰিচৰ্য্যাত সুস্থ হৈ বাপুৰে কৈছে— "হে বাপু তোহোকে? হামু কেনে? কি নিমিত্তে এথা আৱল থিক?" বেদনিধিৰ অৱস্থাৰ বিপৰ্য্যয় দেখি দৰ্শকৰ হাঁহিৰ জাউৰি উঠে। মুখচন্দ্ৰিমা কৰিবৰ সময়ত ৰুক্মিণীৰ ভুবন-মোহন ৰূপ দেখি ব্ৰহ্মাৰ কামভাৱ সৃষ্টি হৈ "ব্ৰহ্মা মাটি লুটি পৰল। পুত্ৰ নাৰদে— "হে পিতা স্বস্থ হৱ স্বস্থ হৱ। তোহোৰ ব্যৱহাৰ নোহে" বুলি দাড়ি ধৰি সুস্থ কৰোৱা আদিত হাস্য ৰসৰ অৱতাৰণ ঘটিছে। এনে দৃশ্যই দৰ্শকৰ মনত হাঁহিৰ খোৱাক যোগায় আৰু সহৃদয়ৰ অন্তৰত হাস্য ৰসৰ সঞ্চাৰ হয়। স্বয়ম্বৰ সভাত ৰুক্মিণীৰ প্ৰতি বীৰ ৰজাসকলে দেখুৱা কামভাৱ এক পক্ষীয় হোৱাৰ বাবে শৃঙ্গাৰ ৰস নহৈ লঘু হাস্য ৰসতহে পৰিণত হৈছে।

সেইদৰে শিশুপাল আৰু বীৰ ৰজাসকলৰ লগত, কৃষ্ণবীৰৰ লগত হোৱা যুদ্ধত ৰসৰ সঞ্চাৰ হৈছে—

"হাতে মুঠি ধৰি ৰুক্মিকুমাৰ
কৃষ্ণক হৃদয়ে কয়ল প্ৰহাৰ"— নাটকখনত শৃঙ্গাৰ ৰসে প্ৰাধান্যতা লাভ কৰিছে। ৰুক্মিণী কৃষ্ণৰ প্ৰেমৰ বিনিময়ত শৃঙ্গাৰ ৰসৰ সৃষ্টি হৈছে—

"ঘন ঘন নয়ন পঙ্কজ মুহি হেৰি।
হেৰি কৰত কানু কেলি॥
আলিঙ্গি অঙ্গ অনঙ্গৰস ৰসিক
ৰমনীক ভুজ মেলি॥
হাসি হাসি হৰষে হৰষে মুখ পৰশি
কুচ মৰ্দ্দুৰি ফ্যাৰে কোণে
পূৰল পৰম মনোৰথ ৰমনি
মধু অধৰ মধু পানে"— এনেবোৰ বৰ্ণনা শৃঙ্গাৰ ৰসোদ্দীপ্ত। স্বৰূপাৰ্থত শৃঙ্গাৰ, বীৰ, হাস্য আদি ৰসৰ সহায়ত যাইকে ভক্তি ৰসহে অভিব্যঞ্জনা হৈছে। শুহি পৰকাৰে ভকতক কৃপালু শ্ৰীকৃষ্ণ ৰুক্মিণীৰ ভকতি বশ্য হুয়া বিবিধ বিহাৰ মদন খেল, লীলা কেলি, কৌতুক কয়ল।" কাজেই দেখা যায় অঙ্কীয়া নাটৰ নায়ক শ্ৰীকৃষ্ণ জগতৰ ঈশ্বৰ, নায়িকা ৰুক্মিণী তেওঁবেই প্ৰেমীকা ভক্ত। "সমান গুণবিশিষ্ট নায়ক-নায়িকৰ মাজত হোৱা প্ৰেম-প্ৰণয়ত হে শৃঙ্গাৰ ৰস সৃষ্টি হ'ব পাৰে"— (নাট্য সাহিত্য ডঃ সত্যেন শৰ্মা) উক্ত নাটকৰ নায়ক জগতৰ ঈশ্বৰ পৰম পুৰুষ ভজনীয় দেৱতা, নায়িকা সাধাৰণ মানৱী তেওঁবেই ভক্তা, ভক্তৰ ভগৱানৰ প্ৰতি প্ৰেম ভক্তি প্ৰেমহে। ইয়াত শৃঙ্গাৰ ৰস দেখাত আছে যেন

লাগিলেও ই ভক্তি ৰসহে— "আন যিমানেই ৰস নাথাকক কিয় কোনো এখন নাট বা কাব্যই সামগ্ৰীক ভাৱে কি ৰসৰ গভীৰতম অনুভূতি আনি দিব পাৰে সেইটোহে ঘাই কথা।" (ডঃ মুকুন্দ মাধৱ শৰ্মা) মহাকাব্য মহাভাৰতত নব ৰসৰ সঞ্চাৰ হৈছে যদিও মহাভাৰতৰ পৰিণতিলৈ লক্ষ্য কৰিয়েই সন্তৰ মহাভাৰতৰ মূলৰস শান্তৰস বুলি কোৱা হৈছে। সেই দৃষ্টিৰে ৰস বিচাৰ কৰিলে দেখা যায় গুৰুজনাৰ আটাইকেইখন নাটৰ পৰিণতিয়ে সহৃদয় দৰ্শকৰ অন্তৰত ভক্তি ভাৱহে জগাই তোলে। সেয়েহে নাটকত সঞ্চাৰিত হোৱা আটাইকেইটা ৰস ভক্তি ৰসত পৰিণত হৈছে।

কালি দমন নাটত বীৰ ৰস, করুণ ৰস আৰু বনাগ্নি পান খণ্ডত অদ্ভুত ৰসৰ সঞ্চাৰ হৈছে। এইখন নাটতো একে সূত্ৰই প্ৰযোজ্য। "এহি নন্দ নন্দন মানুষ নোহে, প্ৰচণ্ড বহ্নিক তত্তকালে মুখে পান কয়ল, এহি কি মনুষ্যক কাম? আঃ জানল জানল, যে পৰম পুৰুষ পুৰুষোত্তম সনাতন নাৰায়ণ সে ভূমিক ভাৰ হৰণ নিমিত্তে অৱতাৰ হয়ে থিক।" গতিকে দেখা যায় কালি দমন নাটত বীৰ, করুণ, অদ্ভুত ৰসৰ মাধ্যমেদি ভক্তি ৰসহে সঞ্চাৰিত হৈছে। ইষ্ট নাশ আশঙ্কাত নাগপত্নী সবৰ বিলাপত করুণ ৰস সঞ্চাৰিত হৈছে যদিও শেষত নাগপত্নী সবৰ ভক্তিত কৃষ্ণ সন্তুষ্ট হোৱাটো দেখুৱাত নাগপত্নীৰ ইষ্টনাশ আশঙ্কা দূৰিভূত হৈ স্থায়ীভাৱে শোক আঁতৰি গৈ কৃষ্ণৰ প্ৰতি ভক্তি ভাৱত আপ্লুত হোৱাত ভক্তি ৰসলৈ গতি কৰিছে।

পাৰিজাত হৰণ নাটত দেৱকাৰ্য্য সাধন কৰোতা নাৰদ দ্বাৰকালৈ আগমন ঘটিছে হাতত এপাহি পাৰিজাত, লগতে লৈ আহিছে এখনি ঘৰুৱা কন্দল। নাৰদে পাৰিজাতৰ মাহাত্ম্য বৰ্ণনাত ওচৰতে থকা ৰুক্মিণীয়ে নাৰীৰ স্বভাৱ সুলভ মোহ বশতঃ কৃষ্ণক ফুলপাহ খোজাত কৃষ্ণই "হাসি হাসি হাতে তুলি প্ৰিয়াক কোলে বৈঠাই কৌতুকে জগতক নাথে ৰুক্মিণীক মাথে পাৰিজাত পিন্ধাৱল।', ফল হ'ল বিপৰীত। নাৰদৰ টুটকীয়া কথাত সত্যভামা মূৰ্চ্ছিতা হ'ল। নাৰদে পুনৰ কৃষ্ণক সত্যভামাৰ বাতৰি দিয়াত তড়িৎ গতিৰে কৃষ্ণ আহি দেখে সত্যভামাই "ঘনে ঘনে নিশ্বাস ফোকাৰি মাটি লুটি ৰহ।" "কুসুম নাদিয়ে ভেলো তিৰী বধ ভাগি বুলি" কৃষ্ণই পাৰিজাত ফুলৰ গছজোপাকেই সত্যভামাক আনি দিবলৈ প্ৰতিজ্ঞাবদ্ধ হয়। নাৰদৰো উদ্দেশ্য সিদ্ধি হয়, দেৱতাসকলৰ উপকাৰাৰ্থে কৃষ্ণই আগতে নৰকাসুৰক বধ কৰি পাছত স্বৰ্গৰাজ্যলৈ গমন কৰিছে। নৰকাসুৰৰ লগত কৃষ্ণৰ যুদ্ধত বীৰ ৰসৰ সঞ্চাৰ হৈছে— "সমৰক লাগি বজাৱয় ঢোল।

ধৰ ধৰ মাৰ মাৰ কৰে বহু বোল॥
ধাৱে সুৰ নৰকাসুৰ ৰাগি।
খণ্ডা ফিঙ্কাৱয় কৃষ্ণক লাগি॥
................................
কোপে চক্ৰ ক্ষেপি জগন্নাথ।
কাটল দাৰুণ নৰকৰ মাথ॥

স্বৰ্গত পুনৰ পাৰিজাতৰ বাবে কৃষ্ণ ইন্দ্ৰৰ যুদ্ধ লাগিছে। ইয়াতো বীৰ ৰসৰ সঞ্চাৰ হৈছে। পাৰিজাতৰ বাবে শচী সত্যভামাৰ মাজত হোৱা বাক্ যুদ্ধখন দেখি দৰ্শকৰ মনত নিম্ন পৰ্য্যায়ৰ হাস্য ৰস অনুভূত হয়। শচী "অয়ে সত্যভামা, তোহাৰি স্বামী মাধৱক কথা হামু সব জানি। এহি গোপী বৈ টান গোপাল। উনিজৰ আগু গোকুলৰ গোপী বৈ টান গোপাল।" ... সত্যভামা— "অয়ে ইন্দ্ৰানী, স্ত্ৰী নাহি ৰহল" আদি। জগতক পৰম গুৰু হামাৰি স্বামী মাহেৰ নাম সুমৰণে মহা মহা পাপীসবো সংসাৰ নিস্তাৰ। তোহোক স্বামী ইন্দ্ৰক কথা কহিতে ঘিনেসে ওপজে।" এই খন নিতান্ত গাঁৱলীয়া তিৰোতাৰ অশ্লীল

কাজিয়া। এইখন দেখি সাধাৰণ দৰ্শকে হাঁহিব খোৰাক পালেও সহৃদয়ৰ মনত প্ৰকৃত হাস্যৰস সৃষ্টি কৰিব নোৱাৰে। অন্যহাতে নাটকৰ পৰিণতিয়ে সহৃদয়ৰ মনলৈ ভক্তিৰ ভাৱহে আনি দিয়ে। নায়ক কৃষ্ণৰ দৈত্যৰ বধ বুলি কৰা বৰ্ণনাই বীৰ, হাস্য আদি ৰস ভক্তিৰ মাধ্যমেদি প্ৰৱাহিত হোৱাত ভক্তি ৰসত পৰিণত হ'ল।

"জয় জয় পৰম পুৰুষ দেৱ দেৱা।
ব্ৰহ্মাহৰ কৰু যো পদ সেৱা ॥
সোহি নাৰায়ণ ভুৱন উদ্ধাৰি।
ভুকুতি মুকুতি নিত্য কৰতু তোহাৰি ॥

ঈশ্বৰ ভাৱাদৰ্শ নায়কৰ বৰ্ণনাই সহৃদয়ৰ মনত ভক্তি ভাৱৰহে সঞ্চাৰ কৰে।

কেলি গোপাল নাটত শৃংগাৰ, বীভৎস আদি ৰসৰ অৱতৰণ ঘটিছে। নাটকখনত শৃংগাৰ ৰসে প্ৰাধান্যতা লাভ কৰিছে।

"দেখোঁ সখি ঐচন নিকৰুণ কান
পয়োধৰ অধৰ দশন নখ হান
খসল কেশ পাশ টুটল হাৰ
ফোড়ল কাছুৱা কুচক হামাৰ
কয়ল আলিঙ্গন ঘন ঘন বাহু
যৈচে চান্দক পৰসি ৰসে ৰাহু"

কৃষ্ণৰ অন্তৰ্ধানত গোপীসকলৰ পীড়াদায়ক বিৰহ বেদনা, কৃষ্ণৰ প্ৰতি আকুল আহ্বান আদিত প্ৰেম ভক্তি ভাৱ প্ৰকট হৈছে। বিভিন্ন পৰ্য্যায়ৰ শৃঙ্গাৰৰ বৰ্ণনা কেলি গোপাল নাটত আছে যদিও নাটকৰ শেষত নাট্যকাৰে কামক জয় কৰাৰ কথাহে উল্লেখ কৰিছে "শ্ৰীকৃষ্ণ এৱম্বিধ নানা খেলনা কয় গোপী সবৰ মনোৰথ পুৰল। ওহি কামজয় কেলি গোপাল নাম নাটকম্ সম্পূৰ্ণ ভেল।" কাজেই ভগৱান কৃষ্ণৰ গোপীসকলৰ প্ৰতি দেখুৱা প্ৰেমত ভক্তি ভাৱহে প্ৰকাশ পাইছে।

"আৱত শংখচুড় উৰি বাহু
যৈছে চান্দ গৰসিতে মিলন ৰাহু"— শংখচুড়ৰ অদ্ভুত চেহেৰা দেখি "গোপীসব ভয়ে কম্পয়ে লাগিল।" শংখচুড়ৰ অদ্ভুত চেহেৰা দেখি গোপীসবৰ লগতে সহৃদয় দৰ্শকৰ মনতো বিভৎস ৰসৰ সঞ্চাৰ ঘটে। নাটৰ শেষত নাট্যকাৰে "কামক জয় কৰি" চিত্তৰ চাঞ্চল্য দূৰিকৰণৰ যোগেদি শান্ত ৰসৰ অৱতৰন ঘটাইছে। ই ভক্তি ৰসৰ মাধ্যমেদি প্ৰকাশ হোৱা শান্ত ৰস।

শঙ্কৰদেৱৰ শেষ ৰচনা ৰাম বিজয় নাটতো শৃংগাৰ, বীৰ, কৰুণ, হাস্য, ৰৌদ্ৰ আদি ৰস সৃষ্টি হৈছে। নাটকৰ আৰম্ভণিৰ ভাটি মাটিয়ে প্ৰকাশ কৰা ভাৱে সমগ্ৰ নাটকখনিক আৱৰি ধৰিছে। ৰামৰ বিজয় সূচক বীৰত্ব ব্যঞ্জক বাক্যবোৰে গোটেই নাটকখনত প্ৰভুত্ব বিস্তাৰ কৰিছে।

"হৰক শৰাসন নাশন শাসন
নৃপসৰে বান সন্ধানে
ছেদল ভেদল খেদল দাপে
তাপে পলায়ত প্ৰাণে"
...................................
ব্ৰহ্মা মহেশ্বৰ কিঙ্কৰ যাকৰ
পড়ি পড়ি কৰতু সেৱা।"

সেইজনেই ৰাম, নাটকৰ নায়ক। কাজেই জগতৰ ঈশ্বৰৰ কাৰ্য্যকলাপে আপাত দৃষ্টিত বিভিন্ন ৰসৰ অৱতৰণ ঘটালেও সহৃদয়ৰ মনত ভক্তি ভাৱহে উদ্ৰেক কৰায়। কেৱল ৰাম-বিজয় নাটৰ পৰাই কৰুণ, বীৰ, ৰৌদ্ৰ, শৃঙ্গাৰ, হাস্য আদি বিভিন্ন ৰসৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিব পাৰি। ইমানবোৰ ৰসৰ সঞ্চাৰ হৈছে যদিও পৰিণতিত ই ভক্তি ৰসহে আৱতৰণ ঘটাইছে। কব পাৰি নাট্যকাৰে সহৃদয়ক ভক্তি সৰোৱৰত অৱগাহন কৰোৱাটোৱেই আছিল মুখ্য উদ্দেশ্য।

ৰাম বিজয়ৰ নায়িকা সীতাই ৰামক স্বামী

স্বৰূপে পোৱাৰ সম্ভাৱনা নেদেখি পূৰ্ব্ব জন্মৰ দৈৱ-বাণী বিফল হ'ল বুলি সখি সৱৰ আগত কৰা বিলাপ করুণ ৰসৰ সুন্দৰ নিদৰ্শন—

বিলপতি মৈথিলি মাই ।
এ নাৰী নয়ন ঝুৰাই ।।
ঘন ঘন শ্বাস ফোকাৰত ।
তনু চেতনা নাই ।।

সয়ম্বৰৰ পন হৰধনু ৰামে ভঙ্গ কৰাৰ পাছত সভাস্থিত ৰজাসকলৰ লগত ৰাম লক্ষণৰ যুদ্ধৰ বৰ্ণনাত বীৰ ৰসৰ সঞ্চাৰ হৈছে।

আৰে নৃপসৱ ধৰি সৰ চাপ ।
কাম্পে ধৰণী পৰম প্ৰতাপ ।।
.... .... .... .... .... .... .... .... ... ....
ধাৱে ধৰি শাৰঙ্গ ৰঘুনাথ ।
তৰাসে ঋষিক কম্পয় পাৱ হাত ।।

সীতাক লাভ কৰি অযোধ্যালৈ উভতি যাওঁতে বাটতে পৰশুৰামে ৰামক আগচি ধৰি ক্ৰোধত দাঁত কামুৰি ৰামক বধ কৰিবলৈ খেদি যোৱা দৃশ্য আৰু ভীতি সঞ্চাৰ কৰা বাক্যত ৰৌদ্ৰ ৰসৰ সৃষ্টি হৈছে। "ক্ৰোধেদশন চৰ্ব্বিয়ে ৰাজাক ডজিয়ে বোলে— "অয়ে কুঠাৰ! ৰেণুকা মাতাক কণ্ঠ ছেদিতে তুহো পাৰল, আজু দশৰথ কুমাৰক প্ৰতি তেহো অতি শ্ৰান্ত ভেলি" আদি—

সম্ভোগ শৃঙ্গাৰ ৰসৰ সুন্দৰ নিদৰ্শন হৈছে মনিময় ৰত্ন মন্দিৰত ৰাম-সীতাৰ পৰম কাম কেলি—

পদ— এ কৰু ৰময়া, ৰস কেলি ।
কাঞ্চোৰ চোৰ ফোৰ কুচ চুচক,
ৰাতি কৌতুকে কৰাৱলি ।

পদ— নৱধৰ ধৰিয়ে অধৰ মধু ধঞ্চল
লোচন মুদি ৰুহু মাই
কৰত সুৰত মত্ত মাতঙ্গ গামিণী
কামিনী যামিনী মাই ।। আদি ।

ৰাম-বিজয় নাটত হাস্য ৰসৰো সুন্দৰ নিদৰ্শন আছে। সীতাৰ অতুলনীয় সৌন্দৰ্য্যত মুহিত হৈ বীৰ ৰজাসকলে সীতাৰ প্ৰতি কৰা কাতৰ উক্তিত হাস্য ৰসৰ সৃষ্টি হৈছে— "হামো তোহাৰ ... ক দাস ভেলো। হামাৰ আগে খনিক তন্তিয়ে কটাক্ষে নিৰেখি প্ৰাণ দান দেহ।" এনে বৰ্ণনাত লঘু হাস্য-ৰসৰ সৃষ্টি হৈছে। এক পক্ষীয় কামভাৱ ...দৰ্শনত শৃংগাৰ ৰস সৃষ্টি নহৈ হাস্য ৰসহে সৃষ্টি হয়।

যোগ্য সন্মানীয় ব্যক্তিৰ অযোগ্য ...াচৰণত লঘু হাস্য ৰসৰ সৃষ্টি হয়। এনে ঘটনা ঘটিছিল ৰাম সীতাৰ বিবাহ কাৰ্য্য সম্পাদন কৰিবলৈ অহা ঋষি বিশ্বামিত্ৰৰ। "মুখ চন্দ্ৰিকা কৰিতে সীতাক ভূবন মোহন ৰূপ নিৰেখি ঋষি কামে আতুৰ ভেলহ; হাতক স্ৰূৱ-স্ৰূচ খসি পৰল। শৰীৰ কম্পি মূৰুচি পৰল। তাহে দেখি শিষ্য গালৱে প্ৰবোধ বোলন।" এনে বৰ্ণনাই সহৃদয়ৰ অন্তৰত হাস্ ভাৱৰ সৃষ্টি আৰু ই হাস্য ৰসৰ সঞ্চাৰ ঘটায়।

শঙ্কৰদেৱৰ নাটক কেইখনত বিভিন্ন ৰসৰ সঞ্চাৰ হৈছে যদিও সহৃদয়ৰ মনত হৈ কেনে ধৰণৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰে বা মনত কেনে ভাৱ ওপজাই তাৰ ভেটিতহে ৰসৰ বিচাৰ্য্য। জগতৰ ঈশ্বৰ ৰামচন্দ্ৰ বা কৃষ্ণক নায়ক স্বৰূপে লৈ লিখা ভক্তি কাব্যত মানৱী নায়িকা সীতা, ৰুক্মিণী ৰাম, কৃষ্ণৰ সমপৰ্য্যায়ৰ বুলি পাঠক দৰ্শকৰ মনত প্ৰতীতি নজন্মে। কাজেই তেনে নাটকত শৃংগাৰ বা আন ৰস প্ৰয়োগত কিছু ব্যতিক্ৰম থকাটো স্বাভাৱিক। নাট্যকাৰে ক্ষেত্ৰ বিশেষে কবলৈ পাহৰি যোৱা নাই "হে প্ৰভু শ্ৰীৰাম। তোহো পৰম ঈশ্বৰ।" উক্ত কথাই সহৃদয়ৰ অন্তৰত ভক্তি ভাৱৰ সঞ্চাৰ কৰে। নাটক কেইখনৰ বিভিন্ন দৃশ্যত নায়িকাৰ মুখত নায়ক কৃষ্ণ, ৰামক পৰম পুৰুষ বুলি কৰা উক্তিয়ে নায়িকাক ভক্তাৰ শ্ৰেণীতহে ভুক্ত কৰে। ভক্তৰ

মনোৰথ পুৰাবৰ বাবে ভগৱানে যুগে যুগে অৱতীৰ্ণ হোৱাৰ উদাহৰণ নাটক সমূহত আছে। এনে চিন্তাৰ দ্বাৰাও সামাজিকে নিজক আতৰাই আনিব মোৱাৰে। সহৃদয়ৰ মনত যেনে ধৰণৰ অনুভূতি সৃষ্টি হয় তেনে ধৰণৰ ৰস আস্বাদন কৰিব পাৰে।

অলংকাৰ শাস্ত্ৰৰ মত অনুযায়ী কব পাৰি শঙ্কৰদেৱৰ নাট সমূহত ভক্তি ৰসৰ প্ৰাধান্যহে দৰ্শক বা সহৃদয়ে স্বীকাৰ কৰি লয়। আন আন ৰস থাকিলেও ভক্তিৰ মাধ্যমেদি আস্বাদিত হোৱা বাবে সমুদায় ৰস ভক্তি ৰসত পৰিণত হৈছে। মূলতে অঙ্কীয়া নাটৰ সৃষ্টি ভক্তি ধৰ্ম্ম প্ৰচাৰ উদ্দেশ্যে হোৱাৰ বাবেই ইয়াৰ ৰস ভক্তি ৰস। ● ●

সাহিত্য দৰ্পন

মাধৱদেৱৰ ৰচনাত ভক্তি ৰস সত্যেন শৰ্মা।

নাট্য সাহিত্য— সত্যেন শৰ্মা।

(উক্ত গ্ৰন্থ আৰু প্ৰবন্ধৰ সহায়ত নিবন্ধটো ৰচনা কৰা হৈছে।)

"যিজনে ধন হেৰুৱায় তেওঁ বহুত হেৰুৱায় যিজনে বন্ধু হেৰুৱায় তেওঁ আৰু বেছি হেৰুৱালে। কিন্তু যিজনে উদ্যম হেৰুৱায় তেওঁ সৰ্ব্বোচ্চ হেৰুৱায়।" (স্পেইন দেশীয় নীতি কথা)

# প্ৰবন্ধ

## ইংৰাজ কবিৰ কাব্য প্ৰতিভা
# 'পাৰ্চী বিছী শ্বেলী'

এম, খ্ৰমচুন নাহাৰ
দ্বাদশ শ্ৰেণী

পাৰ্চী বিছী শ্বেলীৰ জন্ম হয় ইংলণ্ডত, চাচেক্সৰ ফিল্ড প্লেছত, ১৭৯২ চনত। তেওঁ দেখাত অত্যন্ত সুন্দৰ আছিল। দীঘল জোপোহা চুলি, ডাঙৰ ধুনীয়া নীলা চকু আৰু কল্পনাৰ দেৱদূতৰ দৰে সুন্দৰ মুখৰ অধিকাৰী আছিল শ্বেলী। তেওঁ কোনো নিয়ম নীতিত চলা কথা-বতৰা ভাল নাপাইছিল, তেওঁৰ মন আছিল সদায়েই অশান্ত। কিন্তু অশান্ত হলেও শ্বেলীৰ অন্তৰ ফুলৰ দৰে কোমল আছিল।

শ্বেলী সকলে পৰা বিদ্ৰোহী আছিল! স্কুল কলেজত তেওঁ এই বিদ্ৰোহী ভাৱধাৰা প্ৰকাশ কৰিছিল। তেওঁ অনাচাৰ, অবিচাৰ একেবাৰেই সহ্য নকৰিছিল। শিষ্টাচাৰৰ বিষয়ে সৰুৰে পৰা বেছি সচেতন হোৱাৰ বাবেই অভদ্ৰ আচৰণৰ পৰা হাত সাৰিবলৈ তেওঁ সততে লগৰীয়াৰ পৰা আঁতৰি ফুৰিছিল।

তেওঁ যেতিয়া অক্সফ'ৰ্ড কলেজত পঢ়ি আছিল তেতিয়া তেওঁৰ বিদ্ৰোহী ভাৱধাৰাই ...হকে পোখালে। কলেজত পঢ়ি থকা অৱস্থাত তেওঁ 'হিউম' পঢ়ি 'দা নেচেচিটি অৱ এথীজম্' অৰ্থাৎ নাস্তিকতাবাদৰ প্ৰয়োজনৰ বিষয়ে লিখিলে। অক্স-ফ'ৰ্ডত হুলস্থুল লাগিল; আৰু তেতিয়াই কৰ্তৃপক্ষই শ্বেলীক কলেজৰ পৰা আঁতৰ কৰিলে। জ্ঞান লাভৰ প্ৰতি তেওঁৰ প্ৰবল ধাউতি আছিল। সেইহে ছাত্ৰ জীৱনত তেওঁ পাঠ্যপুথিতকৈ বাহিৰা কিতাপ অত্যাধিক পঢ়িছিল।

কল্পনা প্ৰৱণ শ্বেলীয়ে এদিনাখন ভনীয়েকৰ বৰ্ডিং স্কুললৈ যাওঁতে, লগ পালে ১৬ বছৰীয়া 'হেৰিয়েট ৱেষ্টব্ৰুকক। আৰু এই লগ পোৱাই গতি কৰিলে ভালপোৱালৈ। এদিন হঠাৎ শ্বেলীয়ে হেৰিয়েটক এডিনবাৰ্গলৈ লৈ গৈ বিয়া কৰালে। শ্বেলীৰ তেতিয়া বয়স আছিল মাত্ৰ ১৯ বছৰ। এইদৰে তেওঁলোকৰ সংসাৰখন সুখেৰেই গৈ থাকিল। হেৰিয়ট দুটি সন্তানৰ মাতৃ হ'ল। কিন্তু এদিন তেওঁলোকৰ জীৱনলৈ এজাক ধুমুহা আহিল, আৰু এই ধুমুহাই ভাঙি নিলে তেওঁলোকৰ সুখৰ সংসাৰ-খন। ১৮১৪ চনত শ্বেলী আৰু হেৰিয়েটৰ মাজত বিবাহ বিচ্ছেদ হ'ল।

এইবাৰ শ্বেলীয়ে লগ পালে দাৰ্শনিক উপন্যাসিক গড্উইনক। তেওঁ গড্উইনৰ সাম্য-মৈত্ৰী আৰু নৈৰাজ্যবাদৰ ভাৱধাৰাত মুগ্ধ হৈছিল ইয়াৰ উপৰি তেওঁক মুগ্ধ কৰাইছিল গড্উইনৰ জীয়ৰী 'মেৰী গড্উইনে'। এইদৰে শ্বেলী আৰু মেৰী গড্উইনৰ মাজত সম্বন্ধ গঢ়ি উঠাত দুয়ো চুইজাৰলেণ্ডলৈ গুছি গ'ল আৰু তাতে বিয়া পাতিলে। ইফালে হেৰিয়েট ৱেষ্টব্ৰুকে এই খবৰ পাই আত্মহত্যা

কৰে। শ্যেলী গ'ল এইবাৰ ৰোমলৈ। তাত তেওঁ চাৰিবছৰ কটোৱাৰ পাছত তেওঁ লগ পালে লণ্ডন এৰি যোৱা বায়ৰণক।

বড় ছবৰ্থৰ, ওপৰত 'বায়ৰণৰ' প্ৰভাৱ পৰাৰ দৰে শ্যেলীৰ ওপৰতো ফৰাছী বিপ্লৱৰ প্ৰভাৱ পৰিছিল। শ্যেলীক মানুহৰ মুক্তিৰ বাবে বিপ্লৱৰ জয়গান গাওঁতে দেখা পাইছিল, সমাজত অবিচাৰ অনাচাৰ, ধৰ্মৰ নামত অন্ধ গোড়ামি ইত্যাদি। তেওঁৰ কাব্যিক চিন্তাধাৰাৰ মাজত প্ৰকাশ পাইছিল মানুহৰ মঙ্গল কামনা। শ্যেলীৰ লিখনীত প্ৰকাশ পালে— 'দ্য ৰিভল্ট অৱ ইছলাম, প্ৰমিথিয়াচ আনবাউণ্ড, কুইন মেব, অ'ড-টু-লিবাৰ্টি, অ'ড-টু-নেপোলচ' ইত্যাদি কবিতা তেওঁ প্ৰতিবাদৰ সুৰ দি শুনাইছিল।

তেওঁৰ 'কুইন মেব'ত আদৰ্শবাদৰ অনুপ্ৰেৰণা আছিল। তেওঁ ১৮ বছৰ বয়সতে 'কুইন মেব' আৰম্ভ কৰি ২ বছৰৰ ভিতৰত শেষ কৰে। 'কুইন মেব'ত প্ৰকাশ পোৱা মতে 'মেব' এগৰাকী পৰীৰাণী। তেওঁ এক কুমাৰী ছোৱালীৰ টোপনিত, আত্মাক সৌৰজগতৰ বহিৰ্ভূত মহাকাশলৈ স্বৰ্গীয় ৰথত লৈ গৈ শুনালে পৃথিৱীৰ দুখৰ কাহিনী পৰীয়ে কুমাৰী ছোৱালীক কলে,— "মানুহে পৃথিৱীত নানান কষ্ট ভোগে, দুখ পায়, ইয়াৰ কাৰণ হল মানুহৰ স্বাৰ্থপৰতা। আনক সুখী কৰিবলৈ শিকিব লাগে; চোৱাচোন অতীত দূৰৰ পৃথিৱীত কিমান যুদ্ধ কিমান সংঘৰ্ষ, অতীত কীৰ্তিৰ কত ধ্বংসৱাশেষ। প্ৰভুত্ব স্পৃহা শেষ হওক, নতুন যুগ আহিব।"

কবি স্বৰূপে শ্যেলীৰ প্ৰকৃত পৰিচয় পোৱা যায় গীতিকবি ৰূপে। সমালোচক সকলে তেওঁকেই সৰ্ব্বশ্ৰেষ্ঠ গীতিকবি হিচাপে অভিহিত কৰিছে। চুইনবাৰ্ণে, শ্যেলীক গীতিকবি বুলি বৰ্ণনা কৰি কৈছে, "গায়ক সকলৰ ভিতৰত তেওঁ অকলশৰীয়া, তেওঁ নিখুঁত গায়ক দেৱতা।" (He stands alone among singers and he is the perfect singing God.) শ্যেলীৰ গীতি কবিতা স্বতঃস্ফূৰ্ত আৰু সাংগীতিক লয় প্ৰধান। অধ্যাপক এল্‌টনে কৈছে, "শ্যেলীৰ প্ৰতিভা প্ৰকাশ পাইছিল গীতি কবি হিচাপে, ইংৰাজী কবিতাৰ বিসকল গীতি কবি হিচাপে খ্যাতি থকা কবি, শ্যেলী তাৰ ভিতৰত এজন— তেওঁৰ গীতি কবিতাৰ আবেগ, অনুভূতি অগীতি কবিতাতো দ'কৈ সোমাই পৰিছে তেহেলৈ সেইবিলাক ছবি প্ৰধান কবিতা, মহাকাব্য নাইবা কাব্য নাটকেই হওক।"

শ্যেলীৰ গীতি কবিতাবিলাক সাধাৰণতে বিষাদ পূৰ্ণ আৰু আত্ম জীৱনৰ কথাৰে সমৃদ্ধ। এই গীতি কবিতাৰ মাজেৰে তেওঁৰ নিজা জীৱন মৃত্যুৰ দৰ্শনো অন্তৰ্নিহিত আছে। শ্যেলীৰ গভীৰ তন্ময়তাৰ মাজত মানৱ জাতিৰ কল্পনাৰ ভৱিষ্যতৰ আশা নিহিত আছে। ৰাটৰ মতে,— "He is the poet of glorious future, possessed by vision of intellectual beauty." শ্যেলীৰ গীতি কবিতা আলোচনা কৰি এছ, এ, চাইমণ্ডছে কৈছে— "তেওঁৰ সমসাময়িক সৰ্বশ্ৰেষ্ঠ কবি কোনো ইমান কাব্যিক প্ৰতিভাৰ নাছিল। তেওঁ আছিল আমাৰ যুগৰ আটাইতকৈ মহৎ কবি শ্যেলীৰ গীতি কবিতা বিলাকৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য— হল 'স্কাইলাৰ্ক', 'অ'ড টু ৱেষ্ট উইণ্ড', দি চেনজিটিভ প্লেণ্ট' আৰু— ক্লেমেট। শ্যেলীৰ অন্যতম চৰিত্ৰকাৰ 'আন্দ্ৰে মৰোৱাই' তেওঁক পোহৰৰ দূত বুলি অভিহিত কৰিছে। ভাৱৰ তন্ময়তাৰ তেওঁৰ মন হয় গগন বিহাৰী, তাত যেন বাস্তৱৰ কোনো সত্বা নাই, মাটিত খোজ দি নুফুৰি শূণ্যত উৰি ফুৰে। শ্যেলীৰ সম্পৰ্কে প্ৰকাশ পোৱা এই ভাৱধাৰা নিহিত হৈছে 'স্কাইলাৰ্ক'ত। ঘন-ঘনকৈ ডেউকা কোবাই চকুৰে নেদেখা আকাশৰ কোনোবা-খিনিত স্কাইলাৰ্ক পখীটিয়ে গান গায়। দিনত সূৰ্য্যৰ পোহৰত আকাশী তৰা নেদেখাৰ দৰে স্কাইলাৰ্ক পখীটি কবিয়ে দেখা নাই; কিন্তু মধুৰ সঙ্গীত দূৰ-দূৰণীৰ

পৰাই শুনিছে—

Like a star of Heaven,
In the Broad daylight
Thou art unseen, but yet I hear
thy shrill delight.

বেদনাক্লিষ্ট মনৰ কবিয়ে তেওঁ নিজৰ প্ৰাণৰে সৈতে পছোৱা বতাহৰ প্ৰাণ একাকাৰ কৰিবলৈ বিচাৰিছে। তেওঁ বতাহক অনুৰোধ কৰিছে যাতে তেওঁৰ মৃত ভাৱবোৰ শুকান পাতৰ দৰে আঁতৰাই পেলাই বিশ্বত নতুন জীৱনৰ সঞ্চাৰ কৰে—

Drike my dead thoughts over the universe
Like ulithered leves to quicken a new birth.

শুই থকা পৃথিৱীৰ মানৱ জাতিৰ মাজলৈ তেওঁৰ মুখেদি জাগৰণৰ বাণী সঞ্চাৰিত হওক এয়ে তেওঁৰ আশা। তেওঁ অনুভৱ কৰে শীত আহিলে বসন্তলৈ বেছি দিন নাথাকে—

If winter comes can spring be far behind?

কম্পটন্ ৰিকেট্টে কৈছে, "ব্যক্তিগত ভাৱ-ধাৰাৰ পৰা কবিতাটি সাৰ্বজনীনতাৰ স্তৰলৈ আগ-বাঢ়িছে। পুৰণি পৃথিৱী নিশ্চয় যাব লাগিব, অৰ্জৰিত মানৱ জাতিৰ বাবে সতেজ, মধুৰ প্ৰতিশ্ৰুতিৰ পৰি-পূৰ্ণ হৈ বসন্ত কালৰ লগে লগে এখন নতুন পৃথিৱী আহিব লাগিব।

এছ. এ. ব্ৰুকে শেলীৰ প্ৰকৃতি প্ৰীতিৰ কথা উল্লেখ কৰি কৈছে,— "এটা খণ্ড বাক্য নাই, এটা শব্দ নাই, যিটোৱে প্ৰাকৃতিক ঘটনা উজ্জ্বল কৰি তোলা নাই।" (There is not one phrase or word which does illuminate natural fact)

শেলীয়ে বিশ্বাস কৰিছিল যে প্ৰেমৰ উদ্দীপনা প্ৰকৃতিৰ সকলোৰে মাজত বিভক্ত আৰু নিঃশেষ নোহোৱাকৈ থাকে, তেওঁ 'হিমন্ টু এচিয়াৰ' আৰম্ভণিতে—

Life of my life thy lips enkindle

এই বিশ্বাসকে প্ৰকাশ কৰিব খুজিছে, প্ৰকৃতিৰ মাজত মিলনৰ ভাব কেনেদৰে প্ৰকাশ পাইছে তাক দেখুৱাইছে 'লাভ ফিল'ছফি' কবিতাত—

See the mountain kiss high Heaven
And the waves clasp one another,
No Sister flower would be fargiven
If it disdained its brother.

শেলীয়ে এই বিশ্বাসৰ ভাব আনিছে প্লেটোৰ পৰা। প্লেটোৱেও বিশ্বাস কৰিছিল যে প্ৰেমেই বিশ্বব্ৰহ্মাণ্ডৰ আত্মা। শেলীয়ে প্ৰকৃতিৰ মাজত প্ৰেম আৰু সহানু-ভূতিকহে বিচাৰি পাইছিল।

শেলীয়ে জীৱনৰ প্ৰথমাৱস্থাত যিবোৰ প্ৰকৃতি বিষয়ক কবিতা লিখিছিল সেইবিলাকত তেওঁ দেখুৱা-বলৈ চেষ্টা কৰিছে যে প্ৰেমৰ ক্ষেত্ৰত মানুহৰ যি স্বাৰ্থপৰতা আছে, যি কাৰ্পণ্য আছে, প্ৰকৃতিৰ সেয়া নাই, প্ৰকৃতি উদাৰ, এই উদাৰ প্ৰকৃতিয়ে মানুহক, মানুহৰ দৰে প্ৰতাৰণা নকৰে, সহানুভূতিৰে আনে।

শেলীয়ে দাৰ্শনিক চিন্তাধাৰা নিহিত কৰি কৈছে যে বৈচিত্ৰ্যৰ মাজত অসীম সৰ্বব্যাপ্ত শক্তি চিৰন্তন। সেয়েহে তেওঁ লিখিছে—

To one remains, the many change and pass;
Haeven's light farever shines, Earth's shadows fly,
Life, like a dome of many coloured glass,
Stains the white radiance of eternity,
Until Death tramples it to fragments.

শেলীয়ে বিশ্বাস কৰিছে যে অনন্ত আত্মা অমৰণ, অভংগন; অন্যান্য পাৰ্থিৱ বস্তু কিন্তু ক্ষণস্থায়ী।

জীৱনটো হ'ল নানান ৰঙৰ গম্বুজৰ ভিতৰত থকা চাকি, গম্বুজ ভাঙি দিলে চাকিৰ পোহৰত বিলীন হৈ যায়।

কবিতা সৃষ্টিৰ ক্ষমতাৰ ক্ষেত্ৰত শ্যেলীয়ে প্লেটোৰ ভাৱধাৰাকে গ্ৰহণ কৰিছে। প্লেটোৱে কৈছিল যে কবিতা সৃষ্টি হয় অন্ত দৃষ্টি আৰু প্ৰেৰণাৰ দ্বাৰা। শ্যেলীয়ে 'ডিফেন্স অৱ পয়েট্ৰি'ত কবিতাৰ সংজ্ঞা এইদৰে দিছে "কবিতা হল আটাইতকৈ সুখী মনৰ উৎকৃষ্ট আৰু আনন্দময় মুহূৰ্ত্তৰ নথিপত্ৰ।"

শ্যেলীৰ মতে মানুহক সৎ কৰিবলৈ গৈ কবি হিচাবে উপদেশ দান দিয়া উচিত নহয়। কিন্তু তেওঁ বিশ্বাস কৰিছিল যে কবিতাই মানুহৰ নৈতিক উন্নতি সাধন কৰে। তেওঁৰ মতে, কবিতা স্বৰ্গীয় আৰু লগতে ই জ্ঞানৰ কেন্দ্ৰ আৰু পৰিধিও। কবিতাৰ সহযোগী হ'ল আনন্দ। তেওঁৰ মতে, মহৎ কবিতা হ'ল আনন্দ আৰু জ্ঞানৰ চিৰন্তন ধাপত পাৰ ওপচা নিজৰা।

মুঠৰ ওপৰত কবলৈ গলে, ইংৰাজী সাহিত্যত শ্যেলীয়ে এক পাহৰিব নোৱাৰা অৱদান আগবঢ়াই ইংৰাজী সাহিত্যক চহকী কৰি থৈ গৈছে। তাৰোপৰি তেওঁৰ সৃষ্টিক সমালোচনাৰে থকা-সৰকা কৰা সমালোচকৰো অভাৱ নাছিল। মেথিউ আৰ্ণল্ডে শ্যেলীক সুন্দৰ দেৱদূত বুলি কৈছে আৰু লগতে কৈছে যে তেওঁ নিষ্ফল দেৱদূত। তেওঁৰ উজ্জ্বল পাখি শূন্যত বৃথাই কোবাইছে। কুইলাৰ কাউচে কিন্তু তাৰ প্ৰতিবাদ কৰি কৈছিল যে 'নিষ্ফল' শব্দটো শ্যেলীৰ ক্ষেত্ৰত মিছাই ব্যৱহাৰ কৰা হৈছে। তেওঁৰ মতে আৰ্ণল্ডৰ দৃষ্টি-ভঙ্গীৰ সলনি কৰি এইদৰে কব পাৰি "শ্যেলী এজন কাব্যিক দেৱদূত যি নৈতিক উচ্চতালৈ উজ্জ্বল পাখিৰে উৰা মাৰিছে।" নৈতিকতাৰ উচ্চলৈ উজ্জ্বল পাখিৰে উৰামৰা কাব্যিক দেৱদূত, যাৰ কাব্যৰ ধাৰা চিৰ নতুন। প্ৰতিভা যাৰ অদ্বিতীয়, কাব্যিক বিষয়বস্তু যাৰ চিৰ সেউজীয়া, সেই শ্যেলী ত্ৰিশ বছৰ বয়সত সচাঁই দেৱদূত হৈ গ'ল।

অতি দুখৰ বিষয়, ১৮২২ চনৰ গ্ৰীষ্মকালত লেহাট আৰু তেওঁৰ পৰিবাৰক আদৰিবলৈ তেওঁ গৈছিল পিচালৈ। এখন সৰু নাৱঁত লেফৰি পৰা উভতি আহোতে বন্ধু বৰ্গৰ চকুৰ আগতে এচাতি কাল ধুমুহাই তেওঁৰ নাওখন বুৰাই পেলালে, লগে লগে সলিল সমাধি হল তেওঁৰ জীৱনৰো। কিছু-দিনৰ পিছত যেতিয়া সাগৰৰ ঢৌৱে আনি শ্যেলীৰ মৃতদেহ পাৰত তুলিলেহি তেতিয়া সাগৰৰ পাৰতে তেওঁক লেহাট, বাইৰণ আদিৰ উপস্থিতিত দাহ কৰা হ'ল। জুইৰ মাজৰ পৰা তেওঁৰ কলিজাখন আনি এবছৰৰ আগতে মৃত্যু হোৱা কীট্‌ছৰ সমাধি ভূমিৰ কাষতে কবৰ দিয়া হ'ল। কবৰৰ কাষতে পাথৰত লিখা হল—

—'car-coridium'— অৰ্থাৎ পৃথিৱীৰ সৰ্বশ্ৰেষ্ট হৃদয়॥ ●

( আন কিতাপৰ সহায় লৈ লিখা হৈছে )

# —দেউৰী সমাজত বিবাহ—

শ্ৰীসুৱন্তী দেউৰী

আধ্যাত্মিক ভাৱে আত্মা আৰু দেহৰ পৰিপূৰ্ণ আৰু পৱিত্ৰ মিলনৰ নামেই বিবাহ। যি সমাজ ব্যৱস্থা অনুসৰি নিজৰ ছোৱালী আন ঘৰলৈ উলিয়াই দিয়া আৰু আন এঘৰৰ পৰা নিজৰ ল'ৰালৈ ছোৱালী অনাকে বিবাহ বোলে। ঐহিক আৰু পাৰলৌকিক উদ্দেশ্যত পুত্ৰ পিণ্ডৰ অৰ্থে ভাৰ্য্যা বিয়া কৰোৱা হয়। ই জন্ম জন্মান্তৰৰ কাৰণে বান্ধোন। সনাতন সংস্কাৰ। সামাজিক প্ৰথাসমূহৰ ভিতৰত বিবাহ সংস্কাৰেই ডাঙৰ। বিবাহ প্ৰথা ধৰ্ম্মৰ লগত সম্পৰ্ক থকা দেখা যায়। গতিকে এই অনুষ্ঠান অতি পৱিত্ৰ। ইয়াৰ লগত জড়িত থকা গীত মাতো সেইদৰে শাস্ত্ৰীয় বা ধৰ্ম্মীয় সঙ্গতিবিশিষ্ট।

দেউৰী সমাজৰ বিয়া বেদ বিহিত নহলেও বিয়াৰ ইতিবৃত্ত কোৱা বিধি বিধান আছে। হিন্দু শাস্ত্ৰৰ মতে যি কোনো মাহত বিয়া নাপাতে। সামাজিক প্ৰথাৰেই সামূহিক ভাৱে এই মাঙ্গলিক কাৰ্য্য সম্পাদন কৰি অহা হৈছে। দেউৰী সমাজত বাল্য বিবাহ প্ৰচলন নাই। বয়স অনুসৰি উভয় পক্ষৰ সন্মতি লৈহে বিয়া পতা হয়। অৱশ্যে প্ৰথম গৰাকী মৃত্যু হলে আন এগৰাকীৰ লগত বিবাহ হব পাৰে। গন্ধৰ্ব্ব বিবাহ বা ছোৱালী পলুৱাই নি বিয়া কৰোৱা প্ৰথাও আছে। এইদৰে বিয়া উৎসৱ নপতাকৈ কোনোবাই ইচ্ছা কৰিলে দুই-তিনি গৰাকী আনিব পাৰে। স্বামীৰ মৃত্যুৰ পিছত ইচ্ছা কৰিলেও অন্য স্বামী বৰণ কৰিব পাৰে।

দেউৰী সমাজত তিনি প্ৰকাৰ বিয়া প্ৰচলিত। বৰ বিয়া, মাজু বিয়া, আৰু সৰু বিয়া। বৰ বিয়াত যিমান খৰচ হয়, তাৰ আধা মাজু বিয়াত আৰু ইয়াৰ আধা সৰু বিয়াত খৰচ হয়। গৃহস্থৰ অৱস্থানুযায়ী বিয়াবোৰ পাতিব পাৰে। কাচিতহে বৰ বিয়া পতা দেখা যায়। প্ৰত্যেকখন বিয়াৰ পদ্ধতি বেলেগ বেলেগ।

দেউৰী সমাজত একে কুলোদ্ভৱ বংশ পৰিয়াল নাইবা তেজ মঙহৰ সম্বন্ধৰ বান্ধনিত আৰু মিতিৰ কুটুম্বৰ ভিতৰত বৈবাহিক সমন্ধ ঘটাব নোৱাৰে। এই ক্ষেত্ৰত তেওঁবিলাক বৰ সচেতন। এজন বৰ দেউৰী বংশৰ যুৱকে এজনী বৰদেউৰী বংশৰ যুৱতী সাত পুৰুষ আঁতৰ হলেও বিয়া কৰাব নোৱাৰে। এনে বিয়া হলেও কদাপি সমাজ ভুক্ত হব নোৱাৰে। পিতৃ-মাতৃ ভাগৰ ভিতৰতো বৈবাহিক সম্বন্ধ ঘটিব নোৱাৰে। বাপেকৰ বায়েক, ভনীয়েক আৰু মাকৰ ককাই-ভাই, বাইভনীৰ পুতেক জীয়েকৰ সৈতে বিয়া হব নোৱাৰে। কিন্তু মন কৰিব লগীয়া যে মোমায়েক সমন্ধীয় পুতেক জীয়েকৰ লগতহে সদায় বিয়া হব পাৰে। এই প্ৰথা অতি পৌৰাণিক। বংশ, গোত্ৰ আৰু সম্বন্ধ বিচাৰ নকৰাকৈ বৈবাহিক সম্বন্ধ পাতিব নোৱাৰে। ডেকা-গাভৰুৰ মন মিলিলে কিম্বা বিবাহৰ কথা ৰতবা হলে নাইবা দুয়ো পক্ষই সন্মত হলে ছোৱালী খোজা বতা কৰে। তাৰ পাছতহে বিয়া পাতে।

বৰ পক্ষই উপঢৌকন হিচাপে তামোল পাণৰ শৰাই এখনেৰে সৈতে সাজবস্তু অলপ লৈ কেইজন মান বিশ্বাসী লোকৰ সৈতে ছোৱালী খুজিবলৈ যায়। প্ৰতিপক্ষক অমুকৰ পুতেক অমুকালৈ অমুকৰ জীয়েক আমুকীক খুজিবলৈ আহিছে বুলি শৰাই পেলাব আৰু প্ৰতিশ্ৰুতিৰে প্ৰস্তাৱ কৰিব। ছোৱালী পক্ষই মান্তি হলে ৰীতি মতে মদ বাকি সেই কাৰ্য্য সমাপন কৰা হয়। ইয়াকে ছোৱালী খোজা বঢ়া কৰা বুলি কয়। কিন্তু ছোৱালীলৈ ল'ৰা খোজা দেউৰীসকলৰ ৰীতি নহয়। বহাগ মাহত ছোৱালী ঘৰক তামোল পাণৰ শৰাই এখন, একলহ মদ, ডেমহীয়া কুকুৰা এজনী, চাউল, লোণ, তেল, মাহ-মছলা প্ৰভৃতিৰে দুজন মানুহ কেইগৰাকীমান গাভৰু ছোৱালী লগত লৈ উপঢৌকন দিয়া হয়। এই প্ৰথাক "ভোজা দিয়া" বুলি কোৱা হয়।

বিয়ালৈ কুৰিদিন মান থাকোতেই দুয়োপক্ষৰ ঘৰত বিয়া পতাৰ আয়োজন বৰ ধুম-ধামকৈ চলে। এঘৰৰ বিয়া সবাহত গোটেই গাঁওৰ সহায় সহযোগ আৰু আনন্দ প্ৰকৃত সামাজিক প্ৰীতিৰ বিশিষ্ট লক্ষণ। আগতে উল্লেখ কৰি অহা মতে বিয়া ভেদে বিয়ালৈ মতা পাৰ্থক্য আছে। বৰ বিয়াত পাৰ্ব্বৰ বা গোটে জাতিৰ অবাল বৃদ্ধলৈকে নাৰী পুৰুষ নিৰ্বিশেষে কাকো বাদ নিদিয়াকৈ সকলোকে গুৱা পাণেৰে যথা ৰীতিমতে নিমন্ত্ৰণ কৰা নিয়ম আছে। এই বিয়াত গৰ্ভস্থ সন্তানকো বিয়াৰ মাননি গুৱা পাণ দিয়া প্ৰথা আছে। থিক আন দুখন বিয়াতো তামোল পাণৰ টোপোলা দি বিয়া মতা আৰু মান ধৰা হয়। এই বিয়ালৈ গৃহস্থই শক্তি অনুসৰিহে মাতে।

বিয়াৰ সকলো কাৰ্য্য সুচাৰুৰূপে সম্পন্ন কৰিবলৈ সাময়িক বিষয়া পাতি লোৱা হয়। পুৰুষ স্ত্ৰী উভয় বিষয়াই নিজৰ নিজৰ বিষয়বাব অনুযায়ী বৰ কইনা দুয়োপক্ষৰ হৈ যাৱতীয় কামৰ ভাৰ আৰু দায়িত্ব লয়। জোৰীয়া নাইবা পিতৃ-মাতৃ জীৱিত থকা "ভকুণ" মানুহকে বিয়াৰ বিষয়ববীয়া লোৱা ৰীতি। তেওঁলোক হৈছে— কাকতী, পাঠৰীয়া, দৰা কইনাৰ পাতি লোৱা মাক বাপেক আৰু সখিয়েকদ্বয়। অবিবাহিত আৰু সগোত্ৰী যুৱক যুৱতীকহে সখিয়ে বা দৰা কইনা ধৰা লোৱা হয়। এওঁলোকক দৰা কইনাৰ তদ্ৰুপে সজোৱা হয়। দেউৰী লোকৰ মতে পুতেক জীয়েকহঁতৰ বিয়াৰ দিনাখন উভয় পক্ষৰ পিতৃ-মাতৃসকলে স্বয়ং কোনো কাৰো ঘৰলৈ যাব নাপায়। ওপৰত উল্লেখ কৰা বিষয়ববীয়া সকলৰ সৰাতকৈ সম্ভ্ৰমৰ আৰু দায়িত্বশীল বিষয়া হ'ল পাঠৰীয়া। তেওঁৰ নেতৃত্বত বিয়াৰ কাম পৰিচালিত হয়। দৰাৰে সৈতে পাঠৰীয়াই কইনা ঘৰত উপস্থিত হোৱা মাত্ৰকে আগৰে পৰাই যতনাই থোৱা তামুলীপীৰাত বহুৱাবলৈ কইনা ঘৰীয়া পাঠৰীয়াই আগবঢ়াই নিয়ে। পীৰা যেয়ে দিয়ক তাত হানি নাই। কিন্তু তেওঁ ভৰণ আৰু মাইকী মানুহ হব লাগিব। আসন গ্ৰহণ কৰা পূৰ্ব্বে পীৰাখন লুটিয়াই দিয়া হয়। আৰু দিওঁতাই প্ৰশ্ন কৰিব।

"ধীৰ কৰি পীৰা চিৎকৰি দিওঁ,
বহ যদি বহ, নবহ যদি পীৰাৰ উৎপত্তিক'।

পাঠৰীয়াই যদি এই পীৰাৰ শুদ্ধ উত্তৰ দিব নোৱাৰে। তেতিয়া ৰীতি মতে তামোল-পাণৰ শৰাই এখন ভৰিব লাগে।

বিয়ালৈ সাদিনমান থকাৰ পৰাই কইনা ৰখা হয়। গাভৰুহঁতক সেই উদ্দেশ্য গুৱা পাণ দি নিমন্ত্ৰণ কৰি অনা হয়। কইনা উলিয়াই নিদিয়ালৈকে সিহঁত তাইৰ লগত দিন-ৰাতি থাকে। গৃহস্থই ছোৱালীহঁতৰ থকা-খোৱাৰ সকলো দায়িত্ব মৰ পাতি লয়। সেই কেইটা দিনত মিত্ৰ-কুটুমে

কইনাক য়াতি নি কইনাক ভাত খুৱায়।

বিয়াত দৰা-কইনা গা ধুৱাবলৈ পানীতোলা, বেইৰ তলত নোওৱা-ধুউৱা কৰা নিয়ম হিন্দু সমাজৰ দৰেই। বিয়াৰ দিনাখন পুৱাতে দৰা-কইনা গা ধুৱাবলৈ আয়তীসকলে নৈ, পুখুৰী আদিৰ পৰা পানী তুলি আনেগৈ। তেতিয়া ঢোল, খোল বাদ্য বজাই আগবঢ়াই অনা নিয়া কৰা হয়। এৰা ছোৱালীৰ হতুৱাই পানী তুলি আনে। তেতিয়া পানী তোলা নাম গাই উৰুলি দিয়া হয়।

ৰাম ৰাম পানী তুলিবলৈ
ৰাম ৰাম ওলাইছে ৰুক্মিণী
ৰাম ৰাম ৰূপতে ধূপ লগাই হে ৰাম ৰাম

আয়তিসকলে নোওৱা ধুউৱাৰ পাছত নোৱণি কোঠালীত নি সখিয়েকহঁতে কইনাক শুৱনীকৈ সজায়। বিবিধ সোণ-ৰূপৰ অলঙ্কাৰ পিন্ধায়। সখিয়েকসকলে সকলো পিন্ধাই সজাই-পৰাই কপালত ফেঁটি দিলেও সিৰত সেন্দুৰ নিদিয়ে। দৰাইহে কইনাক শিৰত সেন্দুৰ দিয়া নিয়ম আছে।

দৰাক নোৱাই-ধোৱাই, পিন্ধাই-উৰাই বিষয়-ববীয়াৰ সৈতে কইনা ঘৰলৈ পঠোৱা হয়। জ্ঞাতি গুৰুসকলে দৰাক শুভ কামনাৰে আগবঢ়াই দিয়ে। বিয়াৰ নিশা কইনাৰ ঘৰত ভোজ দিয়া বহু নিয়ম কানুন আছে। ইয়াৰ আটাইতকৈ উল্লেখনীয় বিষয় কইনাক দৰা গোত্ৰলৈ সম্প্ৰদান কৰা। দৰা-কইনাই ৰাইজৰ আগত সেৱা কৰে আৰু ৰাইজৰ হৰিধ্বনিয়ে আকাশ পাতাল মুখৰিত কৰি তোলে। লগে লগে হিলৈ মৰা হয়। কইনা সম্প্ৰদান কাৰ্য্য সমজুৱা ভাৱে সমাপন হোৱাৰ পিছত দৰা-কইনাক এটা কোঠালিলৈ নিয়া হয়, আৰু কিছু বুজনি দিয়ে। দৰাৰ সৈতে কইনাই দৰা ঘৰলৈ যাবলৈ ওলোৱা সময়খিনি অতি বেদনাদায়ক। এই সময়ত হেনো স্বৰ্গৰ দেৱ-দেৱীয়েও চকুলো টোকে। দৰা ঘৰত কইনাক দৰাই হাতত ধৰি ভিতৰলৈ নৈ যায়। ভিতৰত সজাই থোৱা এপাচি চাউল আৰু দুটা যুৰীয়া কলহৰ ওপৰত থোৱা ৰূপ, সোণ স্পৰ্শ কৰিবলৈ দিয়া হয়। পিছ দিনা এটা ডাঙৰ গা... কৰিবলৈ দিয়া হয়। আৰু বহু দিনৰ পৰা বনাই থোৱা ...দ ...দিৰে ৰাইজক সন্তোষেৰে প্ৰসাদ খুৱাই ... ৰাইজৰ আগত দৰা-কইনাই সেৱা কৰে। ইয়াৰ উপৰিও কইনাই ৰাইজৰ পাতে পাতে ভাত অলপ অলপ দিয়াৰ পাছতহে বাকী ৰান্ধনীসকলে পাতত ভাত দিব পাৰিব।

দেউৰী সকলৰ বিবাহিতা পুৰুষৰ কুললৈ প্ৰৱৰ্ত্তিত কৰিব পৰা এনে কিছুমান ৰীতি প্ৰচলিত আছে। যিবোৰ কোটিকালৰ পৰা আজিলৈকে সমাজ ব্যৱস্থাৰ বিধি বিধানেদি সৰকি পৰিবৰ্দ্ধিত হৈ আহিছে। ইয়াকে ছোৱালী মেলোৱা বা মেল্লনি কৰা নাইবা গোত্ৰচ্ছেদ কৰা বুলি কয়। বিবাহৰ পিছত তিৰোতাই স্বামীৰ কুল পায় যদিও এই কাৰ্য্য সমাপন নকৰিলে স্ত্ৰীয়ে আজীৱন বিবাহিতা হৈয়ো পুৰুষৰ কুল পাব নোৱাৰে।

দেউৰী সকলে বিয়াৰ সাদিনৰ পিছত কইনাৰ ঘৰলৈ আহে। ইয়াক ঘৰ উঠা বা সাত মঙলা বোলে। প্ৰত্যেক নৱ-দম্পতীয়ে সাত মঙলাৰ আনন্দ মধুৰ দিনটি উপভোগ কৰে। তাৰ পিছত সাংসাৰিক জীৱনৰ পাতনি মেলে। এইদৰে দেউৰী সকলে বিবাহ কাৰ্য্য সম্পাদন কৰে। কিন্তু সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে ইয়াৰ বহু ৰীতি নিয়মো পৰিবৰ্ত্তন হোৱাটো স্বাভাৱিক। তথাপিতো এই নীতি নিয়মৰ জীয়াই ৰাখিবলৈ দেউৰী সকল বহু আগ্ৰহী। এই যুগ পৰিবৰ্ত্তনৰ দিনত মানৱতাৰ মূল মন্ত্ৰেৰে নিজৰ ওপৰত আস্থা, আত্মবিশ্বাস, ধৈৰ্য্য, সাহস আৰু স্বমৰ্য্যাদা অক্ষুণ্ণ ৰাখি দৃঢ় সংকল্পলৈ তৰুণ ডেকা গাভৰুৰ দ'ল আগবাঢ়ি যাব লাগিব। বৰ্ত্তমান প্ৰগতিশীল অসমৰ বুকুতে দেউৰী সমাজো প্ৰগতিৰ পথ দি বাট বুলিছে যেতিয়া উন্নতি অনিবাৰ্য্য। ●

(শ্ৰীভদ্ৰকধৰ দেউৰীদেৱৰ দেউৰী সংস্কৃতি কিতাপৰ সহায়ত)

# কবিতাৰ কাকলি—



★ পোহৰত মুখ থোৱা ঃ তোমাৰ সুন্দৰ মুখ
তেজৰ উজ্বলতা ;
চকুৰ মণিত জ্বলক ৰহস্যময় ৰ'দৰ কথকতা
গৰ্ভৱতী মাটিৰ এডিঙি ৰ'দত হাত থৈ
উমান ললো ঃ কত পানী
কত শস্যৰ সুঘ্ৰাণ
অনাগত দিনৰ অনুচ্চাৰিত বিস্ময় বাণী ঃ

হীৰেণ ভট্টাচাৰ্য্য

★ কবিতা মূলতঃ স্বাধীন, স্মৃতি তাৰ সুগন্ধি পখিলা !

# পৰিবৰ্ত্তন

অধ্যাপক. দ্ৰোণ কলিতা
অসমীয়া বিভাগ



কাতিৰ কুঁৱলিৰ বাট
শেৱালি ফুলবোৰ
এপাহ, এপাহকৈ মাটিত পৰি থাকি
সোণপাহিৰ মনৰ ভাৱবোৰৰ
বুৰ্‌বুৰণি তুলিলে ।

আঘোনৰ কাচিয়লি ৰ'দত
গুৱাল (কোনোৱে গেদা ফুল বুলি কয়) ফুলবোৰ
জকমকাই ফুলি ফুলনিখন
গুৱাই তুলিলে ।

পুহৰ সেমেকা শীতত অ'ত ত'ত এপাহি দুপাহি
খৰিকাজাঁই ফুলবোৰ ফুলি,
ৰমলাহঁতৰ আগফালটো গোন্ধত মল মলোৱালে

এইবোৰ ফাগুনমাহৰ
বাউলী বতাহত নোহোৱা হৈ যায় যদিও
বসন্তৰ ৰিৱৰিৱনিত
কেতেকী তগৰৰ
উক্‌মুকলি লাগে ।

ঋতুৰ জোৱাৰ উঠে ।
সোণপাহিৰ মনটো
ৰিঙা ৰিঙা লাগে ।
বোৱতি মাহ বিচাৰি পায় বহাগক
সেই মাহৰ তেইশ তাৰিখে তাইৰ ঘৰ সলনিৰ দিন।

সেই মাহতেই ন-কইনা হৈ
ভবিষ্যতৰ সোণালী সপোন ৰচিব
সেইজনী সোণপাহিয়েই ।
আশাবোৰ ভাষালৈ সলনি হ'ব ।
ভাৱবোৰ কৰ্ম্মলৈ বাগৰ সলাব
তাই যেন তেতিয়াই পূৰ্ণতা প্ৰাপ্ত হ'ব।
সেই ঠায়েই তাইৰ স্থায়ী হৈ ৰ'ব।



# সংগ্ৰাম

শ্ৰীমতী শান্তনা চেতিয়া
বি, এ, প্ৰথম বাৰ্ষিক

সৃষ্টিৰ বিশালতাত হেৰাই যোৱা মোৰ মনটি
নীলিম আকাশৰ দৰে
বেদনাৰ উল্কা মোৰ এসোঁপা ধূসৰ ডাৱৰৰ দৰে নীৰৱ।
পশ্চিমৰ বাউলী পছোৱাই উৰুৱাই নিয়ে
মোৰ মন সুদূৰ দিগন্তৰ মহাশূন্যলৈ
কাণেকাণে কৈ যায়
আগন্তুক ফাগুনীজনীৰ
শুভাগমন, ফাগুন আহে
মেলিব খোজে তাইৰ অতীত
ইতিহাসৰ গোপন অধ্যায়,
কৌতুহলী হেজাৰ দৃষ্টিৰ আঁৰত
মেলিব নোৱাৰে তাইৰ সেই গোপন অধ্যায়।
বহুতৰ হাঁহিৰ খলকনি আৰু নীৰৱ উচুপনি বৈ বৈ বাজে



মোৰ কৰ্ণ কুহৰত, মন কাননত ফুলিব খোজা ফুলপাহ
মৰহি যায় কাৰোবাৰ উচুপনিৰ মৃদু আঘাটত।
বুচিট মুখৰ ৰাতি কোনোবা অভাগিনীৰ কাতৰ কান্দোনে
কল্পনাৰ কাৰেং মোৰ চূড়মাৰ কৰে,
ধুমুহাৰ গৰ্জনত মোৰ চমক ভাগে
কল্পনাৰ সেন্দুৰী আলিত এখোজ দিওঁতেই পিছলি পৰোঁ
অনাথ শিশুৰ কাতৰ কান্দোনে
বিছিন্ন কৰি দিয়ে মোৰ চিন্তাৰ সোঁত
মনলৈ আহে গভীৰ হতাশা,
মনত পৰে জন্মদিনৰ উৎসৱৰ আনন্দৰ কোলাহল
আৰু, মনত পৰে এমুঠি আহাৰৰ বাবে
কোনোবা শিশুৰ কাতৰ ক্ৰন্দন।
কাণে কাণে কোনোবাই কৈ যায়—
ফাগুনৰ চঞ্চলতাত নিজকে বিলাই দিয়াৰ
সময় এয়া নহয়।

এয়া সময় যুদ্ধৰ—
এমুঠি অন্নৰ বাবে এয়া সংগ্ৰামৰ সময়॥

# দুটি টুকুৰা কবিতা

স্নেহাজোনাক দত্ত
প্ৰাক্তন ছাত্ৰী

সাৰি পাম মই
পুৰতিৰ প্ৰথম বেলা
নিশাৰ গ্ৰহৰ সৰিব যেতিয়া।

কবিতা লেখিম মই
যৌৱনৰ মধু পৰশৰ,
আহিব যিদিনা আবেলি জীৱনৰ।

পুৱতিৰ প্ৰথম বেলা
নিশা সৰিছিল যেতিয়া
বুকুৰ মাজত মোৰ
কান্দি উঠা কবিতাটি
যেন নবজাতক এটি



# প্ৰতিশ্ৰুতি

ঈশ্বান্ শ্বাহ
স্নাতক প্ৰথম বাৰ্ষিক

আঁউসী মানেই কোজাগৰী গীত
আন্ধাৰ গৰ্ভৰ পৰা
সূতা যেন কাঁচি জোন
ওলাই আহে পূৰ্ণিমাৰ প্ৰতিশ্ৰুতি লৈ।

আন্ধাৰলৈ ভয় কৰিব নালাগে
আন্ধাৰে দ্ৰুতিক দিয়ে জ্যোতি।
বিপৰ্যয় আশীৰ্বাদ হ'ব পাৰে।
যদি টিওালি বন্ধাৰ প্ৰেৰণা নেহেৰায়।

মইতু জানো,
প্ৰতিখন বৈৰৰ সিপাৰেই থাকে
একোখন নতুন পৃথিৱী
যেনেকৈ শীতৰ কুঁৱলীৰ সিপাৰেই
বসন্তৰ হাঁহি ●

# পূৰ্ণিমা ঃ এটি স্তবক

অধ্যাপক, ৰণজিৎ তামুলী
অসমীয়া বিভাগ

খিৰিকী মুখৰ সুগঢ়ী মুখ— কোনে পৈণত
হাতেৰে শিলত কাটি
দি গ'ল তোক অবুজ সুখ।
নিশাৰ বতাহে নকপালে সতেজ ৰূপ
নদীৰ দৰে
নদীৰ দৰে পল্লৱিত লহৰে লহৰে
নাচি উঠে তোৰ জোনাকী মুখ।
গোলাপৰ দৰে
গোলাপৰ দৰে উজলি উঠিলে নিয়ৰ সিক্ত
চকুৰ পাহি
কোনেনো আজি বজালে আহি
দূৰৈত চিনাকী তেজৰ বাঁহী।
গতিৰো আছে দেখোঁ গৌৰৱ সোণালী
কোনে কোনে দি গ'ল তোক
এই নিসঙ্গ তৃপ্তিৰ বিমল প্ৰশান্তি। ●



# শ্বহীদ বীৰ

এম, শ্বমচুন্ মাহাৰ
দ্বাদশ শ্ৰেণী

তোমালোকে হেনো তোমালোকৰ
আজিবোৰ আমাৰ
অহাকালিবোৰৰ বাবে বিসৰ্জন দিলা,

সচাঁকৈ,
আমাৰ আজিবোৰ তোমালোকৰ
যোৱাকালিৰ ওচৰতেই ঋণী।

আজি বস্তুৰ জুই চাই দাম
দিনত অহংকাৰী নেতাসকলৰ
বাগাড়ম্বৰ দিনত আমি তোমাক
স্মৰণ কৰোঁ হঁক...

যদি ভৱিষ্যতে সোণ সুৰুযে হাঁহে
যদি আমাৰ অশ্ৰুকণাবোৰৰ মুকুতা হৈ জ্বলে,
যদি আমি আটায়ে ফুলৰ দৰে ফুলি উঠোঁ,
এই সকলোবোৰ হব তোমাৰেই
স্ফুৰিত তেজৰ তাপত।

শ্বহীদ, তুমি আমাৰ হৃদপিণ্ডত
জীয়াই আছা, আৰু
জীয়াই আছা
আমাৰ শ্বাস-প্ৰশ্বাসত।



# মোৰ আই

শ্ৰীইলো পাঠক
স্নাতক প্ৰথম বাৰ্ষিক




মই চাই আছো
বাষ্টাটোৰ একেবাৰে মূৰলৈ
এগৰাকী শুভ্ৰ পৰিহিতা মহিলা
আহি আছে……
তাইৰ চুলিবিলাক
আউলি বাউলি
বতাহত তাইৰ
আঁচলখনি উৰি
উৰি গৈছে
ফটা ব্লাউজৰ মাজত তাইৰ
উঠন বুকুখনি ওলাই পৰাত
বাৰে বাৰে আঁচলখনি
টানি লৈছে
তাই একেবাৰে
ওচৰ পোৱাত,
মোৰ চকু থৰ হৈ গ'ল……
নিজকে অবিশ্বাসী যেন লাগিল……
এই গৰাকী জানো মোৰ আই ?
হয়, ঠিকেই— এই গৰাকীয়ে —
মোৰ আই ॥ ●

# স্বদেশ স্বকাল

অধ্যাপক, ৰঞ্জিত তামুলী
অসমীয়া বিভাগ

( "দেশ বুলি ক'লে আদেশ নেলাগে..."
হীৰেণ ভট্টাচাৰ্য্য )




আমি প্ৰতাৰিত হৈছো বন্ধু,
সজাগ হোৱা
প্ৰৱাহিত ৰক্তক ক্ষমতাৰ তুলাচনীত
তুলি দি কিমান অভিসম্পাত ল'বা
শুনা নাই জানো তুমি পুত্ৰহাৰা হৃদয়ত
করুণতাৰ অণুৰণন

দেখা নাই জানো তুমি— প্ৰতাৰিত তেজৰ ডোঙাত
শেন ৰণুৱাৰ ৰণ!
দেশ মোৰ স্বদেশ— কাংখিত প্ৰভাতী সপোন
বকুল ফুলৰ দৰে বিয়পাই সুগন্ধী সুবাস
আস! কি দি যায় প্ৰত্যয়
স্বপ্নাৱস্তৰ, সন্ধিক্ষণ!
অথচ অবুজ শিশুৰ অপৈণত হাতেৰে গঢ়া
বালিঘৰৰ দৰেই প্ৰত্যয়।
সন্ধিক্ষণৰ বতাহে টৌৱাই তাৰ স্বৰ
দুঃসহ ভাৰ বৈ নিয়ে প্ৰতাৰিত স্বকাল আমাৰ!

ৰঙা চোলাটো বুকুত থামুচি অহা ভোকাতুৰ লৰাটো,
ধাৰাল কাচিখন বালিময় পথাৰত দলিয়াই অহা আই,
উপকণ্ঠৰ আবেলি যৌৱনৰ দৰে
বিচাৰি সন্তীয়া প্ৰসাধন বিয়পাই ফুৰা গাভৰু জাক,
সিহঁতৰ শেঁতা চকুত উজ্জ্বলে নে বাৰু প্ৰত্যয়,
তৰাহৈ জিলিকি উঠেনে বাৰু মোৰ দেশ?

মদাৰ ফুলৰ দৰে দিনৰ পোহৰত মৰহে তেজৰ ৰঙ !
দেশৰ বুকুত এখন দেশ ৰঙীণ পোহৰত
অলস চকুৰ চিকমিকনিত সেই দেশ উজ্বলে—
ৰঙা, নীলা, পোষ্টাৰত অঁকা মিঠা হাঁহিৰ বুকুত,
বন্ধ দেৱালেৰে আবৰি ৰখা
টপ চিক্ৰেট ফাইলত অথবা ;
ডানলপ কুশ্যন পৰা ওথ চকীৰ বুকুত !
সেই দেশৰ বুকুৰে বুকুৰে হৃদয়ৰ চিনাকী
মানুহৰ অচিনাকী খবৰ বিয়পে,
আলিগড়, মোৰাদাবাদ, পংকাগাও আৰু
দৈয়াঙত, তামোলপুৰ, ভুপাল আৰু
খৰীয়াহোলাত !
হৃদয়ৰ মাজুলীত বৰ ভুইঁকপ !
হয় জানো সি তোমাৰ-মোৰ স্বদেশ ?

এতিয়া দেশ— এগিলাছ ৰঙীণ চৰবত অথবা
এটা ভিটামিন কেপশ্যলৰ দৰে
সন্ধিক্ষণৰ বুকুৰেদি বাগৰে
জোৱাৰৰ দৰে উঠে-নামে মানুহৰ দাম
চাউল, কম্বল, বুলেটৰ বাবে
গোপন ছবিৰ বাকচ ভৰাই দি
দেশে সংগোপনে বিয়পাই ফুৰে
হৃদয়ৰ কঠিন ব্যাধি !

প্ৰত্যয়— প্ৰাচীন লিপিৰ দৰে অচিনাকী
প্ৰত্যয়— পচোৱাৰ দৰে অশৰীৰি
তাৰ দুৰ্দান্ত হাতেৰে আকুহি
ভাঙি নিয়ে নিজা ঘৰ !
আমি প্ৰতাৰিত হৈছো বন্ধু
দেশ মাথো দেশৰ বাবে…… । ●

# জননী

ৰীমাৰেখা চলিহা
স্নাতক ২য় বাৰ্ষিক



তুমি নোহোৱা জানো সেই জননী,
 জন্মিয়ে তোমাৰ কোলাত আছিলো,
চকু মেলিয়ে তোমাৰ মৰমীয়াল মুখখন,
কোমল দেহাত তোমাৰ হাতৰ পৰশত,
শিঁয়ৰি উঠিছিল মোৰ
ইন্দ্রিয়বোৰ।
চকুৰ পৰা ওলাই আহিছিল
নিৰৱে চকুলোযোৰ,
চকুলোযোৰে যেন কৈছিল,
আই, তোমাৰ অঙ্গীকাৰ
ৰাখিম।
 দানৱৰ হিংসুক চকুৰ
 পৰা অন্নাহাৰ, অৰ্দ্ধাহাৰ
 আৰু অত্যাচাৰৰ পৰা,
 উদ্ধাৰ কৰি আনি,
তোমাৰ বুকুত প্ৰতিষ্ঠা কৰিম
 সত্য, সুন্দৰ আৰু
 বিশ্বাস। ●

# আজিৰ দিন

অধ্যাপক, দ্ৰোণ কলিতা
অসমীয়া বিভাগ

অতীত অতীতৰ গৰ্ভতেই লীন হৈ গ'ল।
বৰ্ত্তমান,
প্ৰচলিত ভাৱৰ সন্মোহন
আৰু
দোমোজাত পৰি
উষা নেপায়।
চিৰদিন
লুপ্ত
পালে;

বিমানৰ কাৰণে
অতীত, বৰ্ত্তমান হ'ব নোৱাৰিব,
ভবিষ্যৎ কিন্তু বৰ্ত্তমান
হ'ব বোলে পাৰিব।

কাৰণ,
কাৰণ যদি বিচাৰি উলিওৱা
তেতিয়া, ভবিষ্যতৰ নতুন আৰু
আঢ্যৱন্ত হোৱাৰ সপোন দেখিব বিমানে
ৰঙচঙীয়া সপোনৰ মোহত
উত্তৰ পুৰুষক বতৰা দিয়াৰ থাটিবত
অক্লান্ত পৰিশ্ৰম কৰি হ'লেও
বাট বুলি যাব।
লক্ষ্যাত নিশ্চয় নতুন
পুৰুষে থিয় দিবগৈ।

কিয়নো,
কিয়নো, সিহঁতৰ উদ্দেশ্যই শীৰ্ষবিন্দু
স্থিৰ লক্ষ্য।।



# শান্তি

পুৰবী ৰাজগুৰু
স্নাতক প্ৰথম বাৰ্ষিক

শগুণ জাকৰ ঠোঁটৰ আঘাতত
সাৰ পাই উঠা মোৰ
মৃত 'ম'হটোৰ পৰা,
ভাঁহিছে.........
শান্তিৰ এক,
মৌন—
আস্ফালন



# 'আৰু কিমান পৰ'

বুকুৰ ওপৰত জ্বলোৱা
মমবাতি ডাল এতিয়াও
জ্বলি আছে।
তপ্ত টোপালবোৰে কলিজা
চুইছেগৈ
নুমাবলৈ 'আৰু কিমান পৰ'

# প্ৰতিশ্ৰুতি

শ্ৰীমতী অৰুন্ধতী সান্যাল
বি, এ, দ্বিতীয় বাৰ্ষিক

মোৰ জীৱনৰ অনিশ্চয়তাত,
মোৰ একমাত্ৰ প্ৰতিশ্ৰুতি তোমাক মনত ৰখা।

শতাব্দীৰ পাছত শতাব্দী পাৰ হ'ব,
শত, সহস্ৰ মানুহৰ স্মৃতি হৈ পৰিব অনুমেয়।

মই মোৰ ক্ষুদ্ৰতাত
গৰ্বিত।
কিন্তু তোমাৰ,
বৃহৎ ক্ষমতাত,
মোৰ দাবী অসীম।



মোৰ মানৱতা অভিমানী গৰ্ব
মই আবেগত প্ৰতিশ্ৰুতি বিচাৰো
তোমাক মনত ৰখাৰ।

মই অতি সাধাৰণ আৰু অদূৰদৰ্শী।
মোৰ অভিমান এক অৰ্থশূন্য আবেগ।
কিন্তু তোমাৰ আগত হ'বলৈ বিচাৰোঁ
প্ৰচণ্ড আৰু দুৰ্বাৰ।
ধূলিহৈও মই ধূলিতেই নিমজ্জিত,
বিস্মৃতিৰ এক অন্ধকাৰ প্ৰান্তত।

# আবৰ্জনা

শ্ৰীমাধুঞ্জলী দত্ত
প্ৰাক স্নাতক ২য় বাৰ্ষিক

গছকত চমকি উঠে নিৰ্জ্জীৱ
এখিলা শুকান পাত
প্ৰকাণ্ড বৃক্ষজোপাৰ তলত সৰি
মৰমৰ ক্ষণ গনে সিহঁতে
সৰু সৰু ঠানিবোৰৰ
ফাঁকে ফাঁকে
লুকাই চুৰকৈ উপহাস কৰে
সিহঁতক, গছৰ সজীৱ পাতবোৰে
সময়ৰ, এজাক ধুমুহাই,
সিহঁতক পেলাই গছৰ পৰা।
ধুমুহাৰ মৃত্যু শীতল স্পৰ্শত
তিলতিলকৈ নিঃশেষ হয়
সিহঁত...... ।
দুৰ্বাৰ যাতনা ভুগে সিহঁতে,
গছকত ছিন্ন হয়,
মৰমৰকৈ ভাগে
তথাপি সিহঁত নীৰৱ।
কাৰণ—
সিহঁত যে আবৰ্জনা
নিসংহাস, নিমাত ভাৱে
কিমান যে ভুগে যাতনা।



# গীতঃ গীতালি

# দুটি গীত



১. সুর যদি শেষ হই যায়
গীতলো থাকিব কারে
ধূপ জ্বলি জ্বলি শেষ হই গলে
সুবাতি কালো উরে ?
গীতিকার তুমি (গীতের) ভাষা শেষ হইলে
হৃদয় অভাব কারে
শিল্পী তুমি রং শেষ হইলে
কি করিয়া তুলিবকারে ?
স্বপ্ন যদি শেষ হই যায়
তন্দ্রা থাকিব কারে
তন্দ্রা যদি শেষ হই যায়
রব রাতি উজাগরে
সুপ্ত বেদনা নিরবধি নিরবধি
রব মাথা কীবাসারে.....



২. আজি যদি তুমি আছি নিজে
মোর ঠিকনা বিচারি
যেখানে দিব যাক মোরেই ঠিকনা
মই যে পরিচয় শূন্যা
যেখানে জানে মোর সঠিক পরিচয়
উঠুহাত লীন গলা,
সময় দীবাত ঠেকা খাই ফিরে
পরিচয় উদ্ধি গলো
পরিচয়হীনা হইলেও যে মই
জানো, তেঁও বহু দিন্যা
তোর গানে গানে যেনো দিন মই
আশির্বাদ দিয়া নাই
মইতো জানো নিভৃত কোনোতো
তেনেই উদ্যাং ঠাই•
একোরহেতু মই নোরাতিম যাব
নামির ঠকুলোর বন্যা

..... গীতা দত্ত

# দুটি গীত

১.

সেই অগণন ৰৈ আছোঁ মই
ধূপৰ ধোঁৱা হৈ
জীৱনক পিছতে হৃদয়ত হেৰাম
বতাহত বিলীন হই
তেতিয়া হৃদয়ত কিমান ফুলিব
চৌদিশ মধুময়
ধূপৰ ধোঁৱা শেষ হৈ গ'লে
কিবা জানো বাকী ৰয়।
ফুল সৰি গ'লে ফুলৰ সুবাস
জানো যুগজয়ী হয়
সেয়েহে প্ৰকৃতিৰ অমোঘ নিয়মে
দুয়োৰে আৰতি লয়।
মোৰো জীৱন যদি
কাৰোবাৰ বাবে ধূপৰ ধোঁৱাহে হয়
তেনেহে এবাৰ নিয়মে মোৰো জীৱনে
মৰণ আকোৱালি লয় ......।

= অধ্যাপিকা কুসুম মুখাৰ্জী =

২.

ফাগুন আহিব
মোৰ জীৱনলৈ
এমুঠি পলাশ হৈ
হেৰুৱা দিনৰ
নোকোৱা কথা
ফুলভিৰে যাবা কৈ
ৰিক্ত হৃদয় ৰঙীণ তুলিবা
ৰঙৰ ফুলাভি হই
জীৱন বাৰাণী ভৰাই তুলিবা
আশাৰ পাহিটি হই
ফাগুন তুমি
আহিবা সাঁচি
এটি মিঠা হাঁহি হৈ
আৰু ঘূৰি যাবা
মোৰ জীৱনৰ
অন্ত মাত হৈ .....

# গীত

কোকিলা তুমি মোক
কম কুলি এটি কথা
বুকুৰ দুখ মোৰ
গান হ'ব যেতিয়া
কোকিলা তুমি মোক
অজান কথা
মায়াবী নিশা
শেষ হ'ব যেতিয়া
দিছিলা প্ৰতিশ্ৰুতি
তুমি বসন্ত ধৰাৰ
সুন্দৰে সুন্দৰৰ
আদৰিব যেতিয়া।

= অমৃতা দত্ত





# গল্পৰ গাগৰি——




"নিজৰ বিক্ষিপ্ত ভাৱ আৰু মনোবেগক সম্পূৰ্ণৰূপে আয়ত্বধীন কৰি কম কথাত মনোৰমকৈ চিত্ৰসংযোগৰ মাজেদি চঞ্চল জীৱনৰ কোনো মুহূৰ্তৰ অৱলম্বনক উদ্ভাষিত কৰি তোলাই হ'ল গল্প।"

"......................চুটি গল্প যদি এটা আপেল, উপন্যাস তেনেহ'লে এটা সুমথিৰা। কেইবাটাও ফুট লগ লাগিহে এটা সুমথিৰা আৰু তাক আটিলকৈ ধৰি ৰাখে ওপৰৰ বাকলিটোৱে। কিন্তু চুটি গল্প নামৰ আপেলটো ওপৰৰ বাকলি, ভিতৰত মঙহ আৰু মাজৰ গুটি গোটেই একেলগে খাপ খাই থকা বস্তু..................দেখে দেখে গল্প।

# অলপ বেলেগ



ইশ্বানু শ্বাহ

দেউতাৰ কামবোৰ তেনেকুৱাই । অৱশ্যে নভৱা-নিচিন্তাকৈ হঠাৎ কিবা এটা কৰি নেপেলায়। অলপ ভাৱে। কিন্তু কামবোৰ অলপ, —কিবা বেলেগ ধৰণৰ হয় ।

আৰু এবাৰ যদি কিবা এটা কৰিবলৈ ঠিক কৰে, ৰক্ষা নাই, কৰিবই। প্ৰতিৰোধ কৰাৰ সাধ্য কাৰো নাই —তেওঁৰ ফালে যুক্তিৰ জোৰ কম বুলি প্ৰমাণ কৰি দেখুওৱালেও। অৱশ্যে এটা কথা কবই লাগিব— তেওঁ ঘপকৈ কিবা এটা কৰি নেপেলায়। আমাৰ লগত আগতে খোৱা-মেজত হলেও, এবাৰ আলোচনা কৰে ।

আমাৰ বোলোতে মই, ভাইটো আৰু মা। মায়েতো কেৱল মূৰ দুপিয়াবহে জানে নেকি! দেউতাৰ কথাবোৰ আচলতে শুনে নে নুশুনে ক'ব নোৱাৰো। হয়তো অনেক আগতে বুজি গৈছে ঢেকুৱা ঠ'ৰি সিজোৱা কোনো বুদ্ধিৰ কাম নহয়। আৰু ভাইটো— পঢ়ে চেভেনত । মনত পৃথিৱীৰ উচ্ছাস । তাৰ বাবেতো কিবা এটা কাম কৰিবলৈ লোৱাটোৱেই ঘাই কথা । লাগে সেই কাম হিমালয় উঘালিব খোজাৰ নিচিনা কামেই হওক। মাত্ৰ থাকিলো মই।

কলেজত পঢ়া বুলি মোৰ কথা দেউতাই শুনে। তেওঁতো মেট্ৰিক ফেল মানুহ। আগৰ মানুহ বুলিহে কাম এটা পাইছিল। সেই বুলি যুক্তিৰে দেউতাক মই কাহানিও বলে পৰা নাই। ত্ৰিভুবনৰ কথা কৈ পিচত চাউল কঠালৈ ঘূৰি অহা মানুহ দেউতা। গতিকে দেউতাই কোৱা মতেই শেষত সকলো কথা হয়গৈ ।

দেউতাই সৰু চাকৰি এটা কৰে যদিও আমাৰ ঘৰুৱা অৱস্থা ভাল । ককা বেচ কামৰ মানুহ আছিল। ভালেমানখিনি খেতিৰ মাটিত খেতি কৰিছিল । গতিকে দেউতাৰ চাকৰিটো এক প্ৰকাৰৰ চখৰ নিচিনা ।

আমাৰ বাৰীত এটা সৰু জুপুৰীত মেনকা আৰু ৰঞ্জন থাকে। ৰঞ্জনৰ বাপেকে আমাৰ ঘৰত হালোৱা আছিল । কিবা এটা বেমাৰত ডেকা বয়সতে মানুহটো মৰিল । চালুকীয়া ৰঞ্জনক লৈ মেনকা আঠাউনীত পৰাত ককাই আনি বাৰী চুকত জুপুৰী এটা সাজি থাকিবলৈ দিলে। আমাৰ ঘৰতে কাম-বন কৰি খায়।

লাহে লাহে ৰঞ্জন ডাঙৰ হ'ল । ল'ৰাটো

ডাঙৰহে হ'ল কিন্তু একো কামৰ নহ'ল। এনেয়ে থাকে বুলিব পাৰি। পথাৰলৈ যায়। কিন্তু যোৱা নোযোৱা একে। আন কামটো প্ৰায় এলাইবাদু। কিন্তু, এটা [illegible]ত হ'লে ওস্তাদ। কথাত পানী নসৰকে। মুখেৰে সাত হাল বায়। আৰু বেছি ভাগ সময় লগ সমনীয়াৰ লগত মানে তাৰ নিচিনা কিছুমানৰ লগত আড্ডা মাৰি কটায়।

ইফালে বয়স লাহে লাহে ডেৰ কুৰিৰ কাষ চাপিল। মাকে দেউতাকক বাৰে বাৰে খাটনি ধৰিব ধৰিলে — ল'ৰাটোৰ বিয়াখন পাতিব লাগিছিল।

মই হাঁহিছিলো, সি নিজেই খায় কিহেৰে— আনক খুৱাব কিহেৰে।

গতিকে দেউতাই আমাক লৈ মিটিং পাতিলে। তেৱেঁই বক্তা। আমি মাত্ৰ শ্ৰোতা।

— "মই তাক অকণমান এখন দোকান খুলি দিওঁ। প্ৰথমে সৰুকৈ আৰম্ভ হব। অলপ অলপ বস্তুৰে। হাতখন আহক। পিচলৈ বহলাব পাৰিব। আলিমূৰত চলিবও। মানুহ যেনেকৈ বাঢ়ি আহিছে, অহা দহবছৰত ইয়াত ডাঙৰ দোকান লাগিব।" ......

— "মোৰ টাউনত চিনাকী দোকানী আছে। হোল চেলৰ দোকানতো কথা পাতিছো। বস্তু দিব। চাইকেলেৰে গৈ লৈ আনিব পাৰিব। ইয়াৰ পৰা টাউনলৈ সৌকণ বাট। আৰু মই জনাত আমাৰ এলেকাটো নগৰ সম্প্ৰসাৰণৰ মেপত আছে। উঠি আহিবলৈ সময় নেলাগে যদি সি চেষ্টা কৰে। মুখখনো তাৰ বৰ চলে। দোকানীৰ মুখেইতো অস্ত্ৰ।"

—'দেউতা। ৰঞ্জনক তুমি জানাই। আচলতে সি এক নম্বৰ খোদ। পাৰিব জানো? যদি ডুবায়?

—'আমি আছো নহয়। অলপ চাব লাগিব।

—কথা পাতিছা তাৰ লগত?

—পাতিছো। বৰ স্ফূৰ্তি। মাত্ৰ ফৰমাইচ খেৰ। স্ব কেচ লাগিব। লাইট লাগিব। টেপ ৰেকৰ্ডাৰ এটাও লাগে।

—সেয়া! সি ক'ত পাৰিব!

—নাই, মই তাক কৈ দিছো। মনোহাৰী নহয়, গেলা মালৰ দোকান। মনোহাৰী বস্তু অলপ অলপ ৰাখক, আপত্তি নাই।

দেউতাই সচাই তাক সৰু দোকান এখন খুলি দিলে।

প্ৰথম একমাহমান একেবাৰে তহবতহ। ৰঞ্জন ৰাতিপুৱাই গা-পা ধুই, তেল-কুৰ লৈ ওলায়। দুপৰীয়া আহি ভাতকিটা খাই চাইকেলখন লৈ ওলাই যায়। দৰ্কাৰী বস্তুকেইটা টাউনৰ পৰা আনেগৈ। তিনিমান বজালৈ সেই সময়খিনি দোকান বন্ধ থাকে। কেতিয়াবা অৱশ্যে কাম নাথাকিলে মেনকায়ে বহি দিয়েগৈ।

দেউতাই শনিবাৰে শনিবাৰে হিচাপ-কিতাপ কৰে। প্ৰথম প্ৰথম বুলি একো বেয়া নাই হোৱা। লাভ তেনেকৈ নাই হোৱা যদিও লোকচান হোৱা নাই। দেউতাই প্ৰথমেই লাভৰ এটা অংশ ৰঞ্জনক ল'বলৈ কৈ দিছিল। দোকান ডাঙৰ হৈ গৈ থকাৰ লগে লগে এই পৰিমাণো বাঢ়ি গৈ থাকিব। ৰঞ্জন স্বয়ং সম্পূৰ্ণ হৈ উঠিলেই দোকনখন তাক দিয়া হ'ব। কেৱল মাহে অলপ অলপ টকা দি দেউতাৰ মূলধনখিনি ঘূৰাই দি সি স্বাধীন হৈ পৰিব। তাৰ পিচত বিয়া পাতে, যি কৰে তাৰ কথা।

দেউতাই সুন্দৰকৈ হিচাব-পত্ৰ কৰি ৰঞ্জনক চব বুজাই দিছিল। সিও বুজা যেনেই লাগিছিল।

কিন্তু দ্বিতীয় মাহৰ মাজভাগ মানৰ পৰা দেখা গ'ল ৰাতিপুৱা দোকানলৈ যাওঁতে তাৰ পলম হোৱা হৈছে। দুপৰীয়া কেতিয়াবা নোযোৱাই হ'ল। একেবাৰে তিনি-চাবিমান বজাত গৈ দোকান খোলেগৈ।

তাৰ পিচত এদিন গম পোৱা গ'ল, সি

বোলে দোকান খোলা নাই। ঘৰৰ পৰা ওলাই গৈছে ঠিকেই, কিন্তু দোকান পোৱাগৈ নাই। তাৰ পুৰণি আড্ডাবোৰত কথা চোবাই আছেগৈ আৰু খাবৰ সময়ত আহি ঘৰ ওলাইছেহি।

দেউতাই গম পাই খণ্ডত অগ্নিশৰ্মা হ'ল।
—এইবোৰ মানুহৰ পৰা পৃথিৱীত একো নহয়। মুখৰ আগত সজাই পৰাই দিয়া ভাতকেইটা হাতেৰে তুলি মুখলৈ নিব নোৱাৰে —তহঁতৰ হ'ব কি? এইবোৰ কাৰণতে অসমীয়া মানুহে বজাৰৰ পৰা বস্তু কিনেহে —বেচিব নোৱাৰে।

ৰাতি তাক আৰু মাকো আগত বহুৱাই দেউতাই খুউব বকিছিল। মাকক কৈছিল— "সে শেনকা। পুতেৰৰ বিয়া পাত নহয়! আনি দে এজনী। পাৰে যদি তায়ে কৰি মেলি খুৱাওক ইয়াক। আই, তই দোকান বন্ধ কৰিছ কিয়?"

ৰজনে এই প্ৰথম মুখ মেলিলে। সি দেউতাক ৰৰপিতাই বুলি মাতে।

—মই নোৱাৰো ৰৰপিতাই। সদায় সদায় চাইকেল মাৰি টাউনৰ পৰা বস্তু আনি সজাই-পৰাই দিম আৰু এই সোপাই মানে আমাৰ এই গাঁৱৰ মানুহে মথাই আঠুৰ মূৰতে গোৱা বস্তুখিনি নি মজা কৰি খাব। মই নোৱাৰো হলে। যক সিহঁত নিজে নিতৌ টাউনলৈ।

কি যুক্তি!! দেউতা যেন আকাশৰ পৰা হে পৰিছিল। তেওঁ থৰ লাগি ৰহি আছিল। মই কিন্তু হাঁহি ৰাখিব পৰা নাছিলো। ফিক্ কৰে হাঁহিটো ওলাই গৈছিল।

মোক এক ধমক দিবলৈ গৈ দেউতায়ো কিন্তু হাঁহিহে পেলাইছিল।

—তেন্তে তই কি কৰিব খুজিছ? চলিবি কেনেকৈ? দোকানখন কি কৰ?
—পাল যে আছে ৰৰপিতাই। চেন্ট্ৰেল বজাৰত যে দোকান আছে। তেওঁ গোটেই দোকানখন কিনি লম বুলিছে। পাচশ মান লাভো দিব। পুতেকক বহুৱাব হেনো।
—তই যে নোৱাৰ, সিহঁতেনো কেনেকৈ পাৰিব?
—সিহঁতে পাৰে ৰৰপিতাই। আমি নোৱাৰো। সিহঁতো অলপ বেলেগ। আমিও অলপ বেলেগ।
—তই চলিবি কেনেকৈ?
—চলিম আৰু ৰৰপিতাই। ভগবান আছে নহয়!






# এটা নতুন দিনৰ জন্ম

## মৃদুলা দত্ত

দূৰত শুনা গ'ল গীজাৰ ঘন্টা ধ্বনি। ৰাতি পুৱাৰে পৰা ঠাইখন কুঁৱলীৰ ডাঠ ওৰণীখনে আৱৰি থকাৰ বাবে বেছ ঠাণ্ডা পৰিছে। এনে এটা পৰিবেশ পাপৰিৰ খুউব ভাল লাগে।

ৰাতিপুৱা শোৱাপাটিৰ মিঠা উম লৈ লৈ তাই এই শীতখিনিক উপভোগ কৰি আছিল।

"বাইদেউ", কাৰোবাৰ মাত শুনি তাই ঘূৰি চাই দেখিলে এজন ল'ৰা আহি তাইৰ ওচৰত ৰৈছেহি। "কিবা কবা ?" তাই সুধিলে।

"বাইদেউ, চিৰিয়াচ কেচ এটাৰ খবৰ দিবলৈ আহিলো। ৰাজুৰ অসুখ বেছি হৈছে। উশাহ-নিশাহ লোৱাত কণ্ট পাইছে। গতিকে আপুনি মোৰ লগতে ৰাজু-হঁতৰ ঘৰলৈ যাব লাগে।"

চৰকাৰী চাকৰি সূত্ৰে আহি এই ঠাইখনত চাকৰি কৰা পাপৰিৰ মাত্ৰ এমাহ মান হৈছে। প্ৰথমতে খুবেই বেয়া লাগিব বুলি ভবা গাওঁখনত পাপৰিয়ে কেৱল হস্পিতাললৈহে অহা যোৱা কৰিছিল। কিন্তু লাহে লাহে গাওঁখন তাইৰ ভাল লাগি আহিবলৈ ধৰিলে। কুকুৰাৰ প্ৰথম ডাকত এইখন গাওঁ সাৰ পাই উঠে। পথাৰৰ মাটি কৃষকৰ ঘামত সেমেকি উঠে। গধূলি গৰু খেদাই খেদাই গৰখীয়াৰ দল ঘৰলৈ উভতে। নামঘৰত ডবা কাঁহ বাজি উঠে। চোতালে চোতালে তুলসীৰ তলত মাটিৰ চাকি জ্বলি উঠে। এই পৰিবেশে পাপৰিক খুবেই মোহিত কৰি পেলাইছিল। সকলোতকৈ ভাল পাইছিল ধনাই নামৰ এজন গাৱঁলীয়া কৃষকৰ লগত চিনাকি হৈ।

এদিন ধনাইৰ অনুৰোধ ক্ৰমে পাপৰি তেওঁৰ ঘৰ ওলাইছিলগৈ। —ভালেমান পৰ কথা-বতৰা পতাৰ পিছত ধনায়ে কৈছিল যে তেওঁৰ ডাঙৰ ল'ৰা ৰাজুৰ অসুখ। পাপৰিয়ে চাবলৈ বিচৰাত তাইক ভিতৰলৈ এজন পোন্ধৰ ষোল্ল বছৰীয়া ল'ৰাৰ ওচৰলৈ লৈ গৈছিল। ছমাহ মান আগতে ৰাজু ডিব্ৰুগড় মেডিকেল কলেজত চিকিৎসাৰ বাবে বহুত দিন আছিল। ধনাইৰ পৰা পাপৰিয়ে অসুখটোৰ বিষয়ে গম পাইছিল। মেডিকেল কলেজৰ বিশেষজ্ঞই ৰাজুক ভেলোৰলৈ নি চিকিৎসা কৰাবলৈ কৈছে। তাই সুধিছিল, ভেলোৰলৈ যাবনে নাই ?

"ডাক্তৰে কৈছে যেতিয়া তাক নিবই লাগিব। নিজৰ ল'ৰাটোৰ বাবেই যদি সেইখিনি নকৰো আৰু নো কাৰ বাবে কৰিম?" ধনায়ে কৈছিল। —"কিন্তু দেউতা, টকাৰ যোগাৰ জানো কৰিছে?" —"আই, মই শুনা মতে ভেলোৰলৈ বহুত দূৰ। তালৈ নি চিকিৎসা কৰাবলৈ হ'লে টকাৰ মোনাটো যথেষ্ট শকত হ'ব লাগিব। এপইচা, দুপইচাকৈ যি পাৰো সাঁচি গৈছো। সাত-আঠ হাজাৰমান হলেই লৈ যাম।"

গাঁৱৰ সাধাৰণ নিৰক্ষৰ খেতিয়ক এজনৰ মনোবল আৰু দৃঢ়তা দেখি পাপৰিৰ খুউব ভাল লাগিলে। ল'ৰাজন অতি সোনকালে আৰোগ্য হোৱাৰ কামনা কৰি তাই ধনাইৰ পৰা বিদায় ললে।

—"বাইদেউ"

পাপৰিয়ে উভতি চালে। পদূলি মুখতে ৰাজু নামৰ সেই অসুখীয়া ল'ৰাজনে যেন তাইলৈহে বাট চাই আছিল। ল'ৰাজন যথেষ্ট দুৰ্বল আৰু শেঁতা দেখা গৈছিল। অপৰাধীৰ দৰে থিয় হৈ থকা ল'ৰাজন পাপৰিৰ নিজৰ আপোন ভাইটি এটাৰ দৰে লাগিল।

—"বাইদেউ, মই জানো কেতিয়াবা ভাল হম?"

—"কিয় নহবা? ভেলোৰলৈ নিয়াৰ পিছতে ভাল হৈ যাবা" লগে লগে তাই উত্তৰ দিছিল।

—"কিন্তু জানে বাইদেউ, যোৱা দুমাহে মই আৰু বেছি দুৰ্বল হৈ গৈছো। উশাহ লবলৈ মোৰ খুউব কষ্ট হয়। বুকুখন প্ৰায়ে বিষাই থাকে। সচাকৈয়ে কওক মোৰ অসুখটো জানো ভাল হোৱাৰ আশা আছে?"

ৰাজুৰ প্ৰশ্নটোৱে খন্তেকৰ বাবে পাপৰিৰ মনতো দোলা দি গ'ল। তাই নিজকে সুধিলে, ৰাজুৰ অসুখটো জানো কাহানিবা এইখন দেশত ভাল হ'ব। ভেলোৰলৈ নিলে হয়তো কিবা এটা কৰি দিব পাৰিব। কিন্তু কিমান দিনৰ বাবে। অদূৰতটো কুহেলিকা অপেক্ষামান।

তথাপিও ল'ৰাজনক সান্ত্বনা দিবলৈ তাই কৈ উঠিছিল, "নিশ্চয় হবা ভাইটি, ভেলোৰত তোমাৰ অসুখটো সম্পূৰ্ণ ভাল কৰি দিব।"

"ভেলোৰ, ভেলোৰ, ভেলোৰ," বাৰেপতি ভেলোৰ উচ্চাৰণ কৰাত ল'ৰাজন যেন ক্ষুব্ধ হৈ উঠিছিল। চলচলীয়া চকুৰে সি কৈছিল, "আপুনিটো নেজানে আমাৰ দুৰৱস্থাৰ কথা। দুবেলা দুমুঠি খাই ঘৰখন কোনোমতে চলি আছিল। আৰু এতিয়া মোক ভেলোৰলৈ পঠিয়াবলৈ গোটেই ঘৰখন ব্যতিব্যস্ত হৈ উঠিছে। ফলত মা-দেউতা, ভাই-ভনীকেইটাই ৰাতি ৰাতি লঘোণ দিয়া কৰিছে। ভাই-ভনী কেইটাই কিতাপৰ অভাৱত স্কুললৈ যাবলৈকে এৰি দিছে। টকাৰ অভাৱত পিন্ধি থকা কাপোৰৰ অৱস্থা নাই। কওক বাইদেউ, ইয়াৰ পিচতো কি সাহসেৰে মই ভেলোৰলৈ যাবলৈ ওলাম? ডাঙৰ ল'ৰা হিচাপে ঘৰখনৰ প্ৰতি কি মোৰ দায়িত্ব নাই? কিন্তু দেউতাই যেতিয়া আঠ হেজাৰ টকা গোটাই মোক ভেলোৰলৈ পঠিয়াব আৰু যিদিনা মই সম্পূৰ্ণ আৰোগ্য হৈ উভতি আহিম, সেইদিনা দৰিদ্ৰতাত ভস্মীভূত হৈ যোৱা মোৰ মা-দেউতা, ভাই-ভনী কেইটাক চাই নিজকে জানো ক্ষমা কৰিব পাৰিম?

তাতকৈ বাইদেউ আপুনি দেউতাক বুজাই কওক যে ভেলোৰলৈ নি চিকিৎসা কৰোৱাটো দৰিদ্ৰৰ বাবে এটা অকল্পনীয় বিলাস মাত্ৰ। আমাৰ ঘৰখনক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰক।" এইবুলি কৈ ল'ৰাজনে হুকহুকাই কান্দি উঠিল।

পাপৰিয়ে কি বুলি সান্ত্বনা দিব ভাবি নাপালে। তাতৈক ৰাজুক কান্দিবলৈকে দিলে। কান্দিলে হেনো শোক পাতলে। ল'ৰাজনক কান্দিবলৈ দি তাই ৰাস্তাত উঠিলহি।

পাপৰিৰ খুউব খঙ উঠিছিল তাইৰ ককাক হঁতলৈ, দেউতাকহঁতলৈ আৰু আজিৰ যুৱক সমাজলৈ পৰাধীন দেশ এখনৰ পৰা বৃটিছ খেদোৱাই যেন ককাহঁতৰ এক প্ৰধান উদ্দেশ্য আছিল। সেই সমস্যা সমাধান হোৱাত আত্মসন্তুষ্টিৰে শুই পৰিল। কি দৰকাৰ আছিল দেউতাহঁতৰ স্বাধীন দেশ এখনক নতুনকৈ গঢ়াৰ দায়িত্ব লৈ হেতালি খেলিবলৈ। ফলত তেওঁলোকে জন্ম দিলে এটা বিকৃত ৰাজনীতি, য'ত আছে মাত্ৰ কলা টকা, চোৰাং বেপাৰ, অন্যায় অত্যাচাৰ আৰু স্বজন প্ৰীতি। আন্দোলনকাৰী বুলি ফুটনি কৰা আজিৰ যুৱক সমাজে অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ সাহস নকৰে অথচ চকুৰ আগত বিপ্লৱৰ সপোন দেখে। সেয়েহে স্বাধীন দেশ এখনত থাকিও এই ল'ৰাজন আজি অৰ্থনীতিৰ বলী হব লগা হৈছে। তেওঁৰ জীয়াই থকাৰ অক্লান্ত সংগ্ৰামে যেন জীৱ শ্ৰেষ্ঠ মানুহক উপহাস কৰিছে।

অব্যক্ত এক ক্ষোভে পাপৰিক ভিতৰি ভিতৰি কঁপাই তুলিলে। তাই চৰকাৰী বাসভৱনলৈ আহিও এইবিলাক চিন্তাৰ পৰা হাত সাৰিব পৰা নাছিল। ৰাজুলৈ প্ৰথমতে তাইৰ পুতৌ জন্মিছিল। তাৰপৰা ক্ৰমান্বয়ে সৃষ্টি হৈছিল এক অবুজ মৰম তথা এটা গভীৰ ভ্ৰাতৃত্ববোধ। সেয়ে প্ৰায়ে তাইৰ ৰাজুৰ খবৰ লবলৈ গৈছিল আৰু পাৰ্য্যমানে সহায়ও কৰিছিল। সেই ৰাজুৰে আজি অসুখ বেছি হৈছে। কিন্তু ৰাজুহঁতৰ ঘৰৰ সন্মুখত থিয় হৈ তাই দেখিলে তাইৰ মৰমৰ ভাইটী এক অনন্ত নিদ্ৰাত শুই আছে। বগা কাপোৰখন গুচাই আকৌ লাহে লাহে ৰাজুৰ শেঁতা মুখখন পুনৰ ঢাকি দিছিল। তাইক যেন বাৰে বাৰে বিবেকে কৈছে যে মৰমৰ ৰাজু ভাইটী আৰু এই সংসাৰত নাই। সেয়েহে তাইৰ শত নহস্ৰ বাধা নেওচি দুইধাৰে বৈ আহিল অবিৰাম অশ্ৰু। হুকহুকাই তাই কান্দি উঠিল।

কিন্তু তাই যে ডাক্তৰ। মৃত্যুক জন্মৰ দৰেই এটা সাধাৰণ ঘটনা বুলি লবলৈ বহুত আগতেই এদিন সংকল্প লৈছিল। অথচ আজি ৰাজুৰ মৃত্যুৱে সেই সংকল্প ম্লান কৰি দিলে। লৰালৰিকৈ তাই কান্দোন বন্ধ কৰি চকু দুটা মোহাৰি পেলাইছিল আৰু পুত্ৰ শোকত হাঁহাকাৰ কৰা পিতৃ-মাতৃক সান্ত্বনা দিছিল— পৃথিৱীৰ ফুলনিৰ পৰা ভগৱানে ধুনীয়া ফুলপাহ প্ৰথমেই চিঙি নিয়ে।

কিন্তু ৰাজুৰ মৃত্যু জানো সুন্দৰ? যিটো পৰিয়ালে পৰিশ্ৰম কৰিও দুবেলা দুমুঠি খাবলৈ নাপায় সেই পৰিয়ালৰ দৰিদ্ৰতাই জানো ৰাজুৰ মৃত্যুৰ বাবে দায়ী নহয়?

হঠাতে তাইৰ পৰিছিল মনত ৰাজুৰ মুখৰ কিছুমান কথা।

এদিন পাপৰিক ৰাজুৱে কৈছিল—

ঃ জানে বাইদেউ, মই ডাল হৈ অহাৰ পাছত পথাৰলৈ যাম। ভাইটী-ভন্টীকেইটাক পঢ়ুৱাম। মা-দেউতাক আৰামত ৰাখিম। সেইদিনা আপুনি আমাৰ ঘৰলৈ আহিব। আমি সকলোৱে মিলি ফূৰ্তি কৰিম, মাথো হাঁহিম।

ঃ বাইদেউ, বুৰঞ্জীত দেখোন পঢ়িছিলো আগৰ মানুহ অসভ্য, অজ্ঞানী আছিল যদিও ভোকাতুৰক খাবলৈ দিছিল, নিৰাশ্ৰয়ক আশ্ৰয় দিছিল। কিন্তু আজি মানুহ সভ্য, জ্ঞানী হৈও কিয় আমাৰ মুখৰ পৰা ভাতমুঠি কাঢ়ি নিয়ে? তেওঁলোকৰ নিজৰে দেখোন বহুত আছে।

ঃ আমি কিয় ইমান দুখীয়া বাইদেউ? আমি খেতি কৰি অনা ধান মহাজনহঁতে কিয় লৈ যায়? কিয়? কিয়? কিয়?

পাপৰিয়ে তেতিয়া নিজকে প্ৰশ্ন কৰে, "কিয় আজি এইখন স্বাধীন দেশত গগনচুম্বী অট্টালিকাৰ ছাঁত এটা ভোকাতুৰা শ্ৰেণীয়ে জীয়াই থাকিব লগা হৈছে?"

সেয়ে ৰাজুৰ মৃত্যুৰ যে সকিয়াই গ'ল, এইয়া মৃত্যুৰ ওচৰত মানুহৰ শ্ৰেষ্ঠতাৰ এক চৰম পৰাজয়।

( ২ )

সময়বোৰ লাহে লাহে আগুৱাই গৈ আছিল। বাহিৰত তেতিয়া বহুত মানুহ গোট খাইছিল। সকলোৱে ৰাজুৰ শেষকৃত্যৰ বাবে যো-জা কৰাত লাগিছিল।

পাপৰিয়ে আতৰৰ পৰা সকলোৰে আলেখ-লেখ চাই আছিল।

চোতালত শুৱাই থোৱা মৃতদেহটোৰ কাষত গাৱঁৰ ৰাইজে সেৱা কৰি কৈ গৈছিল— "তোমাৰ স্বৰ্গগত আত্মাই চিৰশান্তি লাভ কৰক।"
যাৱতীয় ধৰ্ম্মীয় আচাৰ হৈ যোৱাৰ পাচত মৃত-দেহটো চাৰিজনে চাঙি এখনত নি পথাৰত সজোৱা চিতাত শুৱাই দিলে।

তেতিয়া পশ্চিম আকাশত অস্তগামী সূৰ্য্যই ভুমুকি মাৰিছিল। গভীৰ বিষাদত প্ৰকৃতি যেন নিশ্চুপ হৈ পৰিছিল।

এজন এজনকৈ সকলোৱে একোডাল খৰি দেহাটোৰ ওপৰত জাপি দিছিল। এজনে চিতাৰ তলত একুৰা জুই জ্বলাই দিছিল। লাহে লাহে জুইকুৰা দপদপকৈ জ্বলি আকাশৰ ফালে ধাবিত হৈছিল। জুই আৰু ছাঁইৰ মাজত ৰাজুৰ নশ্বৰ দেহটোও নিঃশেষ হৈ গৈছিল।

গধুৰ মনেৰে পাপৰি বাসভৱনলৈ ঘূৰি আহিছিল। কিন্তু ঘূৰি অহাজনী ৰাতিপুৱা চিকিৎসা কৰিবলৈ যোৱাজনীতকৈ বহুত বেলেগ আছিল। অন্তৰ এতিয়া দুখেৰে ভৰা, কিন্তু দুৰ্বল নহয়। তাই ৰাজুৰ মৃত্যুশোকত বিহ্বল। কিন্তু অধীৰ নহয়। তাই এতিয়া অকলশৰীয়া নহয়। য'লৈকে যাব তাতেই বহুত ৰাজুৰ জন্ম দিব। সিহঁতক মৰিবলৈ নিদিয়ে, সিহঁতক তাই ধ্বংসৰ গায়ত্ৰীৰ মন্ত্ৰ শিকাব। সিহঁতক দুৰ্বাৰ গতিৰে আগবঢ়াই নিব— অন্যায়-অত্যাচাৰ শোষণৰ বিৰুদ্ধে যুঁজ দিবলৈ। এখন নতুন সৃষ্টিয়ে ধ্বংসৰ বুকুৰ পৰা মূৰ ডাঙি উঠিব। এখন নতুন পৃথিৱীৰ জন্ম হ'ব য'ত সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিক তথা বৈষম্যহীন একতাৰে দেশখনে নতুন সাজ-পাৰ পিন্ধিব।

লাহে লাহে ৰাতিপুৱাই আহিছিল। গোটেই ৰাতি উজাগৰে কটোৱাৰ পাছত পাপৰিয়ে দেখিলে কুঁৱলীৰ আচল ফালি ৰঙা বেলিটোৱে অকৃপণ ভাৱে ধনী-দুখীয়া নিৰ্বিশেষে ঘৰে ঘৰে পোহৰ বিলাইছে।

এটা নতুন দিনৰ জন্ম হৈছিল।

পাপৰি মনটো ফৰকাল লাগিছিল— এটা প্ৰচণ্ড জোৱাৰৰ পাচত শান্ত হৈ পৰা সাগৰ এখনৰ দৰে।

প্ৰভাতী সুৰুযক স্বাগতম জনাবলৈ পাপৰি বাহিৰলৈ ওলাই আহিছিল। ●




# স্বপ্ন

পূৰবী ৰাজগুৰু

এক প্ৰলয়নকাৰী ধুমুহা। আকাশখনৰ কোনোবা এটা প্ৰান্তৰৰ নীলা ৰংটো নাইকিয়া হৈ গৈছে। সেই সুদূৰ প্ৰান্তৰৰ পৰা ক্ৰমশঃ আগবাঢ়ি আহিছে কাৰো ইচ্ছা-অনিচ্ছালৈ ভ্ৰূক্ষেপ নকৰি এজাক বৰষুণ। মাজে মাজে কাণতাল মৰা মেঘৰ গাজনি……। যেন গোটেই পৃথিবীখন শব্দত কঁপি উঠিছে……। এক অবৰ্ণনীয় আতংকত।

আলিবাটটোত মানুহবোৰে বিৰাট এক কোলাহল কৰি দৌৰিছে, দৌৰিছে…… মাথো দৌৰিছে……। দৌৰোতে লক্ষ্য কৰিছিলো মানুহ-বোৰৰ বহুতো পৰিছে, বহুতেই মানুহৰ গচকত মৰণান্তিক যন্ত্ৰণাত আৰ্তনাদ কৰিছে…। ক্ষন্তেক ৰৈ কাৰণটো জানিবৰ চেষ্টা কৰিলো…। এনেতে হঠাৎ…. কাণত পৰিল এক বিকট শব্দ। "সেইটো গুলি মৰাৰ শব্দ," নিজেই নিজকে ক'লো। তাৰ মানে মইও দৌৰিব লাগিব।

মানুহবোৰৰ মাজে মাজে মইও দৌৰিবলৈ আৰম্ভ কৰিলো। দৌৰিছো, মাথো দৌৰিছো……। কিয়, কলৈ মই নেজানো। অনুভৱ কৰিছিলো চিঞৰ-বাখৰবোৰ যেন ক্ৰমাত কমি আহিছে……। হয়তো মানুহবোৰে গুলিবোৰ বুকুৰ মাজত সুমুৱাই আলিটোৰ ওপৰতে নিতাল মাৰিছে। মোৰ বুকুখন যেন কঁপিব ধৰিছে… আগতকৈও বেগাই দৌৰিছো। দৌৰোতে দৌৰোতে মোৰ ভাগৰ লাগিছিল। তথাপিও যাবই লাগিব। হঠাৎ লক্ষ্য কৰিলো মোৰ সমস্ত মাংস গাৰ পৰা ক্ৰমাৎ খহি গ'ল। মাথো আছেগৈ হাড়ৰ সমষ্টিৰ জকাটো আৰু মৃতপ্ৰায় প্ৰাণটো…। বেকা-বেকি, পাহাৰ-ভৈয়াম সকলো ক্ৰমাত অতিক্ৰম কৰি গৈ আছো। কিমান সময়ৰ পাছত নেজানো…… কিন্তু জানো যে বহু সময় হৈ গ'ল। চকুত পৰিল এটা টিলাৰ ওপৰত বৃহৎ চৌহদেৰে এটা কেইবা খলপোৱা ঘৰ। ঘৰটোৰ গেটখনত লিখা আছে "শান্তি সন্মিলন।" পঢ়ি লৈ ভাবিলো— "ইয়াতেই হয়তো নিৰাপত্তা পাম।" ঘৰটোত প্ৰবেশ কৰিলো। বাহিৰৰ পৰা একো নেদেখি। সোমাই যোৱা পদুলীটোত কিছুমান ফুলা-নুফুলা ফুলৰ গছ…। বেছ ধুনীয়া। আগবাঢ়ি গলো মই।

কিন্তু ই কি? যিমানেই আগবাঢ়ি ঘৰটোৰ খলপাবোৰ অতিক্ৰম কৰিছো সিমানেই যেন মোৰ

জকাটোৰ বুকুৰ কামিহাড়বোৰৰ উঠা-নমা বাঢ়ি গৈছে। একেবাৰে ওপৰৰ মহলাত উঠাৰ লগে লগে মোৰ চকু দুটা ডাঙৰ হৈ গ'ল। এটা কোঠাত দেখিলো এজন নেতা সদৃশ লোক চকী এখনত বহি কিছুমান নথি পত্ৰত স্বাক্ষৰ কৰিছে। মেজ খনৰ সন্মুখত লিখা আছে 'অধ্যক্ষ' আন এটা কোঠাত মনে মনে খিৰিকিৰে ভুমুকিয়াই দেখিলো এজন শিষ্ট-পুষ্ট লোকে বহুতো ব্যক্তিক শিক্ষা দান কৰিছে। বেৰত কাণ পাতি শুনিছো। কিন্তু কি শুনিছো? শিক্ষকে দেখোন ছাত্ৰক, শিল গুটিৰ পৰা চাউল, দাইল বনোৱা, ঔষধৰ বটলত বিশুদ্ধ পানী ভৰোৱা ইত্যাদি ভেজাল ব্যৱসায়ৰ বিষয়েহে কৈছে....। লাহে লাহে মই তাৰ পাছৰ কোঠাটোৰ ওচৰলৈ আগবাঢ়িলো। তাত আৰু আচৰিত হৈ গলো। কেইবাজনো ব্যক্তিয়ে হাতত সুৰাৰ পিয়লা লৈ অৰ্ধ-উলংগ হৈ নাচিছে। সন্মুখত বৈ আছে কিছুমান নাৰী....। নাৰী কেইজনীয়ে ব্যক্তি কেইজনৰ ভৰিত পৰি পৰি কান্দিছে.......। লগে লগে এজন মোচাল, শকত-আৱত, অসুৰাকৃতিৰ মানুহে হাতত চাবুক লৈ নাৰী কেইগৰাকীক প্ৰহাৰ কৰিছে। বুজিবলৈ বাকী নাথাকিল যে এইয়া সতীত্ব হৰণৰ দাবী...। মই থিৰেৰে থাকিব নোৱাৰিলো। প্ৰতিবাদত চিঞৰি চিঞৰি বন্ধ দুৱাৰখনত ঠেলা মাৰিলো। কিন্তু, কিন্তু মোক সেই চাবুকধাৰী মানুহটোৱে ওপৰৰ পৰা তললৈ পেলাই দিলে। তললৈ চকু যোৱাত দেখিলো কিছুমান 'লেহেদ,' মানে 'কবৰ', সমাধি। যিমানেই তললৈ নামি আহিছো সিমানেই বুকুখন ন্যায়ৰ দাবীত শক্তিশালী হৈ উঠিছে। সেই শক্তি ন্যায়ৰ, প্ৰতিবাদৰ। তলত পৰাৰ লগে লগে মোৰ সমস্ত জকাটো ভাঙি চুৰমাৰ হৈ গ'ল। মই সশব্দে কান্দি উঠিলো। কিন্তু তাৰ পাছ মুহূৰ্ত্তত এজাক জনতাই সেই ঘৰটোলৈ সোমাই আহিল। মই চিনি পালো। মোৰ লগত দৌৰা সেই মানুহবোৰ। লগে লগে ভাগি যোৱা শৰীৰটো পুনৰ লগ হৈ গ'ল। মই অনুভৱ কৰিলো মোৰ হাতৰ মুঠিটো আগতকৈও কঠিন হৈ গ'ল। কবৰটোৰ পৰা কিছুমান জীৱন্ত কংকালে চিঞৰি উঠিল...। "তোমালোকে আমাক মুক্তি দিয়া।" লগে লগে মই থিয় হ'লো। সোমাই অহা মানুহবোৰৰ মাজৰ পৰা এগৰাকী বৃদ্ধা আগবাঢ়ি আহিল। মই চিনি পালো, বৃদ্ধাৰ নাম 'অসমী'। বৃদ্ধাগৰাকীয়ে মোক এখন তেজৰ চেকা লগা তৰোৱাল হাতত দি সন্মুখৰ ঘৰটোলৈ আঙুলিয়াই দেখুৱালে। ঘৰটোৰ একেবাৰে ওপৰত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছে "ৰাষ্ট্ৰমন্ত্ৰ"। মই পুনৰ দৌৰি ঘৰটোৰ ভিতৰলৈ সোমাই গলো। মোৰ পাছে পাছে মানুহবোৰ....। মই এফালৰ পৰা ঘৰটোৰ সকলো ভাঙি গ'লো। শেষত সোমালোগৈ সেই অধ্যক্ষৰ কোঠাত। মই এক বিকট চিঞৰ মাৰি তৰোৱালখন অধ্যক্ষৰ পেটত সুমুৱাই দিলো......।

মোৰ চিঞৰত সকলো সাৰ পাই গ'ল। মইয়ো উঠি আহি দুৱাৰ মুখ পালোহি। তেতিয়া মোৰ কাষৰ কাৰাগাৰৰ অধ্যক্ষৰ কোঠাৰ ঘড়ীত নিশা ১ (এক) বজাৰ ঘন্টা মাৰিছে। আনটো কোঠাৰ লগৰীয়া কয়েদি খৰ্গেশ্বৰে চকু মোহাৰি মোহাৰি সুধিলে.... কিয়? 'কি হ'ল তোৰ দীলিপ'....। এনেকৈ চিঞৰিছ —কোনে, মই.... অ' এনেয়ে এটা সপোন দেখিছিলো। —যা— যা— শুই থাকগৈ।

—নাই অ' খৰ্গেশ্বৰ, "যাৰ বাবে এই দীৰ্ঘদিন আমি কাৰাগাৰত বন্দী হৈ আছো, সেই স্বপ্ন আজিও আতঁৰ হোৱা নাই"।

কথাষাৰ কৈয়ে মই পুনৰ বিচনা নামৰ পকা টুকুৰালৈ উঠি গলো....। বাহিৰত যথেষ্ট ঠাণ্ডা পৰিছিল যদিও, মই ভিতৰি ভিতৰি খুউব ঘামিছিলো। ●

**একাঙ্কিকা**

# মিচ্ সুন্দৰী

চালেহা চুলতানা ৰহমান
স্নাতক ১ম বাৰ্ষিক

চৰিত্ৰসমূহ ঃ ১। নীনা বৰুৱা ( সদস্যা )
২। দীপ্তি কাকতি „
৩। মিচেচ্ মাধুৰীমা বৰবৰা (বিচাৰপতি)
৪। „ বীনা শইকীয়া (সহকাৰী বিচাৰপতি)
৫। ১ম প্ৰতিনিধি (সমাজৰ)
৬। ২য় „ „

[ পট উঠাৰ লগে লগে দেখা যাব যে নীনা আৰু দীপ্তিয়ে চকী টেবুলবিলাক সজাবলৈ ধৰিছে। ]

নীনা ঃ (ঘড়ী চাই) এস, ছটা বাজিবৰে হ'ল দেখোন। মিচেচ্ বৰবৰা আৰু মিচেচ্ শইকীয়া আহি পাইছিয়ে লাগে।

দীপ্তি ঃ সেইবাবে সোনকাল কৰা উচিত। হেৰি নহ'য়— ফুলদানিটো আজৰ টেবুলতে থলে ভাল হ'ব, নহ'য় জানো?

নীনা ঃ তেওঁলোকে আৰু' ফুল ভাল পায়নে নেপায়। থোৱা বাৰু। অ' তুমি খোৱা ব্যৱস্থাটো······

দীপ্তি ঃ আপুনি চিন্তাই নকৰিব বৰুৱা। মই আপচোচ, চমচম, চন্দেশ, লালমোহন, ৰচগোল্লা, সবযু হোটেলত অৰ্ডাৰ দি থৈ আহিছোঁ।

নীনা ঃ আমাৰ গাওঁলীয়া পিঠা কেইবিধমানো খোৱা হ'লে ভাল আছিলনেকি?

দীপ্তি ঃ এস থওক। সেইবিলাক বেকৱাৰ্ড বস্তু দি চুকৰ ভেঁকুলী বুলি পৰিচয় দিওঁ কিয়? আৰু মিচেচ্ বৰবৰা আৰু শইকীয়াই মুখত দিয়াটো বাদেই এইসোপা কি অজীৰ্ণ বস্তু দিছে বুলি হুলস্থুল লগাই দিব। তেওঁলোকে মিছে চাহাবী খানা খায়। বেহেৰাই আনি হাতত লগাই দিয়ে, মুখত অসমীয়া নুফুটেই। দেহিঐ আমাৰ অসমীয়া কেইটাইনো এনেদৰে উন্নতি কৰিব পাৰিছে?

নীনা ঃ এৰা তেওঁলোক টোকা মানুহ। তেওঁলোকৰ বুজিবৰ বাবে বহল অন্তৰ আছে বাবেহে অসমীয়াৰ দুখ বুজি আমাক প্ৰগতিৰ পথ দেখুৱাইছে। (গাড়ীৰ হৰ্ণ বাজে)
সেয়া, আমাৰ জাজ্ আহি পালেহিয়ে যেন লাগিছে দীপ্তি, তুমি সোনকাল কৰা, মই ছোৱালীখিনি সাজু হৈছেনে নাই এবাৰ চাই আহো। (প্ৰস্থান) (সেইসময়তে দীপ্তিয়ে

বেগৰ পৰা লিপ্‌ষ্টিক উলিয়াই দুবাৰমান ঘঁহে আৰু আইনা চাই চুলি থিক কৰে নীনা সোমাই আহে।)

নীনা : সোনকাল কৰা দীপ্তি। ফুলৰ মালাকেইডাল ক'ত থলা ?

দীপ্তি : এয়া মোৰ বেগৰ ভিতৰত (বেগটো খুলি এডাল মালা নিজে লৈ আনডাল নীনাক দিয়ে আৰু দুয়ো দুৱাৰ মুখত থিয় হ'য়। এনেতে ৰাইজৰ মাজত চিঞৰ-বাখৰ হ'ব )

নীনা : বৰ বেয়া কথা হ'ল। মানুহখিনিয়ে দেখোন বৰ হুলস্থূল কৰিছে।

দীপ্তি : তুমি অলপ ধৈৰ্য্য ধৰিবলৈ কোৱাচোন। মই আগবাঢ়ি চাওঁ (নীনা ৰাইজৰ সমুখলৈ গৈ বুজাবলৈ ধৰে )

নীনা : ৰাইজসকল, ৰাইজসকল. আপোনালোকে হুলস্থুল নকৰিব। অলপ সময় ধৈৰ্য্য ধৰক। আমাৰ জাজ্ আহি পালেহিয়ে, গতিকে আমি আমাৰ কাম আৰম্ভ কৰিম। ক্ষন্তেক অপেক্ষা কৰক। গাড়ীৰ হৰ্ণ পুনৰ বাজে )

দীপ্তি : নীনা, নীনা আহা সোনকালে।

নীনা : সেয়া আমাৰ জাজ আহি পালেহিয়ে। (দৌৰি আহি টেবুলৰ ওপৰৰ পৰা মালাডাল লৈ দুৱাৰ মুখত থিয় হ'য়। জাজ সোমাই আহে। নীনা আৰু দীপ্তিয়ে নমস্কাৰ বুলি কৈ মালা পিন্ধায়। জাজে মুখ জোকাৰে )

দীপ্তি + নীনা : (একেলগে) আহক আহক, ইয়াতে বহক।

মিঃ বৰবৰা : মিচেচ্ কাকতি আমি বেছি Time Spend কৰিব নোৱাৰিম। We are very busy.

দীপ্তি : হ'ব হ'ব আমাৰ কাম সোনকালে হ'ব।

নীনা : আপোনালোক অহোঁতে বাটত কিবা অসুবিধা

মিচেচ্ শইকীয়া : নাই নাই একো অসুবিধা হোৱা নাই। নহয়নে বৰবৰা ?

মিচেচ্ বৰবৰা : Yes কোনো Problem হোৱা নাই। কিন্তু Road টো কেঁচা বাবে আমাৰ গাড়ীখনে অলপ দুখ পালে।

শইকীয়া : এখেতৰ একেবাৰে নিউ মডেলৰ মাৰুতি কাৰতো। সেইবাবে কেঁচা ৰাস্তাত চলাবলৈ অলপ অসুবিধা হ'য় আৰু······

দীপ্তি : আমাৰ গাঁৱলীয়া ৰাস্তা সেইবাবে···

বৰবৰা : No. No, Don't mind কাকতি। প্ৰগতিৰ পথত আগবাঢ়ি যাবলৈ হ'লে নিশ্চয় ঘাত প্ৰতিঘাতৰ সন্মুখীন হব লাগিব। কিন্তু বৰ্ত্তমান আপোনালোকৰ কাম কিমান দূৰ আগবাঢ়িছে ? প্ৰতিযোগীসকল সাজুনে ?

দীপ্তি : আমাৰ কাম প্ৰায় শেষ। নীনা তুমি প্ৰতিযোগীসকলক পুনৰ সোনকাল কৰিবলৈ কোৱাগৈ। প্ৰতিযোগিতা আৰম্ভ কৰাৰ সময় হৈ গ'ল। (নীনাৰ প্ৰস্থান। সেই সময়তে দীপ্তিয়ে জুমি চাই বেগৰ পৰা টকা উলিয়াই বৰবৰাৰ হাতত দিয়ে) মিচেচ্ বৰবৰা দয়া কৰি গ্ৰহণ কৰক।

বৰবৰা : (হাত পাতি লৈ) কিন্তু আপোনাৰ উদ্দেশ্য ?

দীপ্তি : মানে, মানে. মোৰ ছোৱালীজনীও প্ৰতিযোগিতাত অংশ লৈছে গতিকে

বৰবৰা : তেতিয়াহলে আপুনি চিন্তাই নকৰিব মিচেচ্ কাকতি। কিন্তু আপোনাৰ Daughter ৰ সৌন্দৰ্য্যৰ বৰ্ণনা দিলে মোৰ Select কৰাত সুবিধা হ'ব। মিচেচ্ শইকীয়া আপুনি জপুতে লিখি লওকচোন।

শইকীয়া : (কাগজ কলম উলিয়াই) প্ৰথমে আপোনাৰ ছোৱালী জনীৰ নামটো কওক ?

দীপ্তি : মোৰ ছোৱালীজনীৰ নাম শীলা। শীলা

কাকতি। ওখ নহলেও জোখৰ আৰু।

শইকীয়া : তাৰ মানে কিমান ওখ ?

দীপ্তি : এস্ কিনো ক'ম মিচেচ্ শইকীয়া। ছোৱালী-জনীৰ দেউতাক তিনিফুট বাবে তাইয়ো তিনি ফুটতকৈ বেছি ওখ নহ'ল।

শইকীয়া : হ'ব বাৰু। স্লিম ফিগাৰ নে ফেট ?

দীপ্তি : সকলোৱে তাইক দেখোন সৰুসুৰা হাতী-পোৱালী এটা বুলিয়ে ভুল কৰে। আচলতে আমাৰ গাৱঁলীয়া ছোৱালীতো, শাকে কচুৰে খায় বাবে Diet control নকৰিলেও হয়। ইয়াৰ বাবে Select কৰাত কিবা অসুবিধা হ'ব নেকি মিচেচ্ বৰবৰা।

বৰবৰা : নাই, নাই, ইয়াৰ বাবে চিন্তা কৰিব লগীয়া একো নাই। আপুনি কৈ যাওক।

শইকীয়া : ককাল ?

দীপ্তি : ককালটো গবামাৰি ধৰিলেও চুকি, পোৱা টান যদিও ৰতাহতে হালিব জালিব পৰা।

শইকীয়া : এইবাৰ মুখৰ সৌন্দৰ্য্যলৈ আহক।

দীপ্তি : তাইৰ মুখখন বৰ মৰমলগা। দেখিলেই টোপনি আহি যোৱা। চকুৰ চেলাউৰি দুচকুৰেদি আমাৰ গাওঁৰ আলি-কেকুৰীবোৰৰ দৰে বেঁকা হৈ গৈছে। দুৰৰ পৰা দেখিলে এনে লাগে যেন দুডখৰ ডাঠ ঘন হাবি, পাৰভাঙি যেন বাগৰি গৈছে। আৰু নাকটো···।

দীপ্তি : এস নাকটো ফেপেলা বাবে ইঞ্চিৰে জুখিব নোৱাৰি যদিও উশাহ লব পৰাকৈ নাকৰ দুটি সৰু সৰু ফুটা। গালত আলুগুটিৰ নিচিনা সুন্দৰ কেইটামান পিম্পল আৰু তাৰ মাজে মাজে চুমাখাবৰ মন যোৱাকৈ মুৰগীয়া বৰ আইসকলৰ দাগ। আৰু··· আৰু····

বৰবৰা : মিচেচ্ কাকতি, আপোনাৰ ছোৱালীৰ সৌন্দৰ্য্যৰ বৰ্ণনা শুনি সঁচাকৈয়ে মোৰ টোপনি আহিছে।

শইকীয়া : এইবাৰ ওঁঠলৈ আহক।

দীপ্তি : ওঁঠ দুটা বাহিৰলৈক ওলমি পৰা চাৰি আঙুল বহল। তাত তেজৰঙা সুকয়ৰ হেঙুলীয়া বোল নাই যদিও ·······

বৰবৰা : চুমাখাবৰ মন যোৱাকৈ নিশ্চয় চেলা বং এটা আছে বোধহয়।

দীপ্তি : হ'য় হ'য় আপুনি ঠিকেই অনুমান কৰিছে।

বৰবৰা : তেতিয়াহ'লে ৰাহ কেনে সুন্দৰী। মই কাহানিও এনে সৌন্দৰ্য্যৰ বৰ্ণনা শুনা নাই। মিচেচ্ কাকতি আপুনি বৰ ভাগ্যবান। এনে ছোৱালীহে মিচ্ সুন্দৰী হ'বৰ যোগ্য। নহ'য়নে মিচেচ্ শইকীয়া ?

শইকীয়া : এৰা ঠিকেই। এনে সুন্দৰী এগৰাকী এনে-কুৱা এখন বেকৱাৰ্ড সমাজত থাকিলে আমাৰ ওপৰ চকুৱাবোৰৰ ক'ত চকু পৰিব ?

দীপ্তি : গতিকে মই মোৰ ছোৱালীজনী মিচ্ সুন্দৰী হ'ব বুলি আশা কৰিলোঁ।

শইকীয়া : Don't worry Mrs kak-ti। সেই বিষয়ত এতিয়া আপুনি নিচিন্ত থাকক। আপোনাৰ সপোন কুঁৱৰীযেন ছোৱালী শীলা-দেৱী মিচ্ সুন্দৰী হ'বই। কিন্তু এটা কথা শুনক। ফুচফুচাই কব খোজোঁতে নীনা আহে। দীপ্তিয়ে সচেতন হৈ আঁতৰি যায়।

দীপ্তি : অ' নীনা। প্ৰতিযোগীসকল সাজু নে ?

নীনা : কিন্তু আমাৰ চাৰিগৰাকী প্ৰতিযোগী এতিয়াও আহি পোৱাহি নাই।

দীপ্তি : তেতিয়া হ'লে যি কেইগৰাকী আছে সেই-সকলকলৈয়ে আৰম্ভ কৰি দিও।

বৰবৰা : অস ১১-৩০

শইকীয়া ঃ (ঘড়ী চাই) হয় । আমি বেছি সময় কৰিব নোৱাৰিম।

নীনা ঃ হ'ব হ'ব আমাৰ কাম সোনকালে হ'ব । হেৰি ন'হয় শীলাৰ কাপোৰ আৰু লিপ্ ষ্টিক হেৰা ল হুলস্থুল লগাইছে ।

বৰবৰা ঃ What is the problem Mrs Sikia, চিকিয়া (শইকীয়া) ?

নীনা ঃ Problem মানে ………… নাই নাই, ত্ৰিকো problem হোৱা নাই ।

শইকীয়া ঃ তেতিয়াহ'লে প্ৰতিযোগিতা আৰম্ভ কৰি দিয়ক ।

নীনা ঃ তুমি ছোৱালীজনীক যেনে তেনে বুজোৱা দীপ্তি। বহুত পলম হৈ গ'ল. বিচাৰকসকল আহি গুচি গলে বৰ বেয়া কথা হ'ব। তাতে আমাৰ বাইজ-সকল তিনিঘণ্টা জুৰি কিমান ধৈৰ্য্য ধৰি থাকিব ? তুমিয়ে কোৱাচোন ?

দীপ্তি ঃ তেতিয়া হ'লে তুমিয়ে আৰম্ভ কৰি দিয়া মই শীলা আৰু ছোৱালীখিনিক বুজাই আহিছোঁ। (প্ৰস্থান)

নীনা ঃ ( ভিতৰলৈ জুমি চাই বেগৰ পৰা টকা উলিয়াই ৰবৰবাৰ হাতত দিয়ে ) মিচেচ্ বৰবৰা, কথাটো ধৰিব পাৰিছে নিশ্চয় ?

বৰবৰা ঃ নিশ্চয়, নিশ্চয়, আপোনাৰ ছোৱালীও নিশ্চয় এই প্ৰতিযোগিতাত অংশ লৈছে ?

নীনা ঃ হ'য়, হ'য় আপুনি থিক অনুমান কৰিছে । গতিকে মই আশা কৰিব পাৰোনে…… ?

বৰবৰা ঃ সম্পূৰ্ণৰূপে । পিছে আপোনাৰ সুন্দৰী ছোৱালীৰ বৰ্ণনা দিলে মোৰ কিছু সুবিধা হ'ব ।

নীনা ঃ তাইৰ নাম হেলেন বৰুৱা ।

বৰবৰা ঃ ট্ৰয় নগৰ ধ্বংসকাৰিণী 'হেলেন' নহ'য়তো—?

নীনা ঃ বিশ্বাস কৰক । শতকৰা ৫০% ভাগ নহয় যদিও আধা ভাগে হিয়া মন ভেদি যাব পৰা ৰূপ । তিল ফুলিয়া নাক, ৰহল চকু, বৈ পৰা চেলাউৰি, লিতা ওঁঠ, আঠু লৈকে বৈ পৰা চুলি, গজেন্দ্ৰ গমন খোজ, খাৰিচিয়া ককাল আৰু …… আৰু……

বৰবৰা ঃ বাহ মিচেচ্ বৰুৱা । আপোনাৰ ছোৱালীৰ এই ৫০% ভাগ সৌন্দৰ্য্যই ভাৰতবৰ্ষ ধ্বংস কৰিব নোৱাৰিলেও অসম যে ধ্বংস কৰিব মই নিশ্চিত ।

নীনা ঃ (মিচিকি হাঁহিৰে) তেতিয়া হ'লে মই নিশ্চিন্ত থাকিব পাৰিম । (স্বগোক্তি) মোৰ ছোৱালী এইবাৰ কেনেবাকৈ মিচ্ সুন্দৰী প্ৰতিযোগিতাত পাছ কৰিব পাৰিলে তাই অনায়াসে মিচ্ আসাম, মিচ্ ইণ্ডিয়া, মিচ্ এচিয়া আৰু মিচ্ ইউনিভাৰ্চও হ'ব পাৰিব । অ স ! মোৰ সুন্দৰী ৰাণী । অস ! মোৰ ভাগ্য !

বৰবৰা ঃ আপোনাৰ মনোকামনা পূৰ্ণ কৰিবলৈ হ'লে আৰু এটা কথা শুনক (ফুচফুচাই কবলৈ লওঁতে দীপ্তি আহে)

নীনা ঃ অ' দীপ্তি ? সকলো ঠিক আছেনে ?

দীপ্তি ঃ সকলো ঠিকে আছে । মই কাৰ্য্যসূচীখন দি থৈ যাবলৈ তোমাক পাহৰি গলো । এয়া লোৱা । (বেগৰ পৰা উলিয়াই) । কিন্তু তুমি দেখোন আৰম্ভ কৰাই নাই ?

নীনা ঃ (হাত পাতি লৈ) কাৰ্য্যসূচীখন দি থৈ নোযোৱা বাবে আৰম্ভ কৰিব পৰা নাই ।

দীপ্তি ঃ ঠিক আছে এতিয়া তুমি আৰম্ভ কৰি দিয়া।

নীনা ঃ (ৰাইজৰ সমুখলৈ আহি) শ্ৰদ্ধেয় ৰাইজ, আমি দেউঘৰীয়া মহিলা সমাজে আমাৰ মাজৰ পৰা এগৰাকী শ্ৰেষ্ঠা সুন্দৰী বাছি উলিয়াবৰ বাবে এখনি মিচ্ সুন্দৰী প্ৰতিযোগিতা পাতি-বলৈ লৈছোঁ। আজিৰ এই প্ৰতিযোগিতাৰ বিশিষ্ট অতিথি আৰু বিচাৰকৰ আসনত

বহিব এই অঞ্চলৰ পৰম হিতাকাংশী প্ৰগতিৰ পথ দেখুওতা, সেন্দুৰীয়া পথ বোলাওঁতা সন্মানিত ব্যক্তি শ্ৰীমতী মাধুৰীমা বৰবৰা আৰু সভাথন পৰিচালনা কৰিব আমাৰ এই অঞ্চলৰ এগৰাকী প্ৰগতিশীলা, উন্নতিৰ কামনা কৰা আন এগৰাকী হিতাকাংক্ষী সন্মানিতা ব্যক্তি শ্ৰীমতী বীনা শইকীয়াই। এতিয়া আপোনালোকে আসন গ্ৰহণ কৰক।

বৰবৰা + শইকীয়া : (একেলগে) আমি আমাৰ আসন গ্ৰহণ কৰিছোঁ। (নীনাই বীনাক কাৰ্য্যসূচী দিয়ে)

বীনা শইকীয়া : (কাগজ চাই) বিশিষ্ট অতিথিৰ দুৱাষাৰৰ পিছত প্ৰতিযোগিতা আৰম্ভ হ'ব। গতিকে প্ৰথমে আছে, নিমন্ত্ৰিত বিশিষ্ট অতিথি আৰু বিচাৰক মিচেচ্ মাধুৰীমা বৰবৰাৰ ভাষণ (সকলোৰে চাপৰি বজায়। বৰবৰা স্পীকাৰৰ সমুখলৈ আহে)

বৰবৰা : শ্ৰদ্ধেয় দেউঘৰীয়া সৌন্দৰ্য্যপ্ৰেমী মোৰ সহৃদয় ৰাইজ। বৰ্ত্তমান আমাৰ দেশে 'প্ৰগতি' নামৰ শব্দটোৰ পিছত দৌৰিব লাগিছে, দৌৰিব লাগিছে। তাৰ লগে লগে নতুন নীতি নিয়ম আধুনিক কথা কাণ্ডই প্ৰগতিৰ ভিত্তিত ওলমি সোণত সুৰগা চৰাব বিচাৰিছে। সেইবাবে আমিও পিছপৰি নাথাকি প্ৰগতিৰ নেজত ওলমিব পৰাকৈ শক্ত খোজেৰে আগবাঢ়ি প্ৰগতিক লগ ধৰিবলৈ চেষ্টা কৰিব লাগে অৰ্থাৎ প্ৰস্তুতি চলাব লাগে। কিন্তু ইয়াৰ বাবে মন বান্ধিবলৈ প্ৰথমতে আমাৰ মনবোৰ সাগৰৰ দৰে বহল হ'ব লাগিব যাতে সহজে কথাবোৰ হজম কৰি তৎকালিনভাৱে কাৰ্য্যত পৰিণত কৰিব পৰা যায়। কিন্তু এই ক্ষেত্ৰত আমাৰ মহিলা-সুন্দৰী বিলাকৰ মাজত ফট্‌ফটিয়া, তৰ্জবৰ্জীয়া, কোমল মন অৰ্থাৎ যাক ইংৰাজীত Smart বুলি কোৱা হয় সেই স্মাৰ্টনেচটো খেপিয়ালেও বিচাৰি পোৱা টান। ইয়াৰ প্ৰধান কাৰণ হ'ল এই Smart শব্দটোৰ ওপৰত লাজ, ভয় এই চয়তান দুটাৰ অত-পালি। সেইবাবে আমি মহিলা সুন্দৰীসকল পিছপৰি আছোঁ। কিন্তু এতিয়া আমি চুকৰ ভেকুলী, নাদৰ ভেকুলী হৈ অকল নাদৰ ভিতৰ খিন কিমান দ তাক জানিলেই নহব বাহিৰৰ পৃথিৱীখনো আমাৰ পৰা কিমান দূৰত কিমান দহত আছে তাকো জানি যুগৰ লগত খোজ মিলাই আগবাঢ়ি যাব লাগিব। আমাৰ মাজতে কিমান সৌন্দৰ্য্যৰ ৰাণী, সপোন কুঁৱৰী আছে কিন্তু কিমানেবা নিজৰ সৌন্দৰ্য্য প্ৰকাশ কৰিবলৈ সুবিধা পাইছে। এই ক্ষেত্ৰত আমাৰ ওপৰ-চকুৱা সমাজখনৰ গাত দোষ। আজিকালি মিচ আসাম পাতে, মিচ গৌহাটি পাতে, মিচ ইউনিভাৰ্চ পাতে। গতিকে আমি আমাৰ দেউঘৰীয়া অঞ্চলৰ পৰা মিচ সুন্দৰী অৰ্থাৎ মিচ্ দেউঘৰী বাছি উলিয়াব লাগে।

শইকীয়া + দীপ্তি + নীনা : (একেলগে) হয় হয় আপুনি ঠিকেই কৈছে।

বৰবৰা : সেইবাবে আজি এই মহান উদ্দেশ্যক আমাৰ প্ৰগতিশীলা দেউঘৰীয়া মহিলা সদস্যা সকলে এই কথাকে সাৰোগত কৰি এই প্ৰতিযোগিতাখনি ...

(সেই সময়তে ৰাইজৰ মাজৰ পৰা ১ম প্ৰতিনিধিয়ে 'বন্ধ কৰক' বুলি উঠি আহিব)

১ম : বন্ধ কৰক। বন্ধ কৰক আপোনালোকৰ প্ৰগতিৰ নামত কৰা ভেকো-ভাওনা।

বন্ধ কৰক আপোনালোকৰ ফুলজাৰি মৰা ভাষণ।

নীনা : হেৰা বন্ধ কৰিবলৈ তুমি আক' কোন?

দীপ্তি : এই মহান কাৰ্য্যত বাধা দিবলৈ তোমাৰ ইমান সাহ?

বৰবৰা : কোন তুমি?

১ম প্ৰতি : ৰঙীন চচ্‌মাৰ মাজেৰে গোটেই পৃথিৱী-খন ৰঙীন দেখাৰ বাবে আপোনালোকে মোক চিনি পোৱা নাইনেকি মিচেচ বৰবৰা? অথচ মই দেখোন আপোনালোকৰ প্ৰত্যেক গৰাকীক হাড়ে হিমজুৰে চিনি পাও।

দীপ্তি : ওহো আমি আপোনাক চিনি নাপাওঁ। তুমি তোমাৰ পৰিচয় দিয়া। কোন তুমি? কি তোমাৰ উদ্দেশ্য?

১ম প্ৰতি : মই কোন? মই মোৰ সহৃদয় সতীৰ্থ সহকৰ্মৰেডসকলৰ বাবে মানুহ শব্দৰ প্ৰকৃত সংজ্ঞা কঢ়িয়াই লৈ ফুৰা মই সময়ৰ প্ৰতিনিধি। আপোনা-লোকৰ দৰে কালসৰ্প, সমাজৰ ধূমকেতু, কাল শত্ৰুক বিনাশ কৰি এখন নিকা সমাজ গঢ়াই মোৰ উদ্দেশ্য।

বৰবৰা : Shut up। বন্ধ কৰা তোমাৰ দম্ভালি।

নীনা : মিচেচ্ বৰবৰা, আপুনি আৰম্ভ কৰি দিয়ক।

বৰবৰা : ৰাইজসকল, আপোনালোক আচৰিত নহ'ব। প্ৰতিযোগিতা আৰম্ভ কৰাৰ আগতে 'নবীন সূৰুয' নাটকখনি আৰম্ভ কৰা হৈছে। নহয়নে কাকতি?

দীপ্তি : হয় হয়।

১ম প্ৰতিনিধি : মিচেচ্ বৰবৰা, তেতিয়া হলে আপোনাৰ ফুলজাৰি মৰা মিছলীয়া ভাষণো নবীন সূৰুয নাটকৰ একাংশ নেকি?

বৰবৰা : What? What you say?

১ম প্ৰতি : প্ৰগতিৰ নামত ভেকোভাওনা পাতি কিমান মিছলীয়া ভাষণেৰে আমাৰ হোজা গাঁৱলীয়াক আৰু কিমান ঠগিব, মিচেচ বৰবৰা।

বৰবৰা : What Stupid? কি কি কব বিচাৰিছা তুমি? তোমালোক দেশৰ শত্ৰু, ঘৰ বিভী-ষণ তোমালোকেই দেশৰ বদন হোৱা বাবে আমাৰ দেশে, আমাৰ সমাজে উন্নতি কৰিব পৰা নাই। তোমালোকেই কালশত্ৰু, কালবৈৰী হৈ আমাৰ প্ৰগতি পথত হিমালয় ৰূপে থিয় দিয়া বাবে আমি উন্নতি কৰিব পৰা নাই। তোমালোকে······

১ম প্ৰতিনিধি : (গহীনত) ৰাইজসকল আপোনালোকে এখেতৰ গালিত ভয় নাখাব। নবীন সূৰুয নাটকৰ মুখ্য চৰিত্ৰত এখেতে মুখ্য অভিনয় কৰিছে। মিচেচ্ বৰবৰা এতিয়া আপোনাৰ প্ৰথম অংকৰ অভিনয় শেষ হল। আপুনি মনে মনে নিজৰ আসনত বহি থাকিব পাৰে।

বৰবৰা : (খঙেৰে চাই ৰাইজসকল মোৰ বক্তব্য আজিলৈ ইমানতে শেষ হল। ধন্যবাদ।

১ম প্ৰতিনিধি : আজিলৈ নহয়। চিৰদিনলৈ আপো-নালোকৰ ভেকোভাওনা বক্তব্য শেষ হব লাগিব। মিচেচ্ দীপ্তি কাকতি আৰু নীনা বৰুৱা আৰু আমাৰ মহান হিতাকাংক্ষী বৰ্ত্তমান আসনস্থা বিচাৰক আৰু বিশিষ্টা অতিথি আৰু পৰিচালিকাৰ ৰূপত প্ৰগতিশীলা মহিলা মিচেচ্ বীনা শইকীয়া আপোনালোকৰ পোছাকী পৰিচয়ৰ লগতহে আমাৰ ৰাইজ পৰিচিত। গতিকে মই আপোনালোকৰ প্ৰকৃত পৰিচয়েৰে জোলোঙাৰ মেকুৰী বাহিৰ কৰি দিয়াত নিশ্চয় আপত্তি নহব।

নীনা : বৰ বেয়া কথা হ'ল। কি হব এতিয়া?

দীপ্তি ঃ মিচেচ্ বৰবৰা আৰু শইকীয়াক মাতি আনি এনে অপমান দিলে নিশ্চয় বেয়া কথা হব।

১ম প্ৰতিনিধি ঃ ৰাইজ আপোনালোকে যে বিচাৰক বিশিষ্ট অতিথি তথা আমাৰ পৰম হিতাকাংখীৰ ৰূপত মিচেচ্ বৰবৰাক যে দেখিছে তেখেত শ্বহীদৰ কেঁচা তেজত গা ধুই নিজকে শুচি হোৱা বুলি ভবা আৰু ভেটি খোৱাৰ ৰজা এম, এল, এ শ্ৰীমান ৰজত ডাঙৰীয়াৰ পত্নী অৰ্থাৎ মিচেচ্। দিনত ভদ্ৰতাৰ মুখা পিন্ধি বৰ বৰ Lacture দি নিজক কনকলতা বুলি ভবা আমাৰ বিচাৰক ডাঙৰীয়ানীয়ে ৰাতি হলে ধুনীয়া পৃথিৱীখনৰ, সহৃদয় মানুহৰ বাবে সুন্দৰ সপোন ৰচে ক্লাবত দামী দামী মদৰ বটলেৰে আৰু তেখেতৰ কাষত আন এগৰাকী আসনস্থা, হিতাকাংখী মিচেচ্ শইকীয়া ডাঙৰীয়ানী আমাৰ MLA ৰজত ডাঙৰীয়াৰ হাত ধৰোতা শ্ৰীমান ভদ্ৰেশ্বৰৰ পত্নী। আৰু আমাৰ দেউঘৰীয়া মহিলা অনুস্থানৰ নামজ্বলা সদস্যা মিচেচ্ দীপ্তি কাকতি আৰু মিচেচ্ নীনা বৰুৱা এওঁলোকেও নিজকে ম'ৰা চৰাই সাজি, ঘৰচিৰিকাৰ খোজ দি, জোনটো কোলাত লোৱাৰ লোভত আকাশ স্পৰ্শ কৰাকৈ প্ৰগতিৰ নামত ভেকোভাওনাৰ জধলা সাজিবলৈ আৰম্ভ কৰিছে।

বৰবৰা : Shut up

শইকীয়া ঃ সীমা চেৰাই কথা কৈছা।

দীপ্তি ঃ হেৰা বহুত হৈছে।

নীনা ঃ আমাক প্ৰতিযোগিতাখন পাতিবলৈ দিয়া।

বৰবৰা ঃ উঃ কি অভপালি; কি দম্ভালি ? মিচেচ্ কাকতি আৰু মিচেচ্ বৰুৱা আমি উঠিলোঁ। আপোনালোকে আমাক মাতি আনি ইমান Insalt দিয়াটো আমি কিন্তু নিৰবে সহ্য কৰি নাথাকিম।

দীপ্তি ঃ নাই, নাই আমাৰ গাত একো দোষ নাই। আমাক ক্ষমা কৰক।

নীনা ঃ এনে হব বুলি আমি ভবাই নাছিলো। গতিকে এইটো আমাৰ অপৰাধ নহয়।

১ম প্ৰতিনিধি ঃ মিচেচ্ বৰুৱা আৰু মিচেচ্ কাকতি এওঁলোকক যাবলৈ দিয়ক। এখেত সকলে নিশ্চয় প্ৰকৃত সত্যটো হজম কৰাত অসুবিধা হৈছে বাবে নিৰবে সহ্য কৰিব পৰা নাই।

বৰবৰা ঃ শইকীয়া আহা। উঃ কি দম্ফ (যাবলৈ দুৱাৰ মুখ পাওঁতে ২য় প্ৰতিনিধি আহে

২য় প্ৰতিনিধি ঃ কলৈ যাবলৈ ওলাইছে মিচেচ্ বৰবৰা আৰু শইকীয়া ? নাটকৰ দ্বিতীয় অংক দেখোন এতিয়াও আৰম্ভ হোৱা নাই।

বৰবৰা ঃ আমাৰ সময় নাই।

২য় প্ৰতিনিধি ঃ কিন্তু প্ৰগতিৰ নামত ভেকোভাওনা পাতি, বৰ বৰ ভাষণেৰে ফুলজাৰি মাৰি হোজা গাওঁলীয়া মানুহক ঠগি নিজকে মহাপুৰুষ, কনকলতা সাজিবলৈ দেখোন বহুত সময় পায়।

শইকীয়া ঃ আপোনালোকৰ বুজাত ভুল হৈছে। আমি মানুহক শুদ্ধ পথেৰে নি এখন প্ৰগতিবান সমাজ গঢ়িবৰ বাবে মানুহখিনিক আগবঢ়াই লৈ যাবলৈ চেষ্টা কৰিছোঁ।

২য় প্ৰতিনিধি ঃ কিন্তু ইয়াৰ আগতে আপোনালোকে নিজকে এবাৰ পৰীক্ষা কৰি চাইছেনে ? আপোনালোকে নিজে প্ৰকৃততে শুদ্ধ হৈ, শুচি হৈ আছেনে ?

নীনা ঃ আপুনি আৰু' কোন ?

দীপ্তি ঃ হায় ! হায় আমাৰ প্ৰতিযোগিতাখন কি হব ? মোৰ টকা ৫০০ পানীত পৰিল ?

নীনা ঃ অস ! মোৰ ছোৱালীজনী মিচ সুন্দৰী হোৱাৰ

সপোন আধৰুৱা হৈ বৰ।

২য় প্ৰতিনিধি ঃ মিচেচ্ দীপ্তি কাকতি আৰু নীনা বৰুৱা আপোনালোক প্ৰথমে শুচি হৈ আছিল কিন্তু বৰ্তমান অশুচিৰ লগত আপোনালোকও অশুচি হৈ গ'ল।

দীপ্তি : কিন্তু আমি প্ৰগতিৰ বাবেহে আমাৰ প্ৰতিযোগিতাথনি।

২য় প্ৰতিনিধি ঃ বন্ধকৰক আপোনালোকৰ প্ৰগতিৰ নামত কৰা নাটক। তাৰ আগতে আপোনালোকে খবৰ কৰিছেনে আমাৰ গাওঁত কিমান দুখীয়া মানুহ আছে? কিমানে অন্ন, বস্ত্ৰৰ অভাৱত পেটত গামোছা মাৰি মাৰি জীয়াই আছে?

আপোনালোকে এইটোও জানেনে মহিলাৰ নিৰাপত্তা আছেনে? কিমানে ফুলকুমলীয়াতে ধৰ্ষণৰ বলী হৈ জীৱনটো ঘূৰ্ণে ধৰালে? ইয়াৰ বাবে দায়ী কোন? আমি যদি প্ৰশ্ন কৰো তেতিয়াহলে আপোনালোকে/আপোনালোকে, ইয়াৰ বাবে দায়ী। শিয়ালৰ বুদ্ধি পাণ্ডি ৰাজনীতিৰ পাদীত বহিবলৈ যায়? আমাক সান্ত্বনাৰ বাণী শুনায়, আশা দিয়ে, প্ৰতিশ্ৰুতি দিয়ে কিন্তু পাদীখন অধিকাৰ কৰাৰ লগে লগে আমাক দিয়া আশা, আমাক দিয়া প্ৰতিশ্ৰুতি সকলো ফুটুকাৰ ফেন।

নীনা ঃ কিন্তু আমি মহিলাসকলৰ উন্নতি বাবে একগোট হৈ এটা অনুষ্ঠান আৰম্ভ কৰিছিলোঁ। আৰু........।

২য় প্ৰতি ঃ জানো, জানো তাৰ বাবে আপোনালোকে খুউব বেছি হয়তো এটা অনুষ্ঠানৰ নামত ভাওনা পাতিছে। বৰ বৰ ভাষণেৰে ফুলজাৰি মাৰি আমাক আশ্বাস বাণী শুনাই পেট ভৰাইছে। কিন্তু সেয়া কিমান দিন? আমি আৰু কিমান দিন এইদৰে পেটত গামোছা মাৰি আপোনালোকৰ আশ্বাস বাণীৰে পেট ভৰাম? আপোনালোকে আপোনালোকৰ কামত আমাৰ হাড়েৰে দধিচী অস্ত্ৰ সাজি অথচ আমাক ভৰিৰ তলত ৰাখিছে। আমাৰ তেজতে আপোনালোকে সাঁতুৰি-নাদুৰি স্বৰ্গৰ পথ বিচাৰি মুক্ত হব বিচাৰিছে? আৰু কিমান দিন আমাক এইদৰে তেজপিয়া-কোকলোভাৰ দৰে শোষণ কৰিব? আৰু কিমান দিন?

১ম প্ৰতি ঃ আৰু কিমান দিন? আপোনালোকে নিমাতে আছে কিয়? এইবিলাক দেখি শুনিও আপোনালোক নিমাতে আছে বাবে আপোনালোক অশুদ্ধ, অশুচি হৈ আছে।

২য় প্ৰতি ঃ চকু থাকিও আপোনালোক অন্ধ, বাহিৰত আপোনালোক সুস্থ যদিও ভিতৰি অসুস্থ। আপোনালোকৰ হাত, ভৰি আছে যদিও আপোনালোক হ'ল পংগুস্থ। সেইবাবে আপোনালোকে মানুহ শব্দৰ অৰ্থক হৃদয়ংগম কৰিব পৰা নাই।

১ম প্ৰতি ঃ কিন্তু আপোনালোকৰ সেই দিন ওকলিল। আমি এতিয়াও আৰু আপোনালোকৰ নিচুকণি গীতত টুপনি নাযাওঁ।

২য় প্ৰতি ঃ আপোনালোকে আমাক শুচি কৰিবৰ বাবে অনা গঙ্গাজল আপোনালোকে প্ৰথমে গা ধুই প্ৰথমে শুচি হৈ লওক। নহলে প্ৰগতিৰ নামত অনা পবিত্ৰ প্ৰসাদ আমি গ্ৰহণ নকৰো।

১ম প্ৰতি ঃ পোহৰবোৰ আমাৰ বাবে আশীৰ্বাদ বুলি গতিয়ালেও আমি বুটলি নলওঁ।

২য় প্ৰতি ঃ প্ৰগতিৰ নামত ভেকো-ভাওনা পাতিলেও আমি নীৰৱ দৰ্শক হৈ চাই নাথাকো।

১ম প্ৰতি ঃ আমি মাৰ বান্ধি থিয় হ'ম।

২য় প্ৰতি ঃ জুৰপুৰি হাত পালেও আমি গ্ৰহণ্কি

নৱও।

১ম প্ৰতি ঃ বাঘৰ গুজৰণিক শিয়ালৰ আৰাও বুলি ভয় নাখাও।

২য় প্ৰতি ঃ বিজুলীৰ চমকণিত বাট ভুল নকৰো।

১ম প্ৰতি ঃ গতিকে আপোনালোকে আনক শুচি কৰাৰ আগতে নিজে শুচি হৈ লওক।

২য় প্ৰতি ঃ আপোনালোকৰ মনৰ মলিবোৰ ধুই পেলাওক।

১ম প্ৰতি ঃ ৰঙীণ চচমাযোৰ চকুৰ পৰা খুলি পেলাওক

২য় প্ৰতি ঃ মিচেচ ববৰৰা আৰু মিচেচ শইকীয়া

১ম প্ৰতি ঃ মিচেচ দীপ্তি কাকতি আৰু নীনা বৰুৱা, আপোনালোকৰ অন্ধ চকু, অসুস্থ মন, পংগু দেহৰ অস্থায়ী পোচাকবোৰ খুলি পেলাওক

২য় প্ৰতি ঃ আমাৰ সহৃদয়, সতীৰ্থ, সহকৰ্মৰেডসকলৰ মাজলৈ এটাক নবীন সূৰুয নমাই আনিবলৈ, ধৰ্মণৰ বলি হোৱা যাৰ দুচকুত জ্বলিছিল, জুইৰ ফুল সেইসকলৰ দুচকুত জুইৰ ফুলৰ পৰিবৰ্তে সুখৰ ফুল ফুলাবলৈ, নিঠৰুৱা প্ৰাণত সাহ দি এখন নিকা সমাজ গঢ়িবলৈ আজিয়ে এটা শপত গ্ৰহণ কৰক।

১ম প্ৰতি ঃ আপোনালোক প্ৰস্তুত নে ?

নীনা + দীপ্তি + ববৰৰা + শইকীয়া ঃ (একেলগে) আমি প্ৰস্তুত।

২য় প্ৰতি ঃ তেতিয়াহলে হাত দাঙি কওক

"আমি মানুহ শব্দৰ প্ৰকৃত অৰ্থক হৃদয়ংগম কৰি এখন নিকা সমাজ গঢ়িবৰ বাবে আমি আজিৰ পৰা প্ৰতিজ্ঞাবদ্ধ হলো"

(সকলোৱে হাত দাঙি প্ৰতিনিধি দুগৰাকীৰ মুখে মুখে গাই শেষত হাত মিলাই লগাই দিয়ে আৰু পট পৰিব।) ●



# সূৰুজমুখী

অধ্যাপিকা, যমুনা বৰগোঁহাই
অসমীয়া বিভাগ

**কাব্যনাট**

[ নিশা দেবীক হঠাতে দেখি হাঁহি হাঁহি উষা দেবী সোমাই আহে ]

নিশা : ভগিনী উষা
তোমাৰ যন্ত্ৰনাকাতৰ
ধবল অন্তৰখনি
ৰিণি ৰিণি মনত
পৰে ।
দিনমনি ইমান নিৰ্বোধ
কিয় ?

উষা : ভগিনী নিশা
টোপাটোপে নিয়ৰৰ
সুকোমল স্পৰশে
যেতিয়া—
চৰণ চুমি দিয়ে
নিৰ্বোধ ভাবে দিনমনি
চঞ্চল হৈ পৰে ।

নিশা : ভগিনী
তোমাৰ দুখত মই
ওৰে ৰাতি নিদ্ৰাবিহীন হৈ
অৱশ দেহাটি মাথো
ঢালি দিব খোজোতেই
স্নেহজালি দিয়ে ।
দোষ কাৰ ?
ভুল কাৰ ?

উষা : ক্ষমিবা ভগিনী
নাম মোৰ উষা
ৰজনী বিদূৰ হলেই
দিওঁ মই দেখা ।

নিশা : কিবা যুক্তি
কিবা যুক্তি
নাইবে ভগিনী
উষাক আগত দি
নিশাক পিছুৱাও ?

উষা : উঁহো
নহ'ব ভগিনী
সৃষ্টিৰ আদিতেই
সোণালী পাতত
লেখা হ'ল সোণালী
আখৰে
মোৰেই ভাগ্য লেখা ।

নিশা : বিধাতাৰ লিখন
অৱশ্যে
আমাৰ ক্ষমতাৰ
বাহিৰত ।

তথাপিতো চেষ্টা
কবাত আছে জানো
কিবা ক্ৰটি।
উষা : যুক্তিয়ে য'ত হাৰ মানে
ভগিনী
তাত বাৰু কেনেকৈ
জপিয়াই পৰো
জানি শুনি নিজৰেই
ভাগ্যৰ ভ্ৰূকুটি ?
নিশা : শুনা ভগিনী
ভাবিছা যদি সঁচাকৈয়ে
বুলি মোক
ভাগ্যৱতী
তেন্তে ই ভুল
তোমাৰো
মোৰো
ধৰালৈ নামিব
সৰগ বুলি
চাই চাই বওঁতেই
আম্ৰমুকুলৰ সুগন্ধি—
উষা : কৈ যোৱা ভগিনী
নিশা : মলয়াৰ বোকোচাত
ভঁাহি আহোঁতেই
উষা : আৰু ?
নিশা : বলাকাৰ ৰেখা
দেখি।
চুবলিলৈ উৰি যোৱা—
উষা : কি ভগিনী
নিশা : ৰাজহংসৰ জাকটি
চকুৰ আঁতৰ
হ'ব খোজোঁতেই
উষা : আৰু ?
নিশা : বেনবেণু বাজি উঠা
গৰখীয়া জাকটিৰ—
উষা : পিছে ?
নিশা : ঘৰমুৱা পথটি
উষা : হ'ল বা কি ?
নিশা : আন্ধাৰে ধৰেহি ছানি,
উস্ অন্ধ হ'ব খোজে
মোৰ
দুটি নয়নমণি।
উষা : সঁচা ?
নিশা : (হঁাহি) পিছে আকাশী
ভগিনীয়ে
বুটাবছা চেলেংলৈ
দিয়েহি দেখা।
তৰালিৰ মেলা।
উষা : কিযে মায়াৰ খেলা !
নিশা : ভঁাহি যাওঁ
উটি যাওঁ
সাগৰ আৰু
আকাশৰ
পাৰাপাৰ নাই।
উষা : ভগিনী
দিৰাছো মোক
জগাই।
নিশা : ভগিনী
তাকেতো কৈছিলো
কায়তে পাই
ৰাতিৰ মৰমত মই
তন্ময় প্ৰায়।
উষা : সেইবাবে ভগিনী
নূপুৰাই মোৰ
দুখৰ নিশাটি।

নিশা ঃ নহবাচোন অধীৰা
কৱলৈ দিয়া
আঁউসীৰ অন্ধকাৰ
আৰু পুণিমাৰ
জোনাক যামিনীৰ
কথা ।
উষা ঃ কি যে চাগে মনোহৰ।
নিশা ঃ ভগিনী
নিদিৰা আৰু মোক
আঘাট সানি।
উষা ঃ ক্ষমিবা ভগিনী
অজ্ঞজন ক্ষমাৰহে
পাত্ৰী।
নিশা ঃ শুনা ভগিনী
মোৰ বুকুৰ
দুখৰ ৰাগিণী।
ঢালি দিওঁ নেকি।
জোনাক যামিণীক ?
উষা ঃ যেনে ইচ্ছা।
নিশা ঃ আঁউসীৰ ৰাতি
কোনে বজায় বাঁহীটি
হিঁয়া দাপোনত ভাঁহে
তাৰেই
প্ৰতিচ্ছবি।
উষা ঃ আৰু ?
নিশা ঃ অমৰ মানবৰ
অদ্ভুত কাহিনী।
উষা ঃ আৰু ?
নিশা ঃ বিধবাৰ বুকুফটা
যাতনাৰ ছবি... ...।
উষা ঃ আৰু ?
নিশা ঃ প্ৰেয়সীৰ বুকুৰ
বেদনা।
উষা ঃ আৰু ?
নিশা ঃ সুদূৰৰ আকুল
আহ্বান ধ্বনি।
উষা ঃ আৰু নুশুনাবা।
নিশা ঃ শুনা,
পিওঁ বুলি অমৃতৰ
পাত্ৰ,
তুলি লব খোজোতেই
আন্ধাৰ ৰাক্ষসীয়ে
কালজিহ্বা মেলি
উষা ঃ বৰ ভয় খাওঁ
কি কথা ?
নিশা ঃ সন্মুখত বিয়েহি দেখা।
উষা ঃ পিছত ?
নিশা ঃ দুৰ্ঘোৰ আন্ধাৰত
বুৰ যায়—মন, মাটি
মেঘ, আকাশ
সাগৰ,
পাহাৰ,
নদী,
নিজৰা,
গাওঁ-ভুই
উষা ঃ মোৰ স্বৰমী নিশা
তুমি ??
নিশা ঃ যয়ো।
উষা ঃ উস্
কি শুনালা।
নিশা ঃ শুনা ভগিনী
গহন অৰণ্যবন
নিদ্ৰাত মগন
চৌপাশে

চুপি থাকে
নিশাচৰ গণ।
উষা ঃ আৰু ?
নিশা ঃ চৌৰ কাৰ্য্যত নিপুণ
উষা ঃ কি ?
নিশা ঃ যতমানে অঘটন।
উষা ঃ আচৰিত।
নিশা ঃ আচৰিত নহ'বা।
ভগিনী,
বুকুত অসহনীয়
বোজাৰে—
উষা ঃ কোন ?
নিশা ঃ ষোড়শী গাভৰু।
উষা ঃ কিয় বা অহিল ?
নিশা ঃ যাচিব বুলি হিয়া
সীমাহীন আন্ধাৰক।
উষা ঃ কিয় ?
নিশা ঃ আন্ধাৰেই জীৱনৰ
লগৰী যেতিয়া।
উষা ঃ উপায় ?
নিশা ঃ সাউতকৈ পলালেই
ৰক্ষা,
ৰাক্ষসী আন্ধাৰ।
উষা ঃ তাৰ পিছত ?
নিশা ঃ বহুতো আবেগৰ জাল
গঁঠা আছে তাত।
উষা ঃ সঁচাকৈয়ে নে ?
নিশা ঃ তুমিতো দেখা নাই
ভগিনী উষা
মাজনিশা সাগৰৰ
ৰূপ ভয়ঙ্কৰ।
বিশেষত : আন্ধাৰ
ৰাতিৰ প্ৰলোভন
শিখা।
উষা ঃ অৱশ্যে ভগিনী
সাগৰো হয়
নেকি উন্মাদিনী।
নিশা ঃ এৱা—।
সাগৰে লভিঘৰ
খোজে
আকাশৰ সীমা।
মেঘৰ মাজত আছে
ৰহস্যৰ পথ।
তাতো ভগিনী
আছে বাধা
আৰু বাধা।
উষা : কিয় ভগিনী
সাগৰৰ অভিযান
আকাশমুখী ?
নিশা ঃ তাকেইতো ভগিনী
সাগৰৰ বুকুৰ ব্যথা
বুজিবানো
কি ?
উষা ঃ বুজিবৰ চেষ্টা
যদি কৰি চোৱা
যায়—।
নিশা ঃ আকাশত ৰাগী
আছে।
কেৱল ৰাগী।
আন্ধাৰ নিশাৰ
ৰাগী।
উষা ঃ (আচৰিত হৈ) ৰাগী ?
নিশা ঃ অসংখ্য বালিকণা
আকাশ মুখী।

সীমাহীন দুয়ো মাথো।
দুয়ো এক
অনন্য শক্তি।
উষা ঃ অপৰাজেয় নেকি ?
নিশা ঃ বিজুলীয়ে গঢ়ে
মাথো—
সোণৰ সূতাৰে
বোৱা
এদালি সাঁকো।
উষা ঃ যাত্রাপথ চাগে
সহজ নহয়।
নিশা ঃ দুয়ো আজি একে
ৰাগীত্তে মতলীয়া।
সোণৰ সূতাৰে
বন্ধা
ৰাজ আলিয়েদি
দুয়ো কৰে
অহা যোৱা।
উষা ঃ তাৰ পিছত ?
নিশা ঃ তেনেকৈয়ে
ৰাতি কাঢ়ি থাকোতেই
অৰণ্য আৰু পথৰোৰ—
উষা ঃ কি হ'ব পাৰে
বাৰু ?
নিশা ঃ পথ অৰণ্য হয়
অৰণ্য হয় পথ।
উষা ঃ তেতিয়া কি হ'ব
পাৰে ?
নিশা ঃ পথে পথে
সৰীসৃপ,
উজাই, বগাই
উদং অৰণ্যভূমি
মায়াৰ মাকোৰে
মাথো
খৰখেদা কৰে।
উষা ঃ হয় ?
নিশা ঃ নদীবোৰ হয় মাথো
সোণালী মায়াৰে
গঢ়া
কজলা চাৰনি—
আকাশৰ ৰবগছ
মেৰাই
ৰণাই যায়
শীর্ণৱতী।
উষা ঃ নিজৰা ?
নিশা ঃ নিজৰাবোৰ
হয়—
এদালি দীঘল চুলি
কেশৱতী
ধৰীত্রিৰ।
উষা ঃ পর্বতবোৰ একা ?
নিশা ঃ পর্বতবোৰ
একোটি সু উচ্চ
যেন প্রাচীন মন্দিৰ।
উষা ঃ পাহাৰবোৰ ?
নিশা ঃ একোজন ঋষি।
যেন ধ্যানৰত
তপস্বী।
উষা ঃ বহল পথাৰবোৰ ?
নিশা ঃ শুনা ভগিনী উষা—
আকাশ আৰু
বহল পথাৰৰ
সীমাৰেখা বৰ
সংকীর্ণ।

আকাশে পথাৰ
চোৰে
পথাৰে আকাশ।
উষা ঃ বহুতো সন্দেহ দিলা
ভগিনী নিশা ।
তাৰ পিছত ?
নিশা ঃ তুমি দিয়া দেখা।
উষা ঃ (হাঁহি) ভাল লাগিল।
নিশা ঃ পূৰ্ণিমাৰ কথা
নুসুধিলা উষা
ভগিনী মোৰ
উষা ঃ পাহৰিবই পৰা
নাই
বুকুৰ গধূৰ
বেদনা বোৰ
কোৱা
তেন্তে শুনো
পূৰ্ণিমাৰ সাধু ।
নিশা ঃ বৰ ব্যস্ত ভাবে মই
থাঁকোতেই
মিচিকি হাঁহিৰে
ফেনিল স্বপ্ন লৈ
জোনবায়ে দিয়েছি
দেখা।
উষা ঃ তেতিয়া ?
নিশা ঃ তৰাই লয়লাসে
আদৰি আনি
জগত সভাত ৰাজৰাণী
পাতে ।
উষা ঃ তুমি তেতিয়া ?
নিশা ঃ লাজতে মুচকচ যাঁও।

উষা ঃ কিয় ?
নিশা ঃ মোৰ যে আদৰ
কমি যায়।
উষা ঃ সঁচাকৈয়ে নে ?
নিশা ঃ আচলতে মইহে ভাবো।
নহয়,
ভগিনী।
সিদিনা মোক
পায় কোনে ?
জোনবাই মোৰেই
লগৰী ।
ওৰে ৰাতি
কথা পাতি
দুয়ো বন্ধাও সখী।
উষা ঃ আৰু ?
নিশা ঃ চেনেহী ভেটফুল পাহি
বিলতে হালিজালি
উষা ঃ পাতে হাগে ধেমালি।
নিশা ঃ ঠিক কৈছা ভগিনী
মৰমী শেৱালী পাহি
আলাসতে ফুলি
বঙৰেই পাতে মেলা।
উষা ঃ আৰু ?
নিশা ঃ লাহে লাহে বিৰিখে
পাতে মায়াজাল ।
উষা ঃ পিছত ?
নিশা ঃ তলত জোনালী
আভা
বাপালী
হাঁহিব।
উষা ঃ সঁচা।

নিশা ঃ সৰগৰ সুখ ছবি
তাতেই নেকি ?
অকঁা ?
উষা ঃ মৰমী পখীবোৰ
পিছে ?
নিশা ঃ মৰমী কেতেকীজনী
বুকুৰ বাতৰি
আনি
বিৰিখৰ পাতত
আঁকে
জোনালী ছবি ।
বুকুৰ বেদনা লাগি
ছবি আৰু গীতবোৰ
মূৰ্ত্ত হৈ উটি যায়—
আকাশে
বতাহে
পাহাৰে
বন্দৰে,
সাগৰে
নগৰে ।
উষা ঃ আই ঐ দেহি
কেনেকৈ বজাই
বাঁহী
শুনাবানে মোক ?
নিশা ঃ 'মই কেতেকী'
'মই কেতেকী'
বুলি
লয়লাসে মোহিণী
বনবেণু বাই
আকাশৰ হিয়াঁ
নচুৱাই ।
উষা ঃ নিয়তীজনী বাৰু
আহেনে
ভগিনী ?
নিশা ঃ জোনাক যামিনী
মোৰ অমলিন
সখী ।
বুকুত আশ্ৰয় দিয়ে
গছলতা, পখী
নিয়তীও আহে
পখীৰূপ ধৰি ।
গাওঁ-ভূই কঁপাই তোলে
'নিউ' 'নিউ' কৰি ।
উষা ঃ আৰু কিবা ক'বা
ভগিনী ?
নিশা ঃ দুখৰ মাজতে হয়
আনন্দৰ মেলা ।
দূৰণিৰ ৰাজহংসবোৰ
সন্ধ্যাতেই পায়হি
বিল
হাঁহি হাঁহি
খিলখিল ।
মধু জোনাকত
ৰূপালী দাপোণ চাই
সোণালী সাজোন
কাচে
ওৰে নিশা
পাতে শাৰদী মেলা ।
উষা ঃ শাৰদী জোনাক ৰাতি
বাজে হেনো
গকুলত
বাঁহী ?
নিশা ঃ বৃন্দাবন ছানি
গোপ বালক সঙ্গে

শিশু কৃষ্ণে চাৰে ধেনু
বজাই বেণু
শাৰদী পূণিমা ৰাতি
পাতিছিলে
ৰাসলীলা
জোনাক যামিনীতে
পৰমাত্মাৰ খেলা।

উষা ঃ আকাশত থাকেনে
ৰাগী ?

নিশা ঃ পূণিমাৰ আকাশত
কেৱল ৰাগী—
তৰাই পাতে
শাৰদী মেলা।
মেঘমল্লাৰ
শূণ্যতেই হেৰায়।
হয় জোনাকৰ
খেলা।
আকাশে
পৰ্বত, পাহাৰ
চুমে।
সাগৰ নদীকলয়
আঁকোৱালী।
নদীয়ে নিজৰাক
বুকুৰে সাৱটে।

উষা ঃ কোৱা ভগিনী
বেগাই কোঁৱা
দিনমনি দিবহি
দেখা

নিশা ঃ শুনা ভগিনী
মোৰো লাগিছে বেথা
ইমান ঘন
কুঁৱলীৰে ঢকা।
ইমান কুঁৱলী
কিজানিবা নিশাৰ
কাল গলেই
উকলি।

উষা ঃ (জুমি জুমি চাই)
সোঁৱা দিনমনি।
যাওঁগৈ দেই ভগিনী
বিদায়,
বিদায়—। [দূৰলৈ আঁতৰি গৈ গৈ অদৃশ্য হ

নিশা ঃ উস্ ভগিনী!
লগন যে গ'ল উকলি।
ক'ত লুকাও ?
লুকাওঁ ক'ত ?
ভগিনী—।
লগন যে গ'ল
উকলি। [বেগাবেগিকৈ লুকাব খোজে]

পৰ্ট পৰে।



## অধ্যক্ষৰ একাষাৰ—



এখন শিক্ষানুষ্ঠান পূৰ্ণাঙ্গৰূপে গঢ়ি তোলাত অনুষ্ঠানৰ কতৃপক্ষৰ লগতে ছাত্ৰ-ছাত্ৰী অভিভাৱক আৰু শুভাকাংক্ষী ৰাইজে বিভিন্ন প্ৰকাৰ বৰঙণি যোগোৱাত যথেষ্ট থল আছে। ১৯৬৪ চনতেই শুভাৰম্ভ হোৱা শিৱসাগৰ ছোৱালী মহাবিদ্যালয়খনি বিভিন্ন দিশত আগবঢ়াই নিয়াৰ আৱশ্যকতা ও থল আছে। ছাত্ৰীৰ সংখ্যা বছৰি বাঢ়ি যোৱাৰ ফলত কলেজৰ নতুনকৈ ঘৰ দুৱাৰ সজাৰ আৱশ্যক হৈছে। তদুপৰি আজিৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগত ছাত্ৰীসকলক বিজ্ঞান শিক্ষাৰ সুবিধা দিয়াৰ ক্ষেত্ৰত যথেষ্ট পলমেই হৈছে। যাহওঁক ১৯৮৯ চনত কলেজৰ ৰূপালী জয়ন্তী বৰ্ষৰ সতে ৰজিতা খুৱাই কলেজৰ কতৃপক্ষ প্ৰমুখ্যে শিক্ষক-শিক্ষয়ত্ৰী, অনুষ্ঠানৰ শুভাকাংক্ষী, সহৃদয় ৰাইজৰ আৰু ছাত্ৰীসকলৰ লগতে অভিভাৱক সকলৰ সমূহীয়া উদ্যোগত এই কলেজত বিজ্ঞান শাখা খোলাৰ এটি সৎপ্ৰচেষ্টা চলোৱা হৈছে। বৰ্দ্ধিত ছাত্ৰীৰ সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰী নিবাসত আসনৰ বৃদ্ধি আৱশ্যকতা বহুত দিনৰে পৰাই অনুভৱ কৰি অহা হৈছে। সুখৰ বিষয় অনুসূচীত জাতি আৰু জনজাতি উন্নয়ন পৰিষদে দিয়া এককালীন ১,২৭,৫০০'০০ টকা সাহাৰ্য্যৰে নতুন এটি ছাত্ৰী নিবাস নিৰ্ম্মাণৰ কাৰ্য্য শুভ আৰম্ভ কৰিবৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অসম চৰকাৰৰ অনুদানেৰে এটি নতুন কোঠা নিৰ্ম্মাণৰ কাম হাতত লোৱা হৈছে। আন এটা সুখৰ বিষয় এই যে মহাবিদ্যালয়খনে পূৰ্ণাঙ্গ কৰাৰ চেষ্টাত আৰু বিশ্ব-বিদ্যালয়ৰ স্থায়ী স্বীকৃতিৰ ( Permanent Affi-liation ) ৰ ক্ষেত্ৰত অতদিনে অন্তৰায় স্বৰূপ হৈ থকা মাটিৰ সমস্যাটো গতবছৰ স্থানীয় কতৃপক্ষৰ সহানুভুতিশীল বিবেচনাৰ ফলত সমাধা হৈছে। নগৰ এলেকাত কলেজৰ বাবে ইতিমধ্যে ৯ বিঘা মাটি আবণ্টন দি কলেজ কতৃপক্ষক উক্ত মাটি

চমজাই দিছে। ইয়াৰ বাবে জিলা কর্তৃপক্ষ, শিৱসাগৰ জিলাৰ ভূমি পৰামর্শদাতাৰ সমিতিৰ মাননীয় সদস্যসকল আৰু অসম চৰকাৰলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা প্রকাশিলো। এই সকলো দিশতে বিশেষ সহযোগ আগবঢ়োৱাৰ বাবে স্থানীয় বিধায়ক তথা ৰাজ্যিক সংসদী পৰিক্রমা বিভাগৰ মন্ত্রী শ্রীপ্রদীপ গগৈ আৰু জিলা উপায়ুক্ত শ্রীপ্রসন্ন কুমাৰ শৰ্ম্মাদেৱলৈ আমাৰ কৃতজ্ঞতা প্রকাশ কৰিলো।

বৈষয়িক সমস্যাই শেষ কথা নিশ্চয় নহয়। এখন শিক্ষানুষ্ঠানত সুস্থ শৈক্ষিক পৰিবেশ, শিক্ষক-ছাত্রীসকলৰ মাজত মধুৰ সম্পর্ক আৰু মূল উদ্দেশ্যত দুয়োপক্ষৰ পূর্ণ সহযোগিতা, সকলো ক্ষেত্রতে নিয়মানুবৰ্ত্তিতা আৰু শিষ্টাচাৰ এই বিলাকহে অধিক প্রয়োজনীয়। সেই ক্ষেত্রত আমাৰ কলেজৰ ঐতিহ্য আহিবলগীয়া দিনবোৰ অধিক উজ্জ্বল হৈ উঠিব বুলি মোৰ পৰম বিশ্বাস। আশাকৰো মোৰ সন্মানিত শিক্ষক-শিক্ষয়িত্রী মণ্ডলী, মৰমৰ ছাত্রীসকল আৰু কলেজৰ অন্যান্য কৰ্ম্মচাৰীবৃন্দ সকলোৱে এক আদর্শণীয় পৰিবেশ গঢ়ি তোলাত আন্তৰিক প্রচেষ্টা কৰিব। ধন্যবাদ।

মঃ হাফিজুৰ ৰহমান

খেল-জগতৰ এটি নতুন প্ৰতিভা—

# শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ

# মৰ্জিনা বেগম



শ্ৰীমতী মৰ্জিনাই ১৯৮২ চনতেই শিৱসাগৰৰ ৰংপুৰ জ্যোতি ক্লাবৰ সহযোগত শিৱসাগৰ দৰবাৰ ফিল্ডত খেলা আৰম্ভ কৰে। তেতিয়াৰ পৰাই মজিনাই ৰাজ্যৰ ভিতৰত আৰু বাহিৰলৈ খেলিবলৈ গৈ পুৰস্কাৰ পোৱাৰ লগতে অসমলৈ সুনাম কঢ়িয়াই আনিছে।

১৯৮২ চনতেই পোন প্ৰথম বাৰৰ বাবে নগাওঁৰ মহিলা সমাৰোহত যোগদান কৰি বিশেষ সফল হ'ব নোৱাৰিলেও ৰাজ্যিক দলত খেলিবৰ বাবে নিৰ্ব্বাচিত হয়। ১৯৮২ চনতেই গুজৰাটৰ গান্ধী নগৰত হোৱা মহিলা সমাৰোহত ৰাজ্যিক দলত হৈ এওঁ খেলিবলৈ সুযোগ পাইছিল।

১৯৮৩ চনত শিৱসাগৰত হোৱা আন্তঃজিলা হকী প্ৰতিযোগিতাত মজিনাহঁত ৰাৰ্ণাচ আপ হৈছিল।

১৯৮৪ চনত শিৱসাগৰত ৰাজস্থানৰ জয়পুৰত হোৱা দ্বিতীয় চাব-জুনিয়ৰ খেলত এওঁলোকে চেমি-ফাইনেলত প্ৰবেশ কৰিছিল।

১৯৮৫ চনত মিজোৰামৰ আইজালত হোৱা স্কুল গেমছত এওঁলোকে কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছিল।

১৯৮৬ চনত তেজপুৰত হোৱা মহিলা সমাৰোহত গুৱাহাটীৰ লগত ১-০ গলত হাৰি ৰাৰ্ণাচ আপ হৈছিল।

১৯৮৬ চনত চণ্ডীগড়ত হোৱা মহিলা সমাৰোহতো এওঁলোকে যোগদান কৰিছিল।

১৯৮৭ চনত আগ্ৰাত হোৱা স্কুল গেমছত যোগদান দিছিল। ১৯৮৭ চনতেই মনিপুৰৰ ইম্ফলত উত্তৰ পূৰ্ব্বাঞ্চলৰ সাতখন ৰাজ্যৰ ভিতৰত তৃতীয় স্থান অধিকাৰ কৰিছিল।

১৯৮৭ চনত মহাৰাষ্ট্ৰৰ পুণাত হোৱা 23rd Junior National Games ত তিনিখন ৰাজ্যৰ লগত খেলি কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছিল। ১৯৮৭ চনতেই মধ্যপ্ৰদেশত হোৱা আন এখন স্কুল গেমছতো জিকিছিল।

১৯৮৮ চনত উত্তৰ পূৰ্ব্বাঞ্চলৰ সাতখন ৰাজ্যৰ মাজত হোৱা আৰু গুৱাহাটীত পতা (মণিপুৰ বনাম অসম) ২-১ গলত জিকি বিজয়ী হয়। তাতেই শ্ৰীমতী মাৰ্গাৰেট আলভাই এটা সোণৰ মেডেল, এটা H.M.T, ঘড়ী আৰু এটা Singer Machine পুৰস্কাৰ দিছিল। ১৯৮৮ চনত পঞ্জাৱত হোৱা (Netaji Subhash National Institute of Patiala, Government of Punjub) মহিলা সমাৰোহতো এওঁলোকে যোগদান কৰিছিল।

ইয়াৰ উপৰিও মাজে সময়ে জেভেলিন আৰু হেণ্ডবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল।

মজিনাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো। ★

# শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকল-- ১৯৮৬-৮৭



বহি বাওঁহাতৰ পৰা সোঁহাতলৈ— শ্ৰীযুতা তৃপ্তিমল্লিকা বৰুৱা (জিৰণি কোঠাৰ উপদেষ্টা), শ্ৰীযুতা নিলীমা বৰুৱা (উপাধ্যক্ষা), শ্ৰীযুতা যমুনা বৰগোহাঁই (আলোচনীৰ উপদেষ্টা), অধ্যক্ষ শ্ৰীযুত হাফিজুৰ ৰহমান (সভাপতি), শ্ৰীযুত অৰূপ বৈৰাগী (খেল বিভাগৰ উপদেষ্টা), শ্ৰীযুত শিৱিষ ভট্ট (সংগীত বিভাগৰ উপদেষ্টা), শ্ৰীযুত চাহাবুদ্দিন আহমেদ (তৰ্ক আৰু আলোচনা বিভাগৰ উপদেষ্টা)

থিয়হৈ বাওঁহাতৰ পৰা সোঁহাতলৈ— শ্ৰীমতী নিৰুপমা শইকীয়া (তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকা), শ্ৰীমতী দিপালী দাস (সমাজসেৱা বিভাগ), শ্ৰীমতী সংগীতা বৰুৱা (শ্ৰেণী প্ৰতিনিধি), শ্ৰীমতী মণিকা বড়া (সাধাৰণ সম্পাদিকা), শ্ৰীমতী জুৰি দত্ত (সাংস্কৃতিক বিভাগ), শ্ৰীমতী ৰীমাৰেখা চলিহা (জিৰণি কোঠা), শ্ৰীমতী ৰীমা গগৈ (সহঃ খেল বিভাগৰ সম্পাদিকা), শ্ৰীমতী চালেহা চুলতানা ৰহমান (আলোচনী বিভাগৰ সম্পাদিকা)

## ১৯৮৬-৮৭ চনৰ ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকল



**প্ৰীতি চিৰিং**
খেল বিভাগ



**নিৰুপমা শইকীয়া**
তৰ্ক আৰু আলোচনা বিভাগ



**জুৰি দত্ত**
সাংস্কৃতিক বিভাগ



**ৰীমাৰেখা চলিহা**
জিৰণি কোঠা



**দিপালী দাস**
সমাজ সেৱা



**মনিকা বড়া**
সাধাৰণ সম্পাদিকা



**ৰশ্মিৰেখা দেৱী**
সংগীত বিভাগ

(পৰিশিষ্ট)

# ছাত্ৰী একতা সভাৰ ভিতৰ চ'ৰা

১৯৮৬-৮৭ চন

## ॥ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে শিৱসাগৰ ছোৱালী !মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীয়ে ১৯৮৬-৮৭ চনৰ সময়ছোৱাত সাধাৰণ সম্পাদিকা হিচাবে তেখেতলোকক সেৱা কৰিবৰ বাবে যি কণ সুবিধা দিলে তাৰ বাবে সকলো ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। লগতে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দো- লনত শ্বহীদ হোৱা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিলো। শিৱসাগৰৰ ভিতৰত এইখনিয়ে হ'ল একমাত্ৰ ছোৱালী মহাবিদালয়, যদিও মহাবিদ্যালয় খনিৰ পৰিসৰ ঠেক তথাপি ইয়াৰ সুনাম অসম বিখ্যাত। এনে এখন মহাবিদ্যালয়ত ছাত্ৰী সম্পাদিকাৰ গধুৰ দায়িত্ব লৈ কিমানদূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। এনে গধুৰ দায়িত্ব পালন কৰোতে অনিচ্ছাকৃত ভাবে হৈ যোৱা ভুল ক্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা খুজিছোঁ।

শিক্ষাই জাতিৰ দাপোন। শিক্ষা অবিহনে কোনো জাতিয়ে উন্নতিৰ পথত আগবাঢ়িব নোৱাৰে। আজিৰ ছাত্ৰ কালিলৈ দেশৰ নাগৰিক হ'ব। গতিকে শিক্ষাৰ উদ্দেশ্য চাকৰিমুখী নকৰি সচেতন, কৰ্ত্তব্য পৰায়ণ, নিষ্ঠাবান, সুনাগৰিক গঢ়ি তোলাতহে মনোনিবেশ দিব লাগে। আমি এই ছাত্ৰী জীৱনতে সকলো দিশৰ উন্নতি সাধন কৰিব পৰাকৈ শিক্ষা আহৰণ কৰিব লাগে।

কলেজ সপ্তাহ ঃ— অধ্যয়নেই ছাত্ৰ-ছাত্ৰীৰ একমাত্ৰ উদ্দেশ্য হ'লেও খেলা-ধূলাক অধ্যয়নৰ পৰা কোনো দিনে পৃথক কৰিব নোৱাৰি। খেলা ধূলা শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। কিয়নো খেলা-ধূলা, গান- বাজনাৰ মাজেদিয়েই ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ সুপ্ত প্ৰতিভা সমূহৰ বিকাশ সাধন কৰিব পাৰে। শাৰীৰিক, মানসিক, নৈতিক আদি দিশত খেলা-ধূলাৰ মাজেদিয়েই বিকাশ সাধন কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশ আৰু বিচাৰৰ এটা স্থল "কলেজ সপ্তাহ"। এনে উদ্দেশ্যৰেই ডিচেম্বৰ মাহৰ ১৬ তাৰিখৰ পৰা ২০ তাৰিখলৈকে "কলেজ সপ্তাহ" উলহ মালহেৰে পালন কৰা হয়। কলেজ সপ্তাহৰ উদ্বোধন কৰে কলেজৰ অধ্যক্ষ শ্ৰীযুত হাফিজুৰ ৰহমানদেৱে। কলেজ সপ্তাহত বিভিন্ন ধৰণৰ প্ৰতি- যোগিতা অনুষ্ঠিত কৰা হ'য়। কলেজ সপ্তাহৰ শেষৰ দিনা বটা বিতৰণী সভাত কলেজৰ প্ৰাক্তন অধ্যক্ষ

তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত বীৰেন বৰকটকীদেৱে বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকি এটি মনোগ্ৰাহী ভাষণ দিয়ে। ৰাতি ন-পুৰণি ছাত্ৰী বান্ধৱীৰ সহযোগত সাংস্কৃতিক সন্ধিয়া পালন কৰা হ'য়। সাংস্কৃতিক সন্ধিয়াত কলেজৰ অধ্যাপক অধ্যাপিকা সকলৰ সক্ৰিয় সহযোগে ছাত্ৰীসকলৰ উৎসাহ উদ্দীপনা যোগোৱাত যথেষ্ট সহায় কৰিলে। গতিকে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**সৰস্বতী পূজা ঃ—** শ্ৰীশ্ৰীসৰস্বতী পূজা ছাত্ৰীসকলৰ সহযোগিতাত পালন কৰা হয়। মাননীয় অধ্যক্ষ শ্ৰীযুত হাফিজুৰ ৰহমানদেৱে আৰু বিভিন্ন কামত চাৰ-বাইদেউ সকলে সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে তেখেতসকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। সকলো কামতে সহায় সহযোগ কৰাৰ বাবে কলেজৰ কৰ্ম্মচাৰী আৰু ছাত্ৰীবৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**ফাতেহা ই দোৱাজ দহম ঃ—** সমগ্ৰ বিশ্বৰ মুছলমান সম্প্ৰদায়ে পৰম্পৰাগত ভাৱে পয়গম্বৰ হজৰত মহম্মদৰ জন্ম দিৱস ফাটেহা ই দোৱাজ দহম পালন কৰাৰ দৰে আমাৰ কলেজতো ধৰ্ম্মীয় কাৰ্য্য-সূচীৰে জন্ম বাৰ্ষিকী ১৩ ফেব্ৰুৱাৰীৰ দিনা পালন কৰা হ'য়। এই দিৱসত নিৰ্দিষ্ট বক্তা হিচাবে আলহাজ চৈয়দ আহমদ কবিৰ আৰু আলহাজ দবছেদ আলিয়ে আসন গ্ৰহণ কৰি আৰু অধ্যক্ষ মহোদয়ে সভাপতি আসন গ্ৰহণ কৰি আৰু কলেজৰ অধ্যাপক অধ্যাপিকা সকলে সকলো দিশতে সহায় কৰি আমাক উৎসাহিত কৰা বাবে তেখেতসকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। এই অনুষ্ঠানত শ্ৰীমতী লতিফুন নিছাই কোৰান পাঠ কৰে আৰু কেইবাগৰাকী ছাত্ৰী বান্ধৱীয়ে জিকিৰ প্ৰদৰ্শন কৰে। তেওঁলোকলৈয়ো মোৰ কৃতজ্ঞতা ৰ'ল। শেষত হজৰত মহম্মদৰ জন্ম দিৱসৰ সামৰণি মৰা হ'য়। বিভিন্ন দিশত সহায় কৰি দিয়া বাবে সকলোলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

**শঙ্কৰদেৱৰ তিথি ঃ—** সমগ্ৰ অসমতে জগত গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি পালন কৰাৰ দৰে আমাৰ কলেজতো এই তিথি নাম প্ৰসঙ্গৰে পালন কৰা হ'য়। তিথিৰ লগতে শঙ্কৰদেৱৰ ওপৰত এখনি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হ'য়। আলোচনা চক্ৰৰ বিষয় বস্তু — "বৰ্ত্তমান অসমীয়া সমাজলৈ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ অৱদান" শ্ৰীযুতা এখুদি দুৱৰা আৰু অধ্যাপক শ্ৰীযুত দ্ৰোণ কলিতাদেৱে নিৰ্দিষ্ট বক্তাৰ আসন গ্ৰহণ কৰি ভালদৰে বুজাই দিয়ে আৰু বহুতো ছাত্ৰীয়ে আলোচনা চক্ৰত ভাগ লয়। শ্ৰীযুত বীৰেণ তালুকদাৰদেৱে সভাপতি আসন গ্ৰহণ কৰি আমাক সহায় কৰে। মাননীয় অধ্যক্ষদেৱ আৰু বাইদেউ, অধ্যাপক অধ্যাপিকাসকল আৰু কৰ্ম্মচাৰী বৃন্দ উপস্থিত থাকি আমাক সহায় আগবঢ়োৱাৰ বাবে সকলোলৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিলোঁ। মই আশা কৰো এই তিথি ভৱিষ্যতৰ ছাত্ৰী একতা সভাই নিয়ামিকৈ পালন কৰি যাব।

**নৱাগতা আদৰণি সভা ঃ—** পুৰণিক বিদায় দি নতুনক আদৰি লোৱা প্ৰকৃতিৰ নিয়ম অনুসৰি যে আমাৰ বিদ্যালয়লৈ অহা নৱাগতা সকলক যোৱা ৭ চেপ্তেম্বৰ তাৰিখে উলহ মালহেৰে আদৰণি জনোৱা হয়। আদৰণি সভাত সভাপতিত্ব কৰে অধ্যক্ষ মহোদয় শ্ৰীযুত হাফিজুৰ ৰহমানদেৱে। বৰ্ত্তমান ছাত্ৰী একতা সভাৰ তৰফৰ পৰা এটি আৱাহণি গীতেৰে সভা মুকলি কৰা হয় আৰু ন-পুৰণি ছাত্ৰী বান্ধৱী সকলেও গীতমাত পৰিবেশন কৰে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা কলেজৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত বীৰেন

ৰবকণ্টকীদেৱে বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰি সভাখন সাফল্য মণ্ডিত কৰে। এই সভাখন নিয়াৰিকৈ পালন কৰিবলৈ সহায় কৰি দিয়া সকলোলৈকে মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

**শোকসভা :—** মোৰ কাৰ্য্যকালত শিৱসাগৰৰ বিশিষ্ট নাগৰিক আৰু সমাজকৰ্মী শ্ৰীযুত প্ৰফুল্ল ৰাজকতি, ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা তথা সমাজ সেৱী শ্ৰীযুতা পৰাজিতা আইদেউ, শিৱসাগৰৰ বিশিষ্ট নাগৰিক শ্ৰীযুত শৈল্য দত্ত, জনতাপাৰ্টিৰ অসম শাখাৰ বিশিষ্ট নেতা প্ৰাক্তন এম, পি বিশ্ব গোস্বামী আৰু পদ্মশ্ৰী সন্মান লাভ কৰা অসমৰ এগৰাকী আগশাৰীৰ সাহিত্যিক শ্ৰীযুত আব্দুছ ছাত্তাৰ দেৱৰ বিয়োগত শোক সভা পাতি গভীৰ শোক প্ৰকাশ কৰা হ'য় আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়।

**কৃতজ্ঞতা স্বীকাৰ :—** মোৰ কাৰ্য্যকালছোৱাত বিশেষ ভাৱে সহায় কৰি অহা মহাবিদ্যালয়ৰ ছাত্ৰী অধ্যাপক অধ্যাপিকা আৰু কৰ্ম্মচাৰী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সৰ্দো শেষত অজানিত কৰি অহা

ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত

ক্ষমা বিচাৰিলোঁ।

জয়তু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়।

মণিকা বড়া

সাধাৰণ সম্পাদিকা

# অন্যান্য বিভাগীয় সম্পাদিকাৰ প্ৰতিবেদন

● সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন :—

জয় জয়তে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী তথা শিক্ষাগুৰু আৰু কৰ্ম্মচাৰী বৃন্দলৈ মোৰ সশ্ৰদ্ধ নমস্কাৰ জনাইছো। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ ১৯৮৬-৮৭ চনৰ বছৰটোত সঙ্গীত বিভাগৰ সম্পাদিকা হিচাবে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্ব্বাচিত কৰি আপোনা-লোকলৈ সাধাৰণ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াত প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ সকলো ছাত্ৰী বান্ধৱীলৈ পুনৰ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সঙ্গীত বিভাগৰ গুৰু দায়িত্ব বহন কৰি কিমানখিনি সফলতা অৰ্জন কৰিছিলো সেয়া আপোনা-লোকৰ বিচাৰ্য্য। মোৰ ফালৰ পৰা চেষ্টা কৰিছিলো দায়িত্বখিনি সুচাৰুৰূপে পালন কৰিবলৈ। সাহস, ধৈৰ্য্য গোটাইছিলো চেষ্টাৰ ক্ৰুটি নকৰিবলৈ।

এই বিভাগৰ দ্বাৰা বিগত বছৰত সমাধা কৰা কাৰ্য্যাৱলীৰ এটি চমু আভাস আপোনালোকৰ জ্ঞাতাৰ্থে দাঙি ধৰিলোঁ।

**বাৰ্ষিক কলেজ সপ্তাহ** :— দায়িত্ব ভাৰ গ্ৰহণ কৰিয়েই ১৬ ডিচেম্বৰ তাৰিখলৈকে (১৯৮৬) কলেজ সপ্তাহ উপলক্ষে সঙ্গীত প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানৰ দায়িত্ব ভাৰ বহন কৰিব লগা হয়। এই উপলক্ষে সঙ্গীত বিভাগৰ দ্বাৰা লোক সঙ্গীত, ৰাষ্ট্ৰীয় সঙ্গীত, লঘু সঙ্গীত, যন্ত্ৰবাদ্য, লোকনৃত্য আৰু একাঙ্কিকা নাট প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতা সমূহত যথেষ্ট পৰিমানৰ ছাত্ৰীৰ অংশ গ্ৰহণ বিশেষ উল্লে-খনীয় বিষয় যদিও মানদণ্ডৰ ক্ষেত্ৰত বিশেষ আশাপ্ৰদ নহয়।

এই বছৰ শ্ৰেষ্ঠ সঙ্গীত প্ৰতিযোগী হিচাবে যুটীয়াভাৱে শ্ৰীৰশ্মিৰেখা দেৱী আৰু শ্ৰীমজিমা গোহাঞি নিৰ্ব্বাচিত হয়। স্নাতক ১ম বাৰ্ষিকৰ দ্বাৰা পৰিবেশিত "সজাৰ পক্ষী" নাটখন একাঙ্কিকা নাট প্ৰতিযোগিতাত প্ৰথম নিৰ্ব্বাচিত হয়। শ্ৰীমনিষা বৰুৱা আৰু শ্ৰীদীপালী বৰুৱা যথাক্ৰমে শ্ৰেষ্ঠা অভিনেত্ৰী আৰু শ্ৰেষ্ঠা পৰিচালিকা পৰিগণিত হয়।

সঙ্গীত প্ৰতিযোগিতাৰ বিতং ফলাফল অন্যত্ৰ দিয়া হৈছে।

১৯৮৬ চনৰ কলেজ সপ্তাহৰ সামৰণি অনুষ্ঠানত এই বিভাগৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া ২০ ডিচেম্বৰ তাৰিখে অনুষ্ঠিত হয়। এই অনুষ্ঠানৰ অন্যতম আকৰ্ষণীয় দিশ হিচাবে স্নাতক ১ম বাৰ্ষিকৰ ছাত্ৰী শ্ৰীঅৰুন্ধতী সান্যালৰ দ্বাৰা পৰিচালিত 'মেক বেথ' নাটকৰ 'Lady Macbeth' 'Sleep Walking' দৃশ্যৰ অভিনয়, অধ্যাপক শ্ৰীসুৰেশ ফুকন আৰু শ্ৰীদুগ্ধ শৰ্ম্মাৰ গীত, শ্ৰীমিনু কোঁৱৰ আৰু শ্ৰীমানসী মজিন্দাৰ বৰুৱাৰ গীত, আৰু মাখন বড়াৰ পৰিচালনাত 'বিহু নৃত্য' আদিয়ে সৌষ্ঠৱ বৃদ্ধি কৰিছিল।

অসম ’ ৮৬ ত সাংস্কৃতিক অনুষ্ঠান ঃ— অসম চৰকাৰৰ দ্বাৰা সদৌ অসম জুৰি অনুষ্ঠিত কৰা অসম ’ ৮৬ ৰ ৰাজ্যিক প্ৰশাসনে শিৱসাগৰত কৰা অনুষ্ঠান ২৮ ডিচেম্বৰ তাৰিখে সাংস্কৃতিক সন্ধিয়াত আমাৰ কলেজে অংশ গ্ৰহণ কৰে। এই অনুষ্ঠানো আকৰ্ষণীয় হিচাবে ৰাইজৰ প্ৰশংসা অৰ্জন কৰিবলৈ সক্ষম হয়।

**কৃতজ্ঞতা ঃ—**

প্ৰতিযোগিতাৰ বিচাৰক মণ্ডলী ঃ— সঙ্গীত, নৃত্য, নাটক আদিৰ প্ৰতিযোগিতাত বিচাৰকৰ আসন লবৰ বাবে নিমন্ত্ৰণ জনোৱা সৰ্বশ্ৰী শ্ৰীশিখা গুহ, শ্ৰীৰোহিনী বৰুৱা, শ্ৰীচিদা গোস্বামী, শ্ৰীকৃষ্ণ কলিতা শ্ৰীমুকুলী মহন্ত, শ্ৰীঅঞ্জু দেৱী, শ্ৰীবিভূতি চলিহা, শ্ৰীভৰত বৰুৱা আদি সদাশয় বিচাৰক সকলে আমাৰ অনুৰোধ ৰক্ষা কৰি পুৱাৰ পৰা মাজ নিশালৈ দহোৰন কাটি কৰি সদায় সহায় কৰাৰ বাবে তেখেত সকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জনালো।

মাননীয় শিক্ষক মণ্ডলী ঃ— যোৱা বছৰৰ কাৰ্য্যভাৰ চলাই নিয়াৰ ক্ষেত্ৰত বিভিন্ন দিশত দিহা পৰামৰ্শ, সহায় উপদেশ আগবঢ়োৱাৰ বাবে বিভাগীয় উপদেষ্টা অধ্যাপক শ্ৰীশিশিৰ ভট্টাচাৰ্য্য, অধ্যক্ষ মঃ হাফিজুৰ ৰহমান, শ্ৰীদুগ্ধ শৰ্ম্মা, শ্ৰীসমৰ পতি সান্যাল, শ্ৰীদিলীপ চক্ৰৱৰ্ত্তী, শ্ৰীঅৰুণ বৈৰাগী, শ্ৰীমতী তৃপ্তি মল্লিকা বৰুৱা, মঃ চাহাবুদ্দিন আহমেদ আদি শিক্ষক গুৰু সকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কলেজৰ কৰ্ম্মচাৰী বৃন্দ ঃ— কলেজ সপ্তাহত সঙ্গীত বিভাগৰ প্ৰতিযোগিতা, সাংস্কৃতিক অনুষ্ঠান পৰিচালনাত মাইকৰ তদাৰক কৰা বাবে শ্ৰীনবীন হাজৰীকা, আৰু শ্ৰীদেৱ শইকীয়া লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। আৰু মঞ্চ আদি বহুতো কামত সহায় সহযোগ কৰাৰ বাবে সমূহ কৰ্ম্মচাৰী বৃন্দলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

